# চাকৰি ক’তেনো পাম

ড০ হেমন্ত কুমাৰ শৰ্মা



২০১৯

ৱিকিউৎসৰ পৰা ১৯ জুলাই, ২০২৩ তাৰিখে ৰপ্তানিকৃত

[১]




---

[২]

# চাকৰি ক'তেনো পাম?

**ড০ হেমন্ত কুমাৰ শৰ্মা**
অধ্যাপক, গণিত বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

[১] **Sakori Kotenu Paam?** : A book written by Dr. Hemanta Kumar Sarmah, Professor, Department of Mathematics, Gauhati University and Published by '***Wisdom Books'*** New Delhi (a unit of ***The Perfect Company***), 19 Lamb Road, Ambari, Guwahati. Ph. 94766-94766.

First Edition : November, 2019

প্ৰকাশক : প্ৰদীপ কুমাৰ ডুবে
উইছডম বুকছ, নিউ দিল্লী

© ড০ হেমন্ত কুমাৰ শৰ্মা

প্ৰথম সংস্কৰণ : নৱেম্বৰ, ২০১৯

বেটুপাত : প্ৰজ্ঞান শৰ্মা আৰু প্ৰদীপ্ত শৰ্মা

মূল্য : ১২০.০০ টকা।

ISBN : 978-81-940539-9-6

ডিটিপি : শৰাইঘাট ফটো টাইপছ প্ৰাইভেট লিমিটেড
বামুণীমৈদাম, গুৱাহাটী ২১

মুদ্ৰণ :শৰাইঘাট ফটো টাইপছ প্ৰাইভেট লিমিটেড
বামুণীমৈদাম, গুৱাহাটী ২১

---

[ ৪ ]

# উছৰ্গা



দেউতা স্বৰ্গীয় ৰতিকান্ত শৰ্মাৰ সৈতে মা শ্ৰীযুতা হিৰন্ময়ী দেৱী

*যাৰ অনুগ্ৰহত এই ধুনীয়া ধৰণী*
*দেখাৰ সৌভাগ্য হ'ল সেই পিতৃ*
*স্বৰ্গীয় ৰতিকান্ত শৰ্মাৰ পুণ্য স্মৃতিত আৰু*
*মাতৃ শ্ৰীযুতা হিৰণ্ময়ী দেৱীৰ হাতত কিতাপখন উৰ্ছগা কৰিলোঁ।*

---

[৫]

## লেখকৰ দুআষাৰ

'লেখকৰ দুআষাৰ' জাতীয় কিবা লিখিব লাগিব বুলি কেতিয়াও ভবা নাছিলোঁ। অৱশ্যে জীৱনত সকলো কামেই ভবা ধৰণে হয় বুলি কোনেও ক'ব নোৱাৰে নহ'লে।

ভবা কথা নহয় সিদ্ধি
বাটত আছে কণা বিধি।

জাতীয় প্ৰবচনৰ উৎপত্তিয়েই হয়তো নহ'লহেঁতেন।

কেতিয়াও নভবাকৈ প্ৰবন্ধ লিখাৰ কামত জড়িত হৈ পৰিলোঁ।

আমাৰ মা শ্ৰীযুতা হিৰন্ময়ী দেৱীয়ে লিখা তথা ইতিপূৰ্বে প্ৰকাশিত কিতাপসমূহ আৰু অপ্ৰকাশিত কেইখনমান কিতাপৰ পাণ্ডুলিপি গোটাই আমি ২০১৫ চনত 'হিৰন্ময়ী দেৱী ৰচনা সমগ্ৰ' প্ৰকাশ কৰিছিলোঁ সম্পাদক হিচাপে।

কিতাপখনৰ কাম মোটামুটি শেষ হোৱাৰ সময়ত মায়ে ক'লে, ‘সম্পাদক হিচাপে কিবা এটা লিখ।’ মাৰ আদেশ মানি লিখিলোঁ আৰু সেয়াই অসমীয়াত কিবা এটা লিখাৰ আৰম্ভণি।

মই লিখাখিনি পঢ়ি মায়ে ক'লে, ‘ভালেই লিখিছ দেখোন, মাজে মাজে লিখি থাকিবি।' ৰচনা সমগ্ৰ পঢ়া অন্য দুই-একেও ক’লে আপোনাৰ লিখাখিনি ভাল হৈছে। উৎসাহ পালোঁ, আৰু সেই উৎসাহতে মাজে মাজে মনৰ মাজত ডোলা দি থকা কথাবোৰ প্ৰবন্ধ আকাৰে লিখি দুই-এক কাকতলৈ পঠোৱা কৰিলোঁ। প্ৰথম প্ৰবন্ধটো প্ৰকাশ পালে দৈনিক অসমত। নামটো আছিল ‘নিবনুৱাৰ মৰ্মবেদনা’। দুই-চাৰিজনে আকৌ ফোন কৰি প্ৰশংসা কৰিলে। তেতিয়াৰ পৰা ছেগাছোৰোকাকৈ কেইটামান প্ৰবন্ধ প্ৰকাশ হোৱাৰ পিছত দুই-চাৰিজন শুভাকাংক্ষীয়ে ক'বলৈ আৰম্ভ কৰিলে—প্ৰকাশ হোৱাখিনিৰে এখন কিতাপ ছপাই পেলোৱা। তাৰেই ফলশ্ৰুতি এই কিতাপ।

কিতাপখনত কোনোবাই যদি সাহিত্যৰ ৰস বিচাৰে, তেন্তে সেই পাঠক এশ শতাংশই বিমুখ হ’ব—কাৰণ আমি সাহিত্যিকো নহয় আৰু সাহিত্য সৃষ্টি আমাৰ উদ্দেশ্যও নহয়। আমাৰ উদ্দেশ্য নতুন প্ৰজন্মৰ[৬] যুৱক যুৱতীলৈ কিছু তথ্যৰ যোগান ধৰা যি তথ্যই হয়তো তেওঁলোকক ভৱিষ্যতে এটা কৰ্মসংস্থান পোৱাত সহায় কৰিব পাৰে আৰু দুই-এজন মানুহৰ বিষয়ে জনোৱা যিসকলৰ জীৱন তথা কৰ্মই তেওঁলোকক উৎসাহিত কৰিব পাৰে। অৰ্থাৎ আমাৰ মুখ্য উদ্দেশ্য দুটা হৈছে—

ক) কৰ্মসংস্থাপন সম্পৰ্কীয় তথ্যৰ যোগান আৰু

খ) দুই-এজন মানুহৰ বিষয়ে কিছু উৎসাহজনক কথা দাঙি ধৰা।

কিতাপখনত সন্নিৱিষ্ট প্ৰবন্ধকেইটাৰ বেছিকেইটাই ইতিপূৰ্বে কোনো কাকতত প্ৰকাশ হোৱা। লিখাৰ সময় বেলেগ বেলেগ হোৱাত কেতিয়াবা কোনো প্ৰবন্ধৰ কথা আন প্ৰবন্ধত পুনৰাবৃত্তি হৈছে। পাঠকে যেন নিজ গুণে ক্ষমা কৰি দিয়ে। তদুপৰি প্ৰবন্ধকেইটা যোৱা চাৰি-পাঁচ বছৰৰ ভিতৰত লিখা। সেয়ে এইবোৰত উল্লিখিত তথ্যসমূহ বৰ্তমান অলপ অচৰপ বদলি হ'ব পাৰে। ইণ্টাৰনেটৰপৰা বৰ্তমানৰ তথ্যসমূহ চাই ল’ব পাৰে।

**কিতাপখনৰ বিভিন্ন ঠাইত আৰু বিশেষকৈ শেষ অংশত ছাত্ৰ- ছাত্ৰীৰ সুবিধা হোৱাকৈ বিভিন্ন তথ্যৰ যোগান ধৰা হৈছে। এই সকলোবোৰ তথ্য ইন্টাৰনেটত উপলব্ধ হয় যদিও ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে একগোট কৰি কিতাপখনত দিয়া হ'ল।**

কিতাপখন প্ৰকাশ কৰিবলৈ উৎসাহ যোগোৱা বাবে শৰাইঘাট ফটো টাইপছ প্ৰা. লি.ৰ সঞ্চালক যোগেশ শৰ্মা তথা সেই অনুষ্ঠানতে বিভিন্ন পদবীত কাম কৰি থকা তপন গোস্বামী, প্ৰশান্ত বৰঠাকুৰ, মৃন্ময় শৰ্মা, আব্দুল হান্নান, হেমন্ত ডেকাকে আদি কৰি সকলোলৈ ধন্যবাদ জনালোঁ।

কিতাপখন প্ৰকাশ কৰিবলৈ উৎসাহেৰে গা পাতি লোৱাৰ বাবে প্ৰদীপ কুমাৰ ডুবেলৈও কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ। ডিটিপি তথা মুদ্ৰণৰ কাম সুচাৰুৰূপে সমাধা কৰি দিয়া শৰাইঘাট ফটো টাইপছ

প্ৰা.লি.ৰ সমূহ কৰ্মচাৰীলৈ মোৰ পিনৰ পৰা ধন্যবাদ জনালোঁ।

হেমন্ত শৰ্মা

০১-১১-২০১৯

Email : nsarmah@hotmail.com

---




---

[৮]

# সূচীপত্ৰ


- চাকৰি ক'তেনো পাম? ৯
- শিক্ষিত নিবনুৱাৰ বাবে চাকৰিৰ এক উৰ্বৰ ক্ষেত্ৰ—
  'ফায়াৰ এণ্ড চেফ্‌টি মেনেজমেন্ট' ১৯
- অসমৰ শিক্ষিত নিবনুৱা সমস্যা আৰু ব্যৱসায় ২৪
- মোৰ সপোনৰ 'অসম অৰ্থনৈতিক সভা'খন। ৩২
- মানৱ সম্পদৰ অপচয় ৰোধ—এক অৱলোকন ৩৮
- আমাৰ প্ৰচলিত প্ৰাথমিক শিক্ষা ব্যৱস্থাত
  নতুনত্ব আনিব পৰা এক চিন্তা ৪৬
- কৰ্ম বিমুখিতা আৰু অসমৰ যুৱ সমাজ ৫১
- হিমাৰ পৰা অসমৰ নতুন প্ৰজন্মই ল'বলগীয়া
  শিক্ষা আৰু অন্যান্য ৫৬
- ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ যোগাব পৰা এজন
  অসমীয়া ছাত্ৰৰ কথা ৬২
- আমাৰ মা হিৰণ্ময়ী দেৱী সম্পৰ্কে দুআষাৰ ৬৮
- Do we need more traditional Universities
  or more modern I.T.I s? ৮৬
- Prof. J. Medhi : the
  "Gyan-Yogi' par excellence ২১




[[১০](#)]

## চাকৰি ক'তেনো পাম?

উন্নত দেশসমূহৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীৰ এক চকুত পৰা বৈসাদৃশ্য এয়ে যে আমাৰ দেশৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়েই শিক্ষা সমাপ্ত কৰালৈকে অৰ্থনৈতিক ভাৱে নিজৰ মাক-দেউতাকৰ ওপৰতেই সম্পূৰ্ণভাৱে নিৰ্ভৰশীল হৈ আপেক্ষিকভাৱে এক সহজ জীৱন উপভোগ কৰিবলৈ সক্ষম হয়। হাঁহি-স্ফূৰ্তিৰ মাজেৰে শিক্ষাজীৱন সমাপ্ত কৰাৰ পিছতহে তেওঁলোকে চিন্তা কৰে— 'ভৱিষ্যতৰ সংস্থাপনৰ বাবে এতিয়া কি কৰিম?' এক অচিন নিৰাপত্তাহীনতাৰ ভাৱে তেওঁলোকৰ মনত ক্ৰিয়া কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ বিপৰীতে উন্নত দেশসমূহৰ বেছিভাগ ল'ৰা-ছোৱালীয়েই পঢ়িথকা দিনৰ পৰাই আৰ্জন আৰম্ভ কৰা বাবে হয়তো তেওঁলোকৰ বাবে তেনে পৰিস্থিতি মোকাবিলা কৰাত কিছু

সহজ হয়। যাহওঁক, আমাৰ উদ্দেশ্য হৈছে আমাৰ ছাত্ৰ-ছাত্ৰীক ভৱিষ্যত সংস্থাপন লভাত সহায় হোৱকৈ কিছু তথ্যৰ যোগান ধৰাহে। সফলতাৰ বাবে লাগিব তেওঁলোকৰ নিজস্ব পৰিশ্ৰম, সাধনা আদি। তাৰ কোনো বিকল্প নাই।

এইখিনিতে উনুকিয়াই থ'ব খোজো যে যিখিনি ছাত্ৰ-ছাত্ৰীৰ সপোন শিক্ষকতা অথবা ইউ.পি.এছ.চি. (U.P.S.C.), এ.পি.এছ.চি. (A.P.S.C.) আদি প্ৰতিযোগিতামূলক পৰীক্ষাৰ দ্বাৰা কোনো চাকৰিত মকৰল হোৱা, তেওঁলোকৰ বাবে তলৰ কথাখিনি লিখা হোৱা নাই। আমাৰ দৃষ্টি আন ছাত্ৰ[১১]-ছাত্ৰী সকলৰ ওপৰতহে নিবদ্ধ। তেনে ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণতে বেঙ্ক, জীৱনবীমা আদি অনুষ্ঠানৰ বিভিন্ন পৰীক্ষাৰ বাবে তৈয়াৰী আৰম্ভ কৰে। সেই একেধৰণৰ তৈয়াৰীৰ জৰিয়তে বহিব পৰা এক বিশেষ বিভাগৰ পৰীক্ষা সম্পৰ্কে ছাত্ৰ- ছাত্ৰীক কিছু কথা জনোৱাই এই লিখনিৰ মূল উদ্দেশ্য।

আমাৰ ৰাজ্যখন সকলো দিশতে পিছুৱাই থকাৰ এক অন্যতম কাৰণ আমাৰ দৃষ্টিত এয়ে যে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিভিন্ন দপ্তৰত আন আন প্ৰভাৱশালী ৰাজ্যসমূহৰ তুলনাত আমাৰ ৰাজ্যৰ মানুহৰ উপস্থিতি তেনেই কম। এই সংখ্যা বঢ়াব নোৱাৰিলে কেৱল দুই-এজন আই.এ.এচ, আই.পি.এচ আদি বিষয়াৰ দ্বাৰা আমাৰ বৰ্তমানৰ অৱস্থাৰ হয়তো বৰ বেছি পৰিৱৰ্তন নঘটিব।

ষ্টাফ্ ছিলেক্ছন্ কমিছন্ (SSC) কি আৰু এই অনুষ্ঠানে কি কি চাকৰিৰ বাবে পৰীক্ষা পাতে সেই সম্পৰ্কে বহুতেই জানে যদিও আন বহুতে আকৌ সেই সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ।

কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ আই.এ.এচ্ (IAS), আই.পি.এচ্ (IPS), আই.এফ.এচ্ (IFS) আদিৰ চাকৰিক A 'গ্ৰেড'ত ধৰা হয় আৰু সেইবোৰৰ বাবে পৰীক্ষা পাতে ইউনিয়ন পাব্লিক চাৰ্ভিছ কমিচনে (UPSC)।

ওপৰোক্ত চাকৰিবোৰৰ বাহিৰে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বাকী চাকৰিবোৰক B, C, D 'গ্ৰেড'ত ধৰা হয়। জনামতে প্ৰত্যেক বছৰে প্ৰায় পোন্ধৰৰ পৰা বিশ হাজাৰমান মানুহ এই চাকৰিবোৰৰ বাবে দৰকাৰ হয়। এইসকলোবোৰ চাকৰিৰ বাবে পৰীক্ষা পাতে ষ্টাফ্ ছিলেক্ছন্ কমিছনে।

পৰীক্ষাবোৰ তিনিটা স্তৰত অনুষ্ঠিত হয়—প্ৰথমটো 'মেট্ৰিক' পাছ কৰাসকলৰ বাবে Multi Tasking Staff Examination (MTS), যিটোত বয়সৰ উৰ্দ্ধতম সীমা ২৫ বছৰ আৰু যিটো পাছ কৰিলে প্ৰায় ২৫,০০০ মান টকাৰ দৰমহাৰে চাকৰি এটাৰ আৰম্ভণি হয়। দ্বিতীয়টো, 'হায়াৰ ছেকেণ্ডাৰী' পাছ কৰা সকলৰ বাবে Combined Higher Secondary Examination (CGHL), যিটোত বয়সৰ উৰ্দ্ধতম সীমা ২৫ বছৰ আৰু যিটো পাছ কৰিলে প্ৰায় ৩০,০০০ মান টকাৰ দৰমহাৰে চাকৰি এটাৰ আৰম্ভণি হয়। তৃতীয়টো, 'ডিগ্ৰী' পাছ কৰা সকলৰ বাবে Combined Graduate[১২] Level Examination (CGL), যিটোত বয়সৰ উৰ্দ্ধতম সীমা ২৭ বছৰ আৰু যিটো পাছ কৰিলে প্ৰায় ৫০,০০০ তকৈ বেছি টকাৰ দৰমহাৰে চাকৰি এটাৰ আৰম্ভণি হয়। অৱশ্যে SC, ST, OBC আদি শ্ৰেণীভুক্ত প্ৰাৰ্থীৰ বাবে বয়সৰ উৰ্দ্ধতম সীমা শিথিলকৰণৰ ব্যৱস্থা আছে।

বহুতৰ মনলৈ প্ৰশ্ন আহিব পাৰে — চাকৰিবোৰ বা কেনেকুৱা? স্তৰ অনুযায়ী কামৰ ধৰণ অথবা কিছু চাকৰিৰ নাম তলত উল্লেখ কৰা হ'ল। সকলোবোৰ উল্লেখ কৰা আমাৰ পক্ষে সম্ভৱ নহ'ব। তদুপৰি সেইখিনি ইংৰাজীতেই ৰখা হ'ল। কোনেও যেন দায়-দোষ নধৰে, কাৰণ আমাৰ মুখ্য উদ্দেশ্য ছাত্ৰ-ছাত্ৰীসকলক কিছু তথ্যৰ যোগান ধৰাহে কোনো সাহিত্যসেৱা নহয়।

# Multi Tasking Staff Examination (MTS)

- Physical maintenance of records/files of the section you are posted
- General cleanliness and upkeep of the section/unit
- Carrying of files and other papers within the building
- Photocopying, sending of FAX etc.
- Other non-clerical work in the section/unit
- Assisting in routine office work like diary, despatch etc. including on computer
- Delivering of 'dak' (outside the building)
- Watch and ward duties
- Opening and closing of rooms
- Cleaning of rooms
- Dusting of furniture etc.
- Cleaning of building, fixtures etc.
- Work related to candidate's ITI qualifications, if it exists
- Driving of vehicles, if in possession of valid driving license
- Upkeep of parks, lawns, potted plants etc.
- Any other work assigned by the superior authority.

[১৩] ইত্যাদি কামৰ চাকৰিৰ বাবে লোৱা পৰীক্ষা। এইখিনিতে এইটো কথা উল্লেখ কৰাৰ দৰকাৰ অনুভৱ কৰিলো যে যদিও 'মেট্ৰিক' পাছকৰা সকলৰ বাবে এই পৰীক্ষা পতা হয়, উচ্চতৰ ডিগ্ৰীধাৰী এজনেও এনে পৰীক্ষাত বহাত কোনো বাধা নাই। কামৰ ধৰণ দেখা পাই কোনোবাই যদি মনে মনে ভাৱে যে স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰীধাৰী হৈ এইবোৰ কাম কৰিব পাৰিনে তেন্তে ব্যৱহাৰিক পৃথিৱীখনৰ এটি কঠিন সত্য আমি মনত ৰখা ভাল — Beggars have no choice.

# Combined Higher Secondary Examination (CGHL)

- Postal Assitant (PA)/Sorting Assistant (SA)
- Data Entry Operator (DEO)

- Lower Division Clerk (LDC)
- Court Clerk (CC)

ইত্যাদি চাকৰিৰ বাবে লোৱা পৰীক্ষা।

যদিও এই পৰীক্ষা 'হায়াৰ ছেকেণ্ডাৰী' পাছকৰা সকলৰ বাবে পতা হয়, উচ্চতৰ ডিগ্ৰীধাৰী এজনেও এনে পৰীক্ষাত বহাত কোনো বাধা নাই।

# Combined Graduate Level Examination (CGL)

- Assitant in all central Ministries like Railway, Ministry of External Affairs (MEA), Ministry of External Affairs (Cypher), Information Bureau (IB) etc
- Assitant in AFHQ (Armed Forces Head Quarters)
- Assistant in CSS (Central Secretariat Service)
- Assistant in CVC (Central Vigilance Commission)
- Tax Assistant in CBEC (Central Board of Excise and Customs)

[১৪] Tax Assistant in CBDT (Central Board of Direct Taxes)

- UDC (Upper Division Clerk) in CSCS (Central Secretariat Clerical Service)
- Compiler in RGI (Registrar General of India)
- Statistical Investigator in MPI (Ministry of statistics and Programme Implementation)
- Assistant Enforcement Officer in DEDR (Directorate of Enforcement and Directorate of Revenue)
- SI (Sub Inspector) in CBN (Central Bureau of Narcotics)
- Sub Inspector in CBI (Central Bureau of Investigation)
- Central Excise Inspector
- Inspector in Preventive
- Examiner Inspector
- Inspector of Department of Post
- Income Tax Inspector in CBDT (Central Board of Direct Taxes)
- Divisional Accountant in CAG (Comptroller and Auditor General)
- Auditor in CGDA (Controller General of Defence Accounts)
- Auditor in CGA (Controller General of Accounts)

- Accountant in CGA (Controller General of Accounts)
- Accountant in CAG (Comptroller and Auditor General)
- Auditor in CAG (Comptroller and Auditor General)

সমগ্ৰ চাকৰিৰ নাম উল্লেখ কৰা আমাৰ পক্ষে সম্ভৱ নহয়। কেইটমানহে উল্লেখ কৰিলোঁ। আমাৰ গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে হয়তো এনেকুৱা চাকৰিৰ নামেই শুনা নাই। এইখিনিতে ছাত্ৰ-ছাত্ৰীৰ মনলৈ এই ভাৱটো আহিব পাৰে — পৰীক্ষাবোৰ বা কেনেধৰণৰ হয়? সকলো স্তৰৰ পৰীক্ষাতে সাধাৰণতে তলত উল্লেখিত বিভাগবোৰৰ ওপৰত পৰীক্ষা হয়।

- Reasoning (Verbal and non verbal)
- [১৫] English (Grammar and non Grammar)
- Quantitative Aptitude (Arithmetic, Algebra, Data Interpretation etc.)
- General Awareness (Current affairs and Subject wise knowledge)

অৱশ্যে যিমানেই উচ্চস্তৰৰ পৰীক্ষালৈ যোৱা যায় সিমানেই প্ৰশ্নবোৰ টান হৈ যায়।

এই সম্পৰ্কে ইয়াতকৈ বেছি তথ্য দি পৃষ্ঠা বঢ়াব বিচৰা নাই। যিসকলে ইচ্ছা কৰে তেওঁলোকে ‘ৱেব ছাইট’ চাই বিস্তৃত তথ্যসমূহ আহৰণ কৰিব পাৰে। নতুন চামৰ বাবে আজিকালি ‘ইণ্টাৰ্নেট্ চাৰ্ফিং’ ভাতৰ লগত পানী খোৱাৰ নিচিনা কথা।

লগতে এইটোও জনাই থওঁ যে উপৰোক্ত কেউটা পৰীক্ষাৰ বাবে ‘গাইড বুক’ গুৱাহাটীৰ পাণবজাৰৰ কিতাপৰ দোকানবিলাকত বিচাৰিলেই পোৱা যায়। ইয়াৰ বাহিৰেও 'Study Material' যোগান ধৰা তথা তেনেকুৱা পৰীক্ষাৰ তৈয়াৰী কৰাত সহায় কৰা অনুষ্ঠানৰ খবৰো ইণ্টাৰনেটত পোৱা যায়। গুৱাহাটীতো তেনে দুই-এক সংস্থা গঢ় লৈ উঠা বুলি শুনিবলৈ পাইছো। অৱশ্যে ছাত্ৰ-ছাত্ৰীসকলে তেনে অনুষ্ঠানৰবোৰত যোগদান কৰি পইচা পাতি জমা দিয়াৰ আগতে কিছু খবৰ কৰি লোৱা ভাল।

উত্তৰ-পূব ভাৰতত বৰ্তমানে এছ.এছ.চি.ৰ চাকৰিবোৰত কৰ্মৰত লোকৰ ৯০ ৰপৰা ৯৫ শতাংশ উত্তৰ-পূবৰ বাহিৰৰ। সেইটোৱে কিন্তু এইটো প্ৰতিপন্ন নকৰে যে আমাৰ উত্তৰ-পূবৰ ছাত্ৰ-ছাত্ৰীখিনিৰ বুদ্ধিবৃত্তি কম, বৰঞ্চ তেওঁলোকে দুই-এটা সৰু কিটিপ (trick) নাজানে।

আমাৰ ল'ৰা-ছোৱালীখিনিয়ে বেছিভাগেই কিবা নহয় কিবা বিষয়ত এম.এ./এম.এছ.চি. ধৰণৰ ডিগ্ৰী এটা আৰ্জি লয় যিটো কৰোতে তেওঁলোকৰ প্ৰায় ২৩-২৪ বছৰ হৈ যায়। ইয়াৰ পিছতেই বহুতো ছাত্ৰ- ছাত্ৰীৰ ক্ষেত্ৰত আমি সৰুৰেপৰা শুনি থকা শহা আৰু কাছৰ সাধুটোৰ নিচিনা ঘটনা এটা ঘটে। ইমানদিনে একেলেথাৰিয়ে পঢ়ি ‘ভাগৰ’ লগা বাবে অলপ ‘জিৰণি’ লয় ভাগৰ পলুৱাবৰ বাবে আৰু জী[১৬]টোক অলপ ‘উপভোগ’ কৰি ল'বৰ বাবে। বহুতো ছাত্ৰ-ছাত্ৰীয়ে এম.এছ.চি. পৰীক্ষাৰ শেষৰ দিনা হাঁহি হাঁহি কৈ যায় যে আৰু এবছৰলৈ তেওঁলোকে ৰাস্তাৰ চাইনব’ৰ্ডো নপঢ়ে। আমাৰ শিক্ষা পদ্ধতি

'শক্তি সঞ্চাৰী' নহৈ কিয় 'ভাগৰ লগা' ধৰণৰ আৰু 'ৰোমাঞ্চকাৰী' নহৈ কিয় 'আমনিদায়ক' হ'ল তাৰ বাবে হয়তো বিস্তৃত গৱেষণাৰ স্থল আছে। যিয়েই নহওক ভাগৰ পলোৱাৰ পাছত এই ছাত্ৰ-ছাত্ৰীসকলে এইবাৰ সন্ধান কৰে কি কৰি ভৱিষ্যতৰ ভাতমুঠি মোকলাব পাৰি তাৰ এক ৰাস্তা। 'ঘৰৰ কাষতে' কিবা এটা হলে ভাল হয়। এই ক্ষেত্ৰত অৱশ্যে বহু অভিভাৱকেও ভুল কৰে। তেনে এটা ঘটনা ঘটিছে মোৰ এজন পুৰণা ছাত্ৰ শ্ৰীমান এক্সৰ লগত। তেওঁ আক্ষেপসহ জনালে যে মাক-দেউতাকৰ উপদেশ মতে দুবছৰ কাল ঘৰৰ কাষৰে কলেজ এখনত ক'বলৈ লাজ লগা পাৰিশ্ৰমিকৰ বিনিময়ত সময় কটালে— ভৱিষ্যতে ভাগ্য উদয় হোৱাৰ আশাত। কিন্তু লাহে লাহে বুজি উঠিল যে সেই আশা ফলৱতী হোৱাৰ আশা খুবেই ক্ষীণ—ইউ.জি.চি. (U.G.C.)ৰ নতুন নিয়মাৱলীৰ বাবে। এতিয়া এছ.এছ.চি.ৰ পৰীক্ষা দিবলৈ ওলাই দেখে যে তেওঁৰ বয়সে ইতিমধ্যেই সেই পৰীক্ষাৰ বাবে নিৰ্ধাৰণ কৰা বয়সৰ উচ্চসীমা অতিক্ৰম কৰিছে। অভিভাৱকসকলৰ উদ্দেশ্যে জনাব খোজো যে ইউ.জি.চি.ৰ নতুন নিয়মাৱলীয়ে এতিয়া 'ঘৰৰ কাষৰ' কলেজখনৰ চাকৰিটো আগৰ নিচিনা সহজ কৰি ৰখা নাই। সমস্ত শৈক্ষিক ফলাফল প্ৰথম বিভাগত আৰু লগতে নেট্/শ্লেট্/পি.এইচ.ডি.ৰ ভিতৰত কিবা এটা থাকিলেহে অলপ আশা থাকে, নহ'লে আশা নকৰাই ভাল। গুৱাহাটীৰ যিকোনো কলেজত তাতকৈ বহু বেছি যোগ্যতাৰ দৰকাৰ হয়। এইখিনিতে আৰু এটা দৰকাৰী কথা উনুকিয়াই থোৱাৰ প্ৰয়োজনবোধ কৰিলো। নেট্/শ্লেট্/পি.এইচ.ডি. দিবৰ বাবে বয়সৰ উচ্চসীমা ধৰা বন্ধা নাই যদিও এছ.এছ.চি.ৰ পৰীক্ষাৰ বেলিকা হ'লে আছে।

বেছিভাগ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰতেই ওপৰোক্ত ঘটনাবোৰ সংঘটিত হোৱাৰ পাছত এইবাৰ তেওঁলোকেচেষ্টা কৰে এছ.এছ.চি.ৰ 'ডিগ্ৰী লেভেল'ৰ পৰীক্ষাৰ বাবে, কাৰণ তেওঁলোক ইতিমধ্যেই এম.এ. বা এম.এছ.চি.ৰ ডিগ্ৰীধাৰী। ডিগ্ৰীৰ অহমিকাই তেওঁলোকক MTS বা CGHL পৰীক্ষাত বহাত[১৭] বাধা দিয়ে। যিহেতু CGL পৰীক্ষাৰ বাবে বয়সৰ উচ্চ সীমা ২৭ বছৰ, বেছিভাগেই এবাৰ বা খুব বেছি দুবাৰ পৰীক্ষা দিব পাৰে আৰু খুব কমেইহে কৃতকাৰ্যতাৰ মুখ দেখে।

ইয়াৰ বিপৰীতে উত্তৰ-পূব ভাৰতৰ বাহিৰৰ যিখিনি পৰীক্ষাৰ্থী, যিখিনিৰ ভিতৰত বহুতো এম.এ., এম.এছ.চি., ইঞ্জিনীয়াৰ, এম্.বি.এ. ডিগ্ৰীধাৰীও থাকে তেওঁলোকৰ বেছিভাগেই কিন্তু মেট্ৰিক লেভেল'ৰ MTS পৰীক্ষাটো দি লয় যিটোত তেওঁলোকে সহজেই কৃতকাৰ্য হয় আৰু এছ.এছ.চি.ৰ কোনো চাকৰিত যোগদান কৰে। প্ৰশ্ন উঠে, কিয় তেনে কৰে? কাৰণটো হৈছে কোনোবা এজন যদি এছ.এছ.চি.ৰ কৰ্মচাৰী হয় তেন্তে সাধাৰণ শ্ৰেণীভুক্ত (General) হ'লেও তেওঁ ভৱিষ্যতে দিবলগীয়া এছ.এছ.চি.ৰ পৰীক্ষাৰ বাবে বয়সৰ উৰ্ধসীমাৰ ক্ষেত্ৰত ৫ বছৰ ৰেহাই পায় অৰ্থাৎ তেওঁ ২৫/ ২৭ বছৰৰ পৰিৱৰ্তে ৩০/৩২ বছৰলৈ এছ.এছ.চি.ৰ পৰীক্ষা দিব পাৰে আৰু সেই ৫ বছৰৰ ভিতৰত তেওঁলোকে হয় 'ডিপাৰ্টমেন্টেল' পৰীক্ষা দি নহয় 'হায়াৰ ছেকেণ্ডাৰী' বা ' ডিগ্ৰী লেভেল'ৰ বাবে পতা পৰীক্ষা দি ওপৰলৈ উধাই গৈ থাকে আৰু ৩৫-৪০ বছৰমান বয়সত এজন 'গেজেটেড্' বিষয়াত পৰিণত হয়।

এই সম্পৰ্কতে আমাৰ এক মধুৰ অভিজ্ঞতাৰ বিষয়ে লিখিবলৈ ওলাইছো যিটোৱে অসমৰ দুই-এজন ছাত্ৰ-ছাত্ৰীকো যদি উপকৃত কৰে তেন্তে আমাৰ লিখনি সাৰ্থক হোৱা বুলি ধৰি ল'ম।

১৯৯১ চনৰ ১৬ জুলাইত আমি গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগত প্ৰৱক্তা হিচাপে যোগদান কৰো। দুই-চাৰিদিন ক্লাছ কৰাৰ পিছত দুজনমান ছাত্ৰই ক্লাছ নথকা সময়ত লগ ধৰি কথা-

বাৰ্তা পতা আৰম্ভ কৰিলে। দুজনমানে সুধিলে—আপুনি হেনো ১৯৮১ চনত গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ পৰা ‘মেট্ৰিক’ পৰীক্ষা পাছ কৰিছিল? মই হয় বুলি কোৱাত তাৰেই দুই-একে জনালে যে তেওঁলোক মোৰ সমনীয়া অৰ্থাৎ একেই বছৰতে হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰা। স্বাভাৱিকভাৱেই তাৰ পিছত তেওঁলোকে মোক তেওঁলোকৰ ক্ৰিকেট দলৰ সদস্য ভুক্তি কৰিলে। অপেনিং বলাৰ, বেটিঙত ৯-১০ নম্বৰ। তেওঁলোকৰ গান-বাজনাৰ আয়োজনৰ নিয়মীয়া তবলাবাদক আৰু শিক্ষামূলক ভ্ৰমণৰ[১৮] 'টিচাৰ্ ইন্ চাৰ্জ'। ৭-৮ বছৰ সময় চকুৰ পচাৰতে কেনেকৈ গুচি গ'ল গমকে নাপালো। ব্যক্তিগত পদোন্নতিৰ ক্ষেত্ৰত সেইবাবে কিছু পিছ পৰি গ'লো যদিও তাৰ বাবে আজিলৈকে মোৰ কোনো অনুশোচনা হোৱা নাই কাৰণ সেই অভিজ্ঞতাবোৰে মোৰ ব্যক্তিগত জীৱনটোক বহুত নতুন ৰং ৰূপ আৰু ৰসেৰে সংপৃক্ত কৰিলে। যিখিনি আজি মোৰ বাবে কিছু মধুৰ স্মৃতি।

লাহে লাহে পৰামৰ্শদাতাৰ ভূমিকাতো অৱতীৰ্ণ হ'বলগীয়া হ'ল। সেই পৰামৰ্শবোৰ কেতিয়াবা শিক্ষা সম্পৰ্কীয়, আন কেতিয়াবা আকৌ ঘৰুৱা সমস্যা অথবা অন্যান্য সমস্যা সম্পৰ্কীয়। বিশ্ববিদ্যালয়ত সাধাৰণতে নতুন ছাত্ৰ-ছাত্ৰীসকলে পুৰণাসকলৰ পৰা কোন শিক্ষক-শিক্ষয়িত্ৰীৰ কেনেকুৱা মেজাজ সেই সম্পৰ্কে এক ‘ফিড্-বেক্’ লয় আৰু সেই মতে তেওঁলোকৰ লগত ব্যৱহাৰ কৰে। গতিকে মোৰ বয়স বাঢ়ি আহিলেও মোৰ লগত ছাত্ৰ-ছাত্ৰীৰ বন্ধুত্ব সুলভ ব্যৱহাৰ কিছু কমিলেও শেষ হৈ যোৱা নাই আৰু ময়ো পঞ্চাশোৰ্ধ হৈয়ো তেনেকুৱা ব্যৱহাৰ আনন্দেৰে উপভোগ কৰি আছো, বৰ্তমানো।

কাৰোবাৰ মনলৈ আহিব পাৰে, এওঁ দেখোন শিৰোনামাৰ পৰা আঁতৰি আত্মশ্লাঘাত লাগি গ'ল। ভুল নুবুজিব। আমাৰ তেনে কোনো দূৰাকাঙ্ক্ষা নাই, মই মাত্ৰ ক'বলগীয়া কথাখিনি কেনেকৈ ঘটিল তাৰ পৃষ্ঠভূমিটো তৈয়াৰ কৰাৰ খাতিৰতহে ওপৰৰ কথাখিনি লিখিবলগীয়া হ’ল।

২০০৬-০৭ চনৰ কোনোবা এটা দিনৰ কথা। ক্লাছৰুমৰ পৰা ক্লাছ কৰি ওলাই দেখিলো তাৰ আগৰ বছৰ পাছ কৰি ওলাই যোৱা বুলি ভাবি থকা ছাত্ৰ শ্ৰীমান ৰাই, এজন বয়সস্থ লোকৰ লগত ৰুমৰ বাহিৰত ৰৈ আছে। মই তেওঁক কি খবৰ, ক'ৰবাত কিবা কামত সোমাইছেনে প্ৰশ্ন কৰাত তেওঁ দুখেৰে ক'লে যে তেওঁ যোৱা বছৰ কৃতকাৰ্য হ'ব নোৱাৰিলে আৰু তেওঁৰ লগত থকাজন তেওঁৰ দেউতাক। দেউতাকক অহাৰ উদ্দেশ্য সোধাত তেখেতে ক'লে যে ল'ৰাজন মানসিকভাৱে কিছু ভাগি পৰিছে। আৰু তেখেতে সান্ত্বনা দিছে যদিও বৰ ফল ধৰা নাই। লগতে ক'লে যে ল'ৰাৰ মুখত বিশ্ববিদ্যালয় শ্ৰেণীত যোগদান কৰাৰ সময়ৰে পৰা মোৰ কথা শুনি থাকি তেখেতৰ মনত ভাব হ'ল যে মই হয়তো কিবা[১৯] এটা উপায় দিব পাৰিম। পিতা-পুত্ৰ দুয়োকে বিশ্ববিদ্যালয়ৰ কেণ্টিনলৈ নি আমি অলপ আছুতীয়াকৈ বহি ল’লো আৰু ল’ৰাক কিছু সান্ত্বনা দিলো আৰু লগতে ক’লো যে যিহেতু তেওঁ ইতিমধ্যে দুবছৰ বিশ্ববিদ্যালয়ত কটালে গতিকে আকৌ পৰীক্ষা নিদিলে তেওঁৰ ভৱিষ্যতে এক আক্ষেপ থাকি যাব পাৰে ডিগ্ৰীটো আধৰুৱা কৰি এৰি যোৱা বাবে। সেয়ে এইবাৰ আকৌ পৰীক্ষা দিয়ক কোনো উচ্চ নম্বৰৰ আশা নকৰাকৈ। পাচ কৰিলেই হ'ব আৰু তাৰ পিছতে অলপ কম স্তৰৰ যিবোৰ প্ৰতিযোগিতামূলক পৰীক্ষা আছে যেনে—বেংকৰ কেৰাণী বা ষ্টাফ্ চিলেক্চনৰ অলপ তলখাপৰ পদবোৰৰ বাবে নিজকে সাজু কৰক। আগৰবাৰৰ অকৃতকাৰ্যতাই তেওঁক বৰঞ্চ সেই প্ৰতিযোগিতামূলক

পৰীক্ষাবোৰৰ সন্মুখীন হোৱাত সহায়হে কৰিব, যিহেতু প্ৰতিযোগিতামূলক পৰীক্ষাবোৰত কৃতকাৰ্য হ'মেই বুলি খুব কমেইহে আগধৰি দৃঢ়তাৰে ক'ব পাৰে। কিন্তু তেওঁৰ পিনৰ পৰা চেষ্টাৰ কোনো অবকাশ থাকিব নালাগিব।

আজি মই জনাবলৈ পাই খুব আনন্দিত যে সেই শ্ৰীমান ৰাইয়ে পিছৰ বছৰ পঞ্চাছৰ ওপৰ শতাংশ নম্বৰ লৈ এম.এছ.চি. পাছো কৰিলে আৰু তাৰ পিছৰ বছৰ ষ্টাফ্ চিলেক্চন্ কমিছনৰ 'ডিগ্ৰী লেভেল'ৰ পৰীক্ষাত কৃতকাৰ্যতাৰে উত্তীৰ্ণ হৈ বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ এজন বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁৰ লগৰে, তেওঁতকৈ বহু ভালদৰে এম.এছ.চি. পাছ কৰি পি.এইচ.ডি. কৰা দুই-এজনৰ কিন্তু আজিও একো সংস্থান হোৱা নাই, যিটোৱে অৱশ্যে মনটোত দুখো দিয়ে।

সকলোতে থলুৱাক শোষণ কৰা, বঞ্চিত কৰা, মাহী আইৰ দৃষ্টিৰে চোৱাৰ শ্লোগান দি থকা আমি যদি এই সৰু দুই-এটা কিটিপ শিকি লৈ সাময়িকভাৱে নিজৰ ডিগ্ৰীৰ 'ভেম'টো বাদ দি কিটিপবোৰৰ যথোপযুক্ত প্ৰয়োগ কৰো তেন্তে নিশ্চয় এদিন আমাৰ সুদিন আহিব, যেতিয়া আমি তেনে শ্লোগানবোৰ আঁওৰাই থকাৰ দৰকাৰ নহ'ব, কাৰণ ব্যৱহাৰিক পৃথিৱীখনত হয়তো এটা কথাই সত্য—"যোগ্য ভোগ্য বসুন্ধৰা", সেই 'যোগ্যতা' হয়তো পৰীক্ষাৰ নম্বৰ নাইবা উচ্চতৰ ডিগ্ৰী নহৈ সৰু কিটিপ এটাও হ'ব পাৰে কাৰণ ব্যৱহাৰিক পৃথিৱীখনত সকলো 'আপেক্ষিক'

(relative)[২০], ইয়াত একোৱেই 'পৰম' (absolute) নহয়। ❑

# শিক্ষিত নিবনুৱাৰ বাবে চাকৰিৰ এক উৰ্বৰা ক্ষেত্ৰ— 'ফায়াৰ এণ্ড চেফ্টি মেনেজমেন্ট'

আমাৰ বোধেৰে মানুহৰ থাকিবলগীয়া আৱশ্যকীয় গুণসমূহৰ ভিতৰত 'কৃতজ্ঞতাবোধ' অন্যতম। ই নিজকো আনন্দ দিয়ে আৰু যাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰা হয় তেওঁকো সুখী কৰে। লিখনিটোৰ আৰম্ভণিতে সেয়ে মোৰ পিনৰ পৰা তেনে কৃতজ্ঞতা প্ৰকাশ কৰি লৈছো দিল্লী বিশ্ববিদ্যালয়ত মোৰ একালৰ সহপাঠী বান্ধৱী আগৰ মল্লিকা বৰুৱা তথা বৰ্তমান মল্লিকা বৰুৱা শৰ্মালৈ, কাৰণ আজিৰ লিখনিটোৰ সমল তেওঁ যোগান ধৰা। মল্লিকা এটা সময়ত একেৰাহে কেইবাবছৰ ধৰি বেডমিণ্টনৰ মহিলা শাখাৰ 'ডাবলছ্'ত ভাৰতৰ চেম্পিয়ন আছিল আৰু থমাচ কাপ, উবেৰ কাপ আদিত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। আমাৰ নৱপ্ৰজন্মই জানি অনুপ্ৰাণিত হ'ব যে মল্লিকাই খেলৰ ক্ষেত্ৰত ইমান সুনাম অৰ্জন কৰাৰ লগতে গণিত শাস্ত্ৰত দিল্লী বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম বিভাগত এম.এছ.চি. পৰীক্ষাত উত্তীৰ্ণ হয় আৰু তাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পৰিবেশ বিজ্ঞান বিষয়ত এম. ফিল্ ডিগ্ৰী লাভ কৰে। বৰ্তমান তেওঁ 'অইল ইণ্ডিয়া লিমিটেড'ৰ 'চীফ মেনেজাৰ' (এনভাইৰনমেণ্ট)। অফিচ গুৱাহাটীৰ[২১] নুনমাটিত আৰু তেওঁৰ মেইল হৈছে mallikasa@ gmail.com মল্লিকাই মোক এটা ঘটনাৰ বিষয়ে লিখিবলৈ অনুৰোধ কৰিলে। তেওঁ কোৱা কথাখিনিৰ লগত মই ইণ্টাৰনেটৰ পৰা লোৱা কিছু সমল যোগ কৰি দিছো ৰাইজৰ জ্ঞাতাৰ্থে।

আমাৰ আশা—ঘটনাটোৱে স্কুল বা কলেজৰ কিবা এটা ডিগ্ৰী লৈ চাকৰি বিচাৰি হাবাথুৰি খাই ফুৰা ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত এচমকা পোহৰ দেখুৱাওক। দুই-এগৰাকী ছাত্ৰ-ছাত্ৰীও যদি উপকৃত হয়, সি আমাক আনন্দ দিব আৰু ভৱিষ্যতেও এনে ঘটনা ৰাইজৰ আগত দাঙি ধৰিবলৈ অনুপ্ৰেৰণা যোগাব।

২০০৯ চনৰ ২৯ অক্টোবৰত জয়পুৰৰ কোনোবা এটা তেলৰ ৰিফাইনেৰীৰ ‘টেংকিত’ জুই লাগে। বহু কষ্টৰ মূৰত জুই নিৰ্বাপিত হ’ল। চৰকাৰে অনুসন্ধান কমিটি বহুৱালে। কমিটিয়ে পৰামৰ্শ দিলে যে ৰিফাইনেৰী, অইল ইণ্ডিয়া লিমিটেড, অ’এন.জি.চি., এয়াৰপৰ্ট, বীমাকৰণ কোম্পানী, বিভিন্ন কনষ্ট্ৰাক্চন্ কোম্পানী আৰু কেমিকেলৰ লগত জড়িত যিবোৰ চৰকাৰী/বেচৰকাৰী অনুষ্ঠান আছে তাত ‘ফায়াৰ এণ্ড চেফ্টি মেনেজমেণ্ট’ৰ জ্ঞান থকা মানুহৰ অতি দৰকাৰ, যিটো সেই সময়লৈ নাছিল। লগে লগে আৰম্ভ হ’ল চাকৰিৰ এক নতুন ক্ষেত্ৰ। স্বাভাৱিকভাৱেই ক্ষেত্ৰখনত জড়িত চাকৰিবোৰৰ বাবে দৰকাৰী জ্ঞান থাকিব লাগিব ‘ফায়াৰ এণ্ড চেফ্টি মেনেজমেণ্ট’ৰ। আৰম্ভণি অৱস্থাত এচামৰ কপাল ফুলিল। সৰু সুৰা তেনেকুৱা ডিপ্লমা থকাজনেও বহু ডাঙৰ চৰকাৰী / বেচৰকাৰী অনুষ্ঠানত ভাল ভাল চাকৰি পাবলৈ সক্ষম হ’ল, যোগ্যতা থকা মানুহৰ অভাৱত। চাকৰিৰ এই ক্ষেত্ৰখন কিন্তু তেল চহকী মধ্যপ্ৰাচ্যত আজি বহু বছৰ ধৰি চলি আছে। গোটেই ভাৰতৰ অনুষ্ঠানসমূহ তথা মধ্যপ্ৰাচ্যত যিমান যোগ্য মানুহৰ দৰকাৰ সিমান মানুহ এতিয়াও ওলোৱা নাই। শুনা মতে আৰু ৮/১০ বছৰমানৰ বাবে সেই ক্ষেত্ৰখন চাকৰিৰ বাবে উৰ্বৰা হৈয়ে ৰ’ব। চাকৰিসমূহো যোগ্যতা অনুযায়ী বেলেগ বেলেগ স্তৰৰ। মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰী, ডিগ্ৰী (মেজৰ থকা বা নথকা) আনকি কেমিকেল, চিভিল, মেকানিকেল আদি ইঞ্জিনীয়াৰসকলেও তেনে চাকৰিৰ বাবে চেষ্টা কৰিব পাৰে ভাৰত বা মধ্যপ্ৰাচ্যৰ বিভিন্ন অনুষ্ঠানত[২২]। লগত লাগিব মাত্ৰ ‘ফায়াৰ এণ্ড চেফ্টি মেনেজমেণ্ট'ৰ এবছৰীয়া ডিপ্ল’মা এটা। ইতিমধ্যেই কৰ্ণাটক, মহাৰাষ্ট্ৰ, দিল্লী, কলিকতা আদি ঠাইত এনে ডিপ্ল'মা কৰ্চ থকা অনুষ্ঠান গঢ় লৈ উঠিছে।

এইখিনিতে দুটামান দৰকাৰী কথা কৈ থোৱাৰ প্ৰয়োজন অনুভৱ কৰিলো। 'ফায়াৰ' শ্বদটোৱে হয়তো বহুতো অভিভাৱকৰ চকু কপালত উঠাব আৰু মনে মনে হয়তো মোক গালিও পাৰিব—ভাল উপদেশ দিবলৈ আহিছে, আমাৰ ল'ৰা বা ছোৱালীক জুইৰ লগত খেলা কৰিবলৈ দি! ভুল নুবুজিব। এনে চাকৰিবোৰৰ মাথো পাঁচ শতাংশহে জুইৰ লগত খেলা কৰা চাকৰি, যিটো হৈছে 'ফায়াৰ ফাইটাৰ'ৰ। বাকী পঁচানবৈ শতাংশই জুইৰ লগত খেলা কৰিব নালাগে। তেওঁলোকে নিজৰ নিজৰ অনুষ্ঠানৰ কৰ্মীসকলক তেনে আপাতকালীন সময়ত কি কৰিব লাগে তাৰ জ্ঞান দিব, তেনে দুৰ্ঘটনা ঘটিলে তাৰ পৰা পৰিত্ৰাণৰ বাবে যিবোৰ আহিলা (Gadgets) আছে সেইবোৰৰ বিষয়ে সম্যক জ্ঞান দিয়াৰ লগতে সেইবোৰ কেনেকৈ ব্যৱহাৰ কৰিব লাগে তাৰ ‘ট্ৰেইনিং’ দিব, অনুষ্ঠানৰ বাবে নতুন ঘৰ আদি সাজিবলৈ হ'লে তেনেকুৱা বিপদৰ পৰা ৰক্ষা পৰিবলৈ কেনেদৰে ঘৰৰ ডিজাইন কৰিব লাগে তাৰ দিহা-পৰামৰ্শ দিব ইত্যাদি। মই আদা বেপাৰীয়ে ইয়াতকৈ বেছি জাহাজৰ খবৰ দিয়া উচিত বুলি নাভাবো—মই মাথোঁ আপোনালোকক জাহাজ এখন থকাৰ খবৰহে দিছো। কি কি ধৰণৰ চাকৰি আছে, যোগ্যতা কি লাগে, চাকৰিত দৰমহা কিমান হ’ব, ভাৰতৰ আৰু মধ্যপ্ৰাচ্যৰ কোন কোন অনুষ্ঠানত এনে চাকৰি পাব পাৰি ইত্যাদি সমস্ত খবৰ ইণ্টাৰনেটত পাব। নতুন চামৰ বাবে আজিকালি ‘ইণ্টাৰনেট চাৰ্ফিং’ ভাতৰ লগত পানী খোৱাৰ নিচিনা কথা। 'গুগল চাৰ্চ'ত গৈ ‘ফায়াৰ এণ্ড চেফ্টি মেনেজমেণ্ট ইন্সিটিটিউট ইন ইণ্ডিয়া’ লিখি গৈ থাকক, খবৰৰ কোনো অভাৱ নাপায়। মনত উদয় হোৱা সকলো প্ৰশ্নৰে উত্তৰ পাই গৈ থাকিব।

কথা প্ৰসংগত তেনে এজন অসমীয়াৰো সন্ধান পালো, যিজনে বৰ্তমান মধ্যপ্ৰাচ্যত (কুৱেইটত) তেনে ধৰণৰ কামত নিয়োজিত হৈ আছে। খবৰটো পালো উদীয়মান ডেকা আৰ্কিটেক্ট কপিল দেৱ চৌধুৰীৰ পৰা। কথা প্ৰসংগত তেওঁ জনালে যে তেওঁৰ মহাক মুকুট নাৰায়ণ দেৱ চৌধুৰী যোৱা ২৫ বছৰমান কাল মধ্যপ্ৰাচ্যত এজন প্ৰযুক্তিবিদ হিচাপে কাম কৰি আছে আৰু তেখেতে নিজৰ ভায়েকক বি. এছ. ছি. পাছ[২৩] কৰাৰ পিছত এনেকুৱা ডিপ্ল'মা এটা কৰাই নি তেওঁক কুৱেইটত চাকৰিত সুমুৱাই দিছে। মই কপিলক সুধিলো, অসমৰ ল'ৰা-ছোৱালীৰ জ্ঞাতাৰ্থে তেওঁৰ মহাকৰ ই-মেইলটো দিব পাৰিম নেকি? কপিলে মহাকৰ লগত কথা পাতি মোক জনাব বুলি কৈ তেখেতৰ ই-মেইলটো পঠিয়ালে— dchoudhurym@yohoo.com

ঘূৰি আহিছো আকৌ সহপাঠী, বান্ধৱী মল্লিকাৰ ঘটনাটোলৈ। তেওঁ দুলীয়াজানত কাম কৰি থকা কোনো এটা দিনৰ কথা। তেওঁৰ অফিচলৈ স্থানীয় কেইজনমান যুৱক আহি তেওঁক জনালে যে তেওঁলোকে এখন খেল পাতিছে আৰু সেয়ে তেওঁলোকে চান্দা বিচাৰি আহিছে। মল্লিকাই ১০০ টকা দিয়াত তেওঁলোকে জনালে যে তেওঁৰ পৰা দুহেজাৰ টকা বিচৰা হৈছে। 'ফায়াৰ এণ্ড চেফ্‌টি মেনেজমেণ্ট'ৰ ক্ষেত্ৰখন সম্পৰ্কে মল্লিকা ইতিমধ্যেই অৱগত আছিল আৰু তেওঁলোকৰ 'অইল ইণ্ডিয়া লিমিটেড' অনুষ্ঠানতো তেনে ডেকা ল'ৰাৰ আৱশ্যকতা আছিল। যুৱক কেইজনক মল্লিকাই গালি এজাউৰি দি ক'লে যে এনেদৰে চান্দা তুলি ঘূৰি ফুৰাতকৈ তেওঁলোকে ক'ৰবাত গৈ 'ফায়াৰ এণ্ড চেফ্‌টি মেনেজমেণ্ট'ৰ ডিপ্ল'মা কৰ্চ এটা কৰি আহক আৰু তাৰ বাবে যদি তেওঁলোক অৰ্থনৈতিকভাৱে অসমৰ্থ তেন্তে সেই খৰচ তেওঁ বহন কৰিব, কিন্তু চান্দা এশ টকাৰ ওপৰত তেওঁ নিদিয়ে। ল'ৰাকেইজন গ'লগৈ যদিও কিবা বিষম প্ৰতিক্ৰিয়া হ'ব পাৰে বুলি মল্লিকাৰ কেইদিনমান দুশ্চিন্তাত গ'ল। একো অঘটন পিছে নঘটিল। কেইদিনমানৰ পিছত তাৰে দুজনমানে আহি মল্লিকাক লগ ধৰি তেনে পাঠ্যক্ৰম ক'ত আছে, ক'ত কৰিলে ভাল হ'ব ইত্যাদি খবৰ লৈ গ'ল। প্ৰায় এবছৰ পিছত এদিন দুজন ল'ৰা আহিল মল্লিকাৰ ওচৰলৈ আৰু জনালে যে তেওঁৰ উপদেশ মতে আগবাঢ়ি তেওঁলোকে বৰ্তমান একোটা চাকৰি পালে আৰু সেয়ে তেওঁলোকে কৃতজ্ঞতা জনাবলৈ আহিছে।

মল্লিকাৰ ঘটনাটো শুনাৰ পিছত মোৰ মনতো ভাব আহিল— অসমতো তেলৰ খাদ আছে, ৰিফাইনেৰী, অইল ইণ্ডিয়া লিমিটেড, অ'.এন.জি.চি., এয়াৰপৰ্ট, বীমাকৰণ কোম্পানী, বিভিন্ন কন্ট্ৰাক্চন্[২৪] কোম্পানী আৰু কেমিকেলৰ লগত জড়িত অজস্ৰ চৰকাৰী/বেচৰকাৰী অনুষ্ঠান আছে, গতিকে তেনে লোকৰ দৰকাৰ নিশ্চয় অসমতো আছে।

গতিকে অসমৰ ল'ৰা-ছোৱালীৰ বাবে অসম চৰকাৰে তেনে এক অত্যাধুনিক অনুষ্ঠান খোলাৰ কথা ভাবিব পাৰে দেখোন। লগা ধনৰ এটা অংশ চৰকাৰে আৰু আনটো অংশ ওপৰোক্ত অনুষ্ঠানবোৰে তেওঁলোকৰ 'কৰ্প'ৰেট্ ছ'চিয়েল্ ৰেচপনচিবিলিটি' শিতানত ধাৰ্য কৰা ধনৰ পৰা হয়তো বহন কৰিব পাৰে। তেতিয়া সেই অনুষ্ঠানসমূহো এই নতুনকৈ খোলা শিক্ষানুষ্ঠানটোৰ লগত জড়িত হৈ থাকিব আৰু তেওঁলোকৰ নিজৰ নিজৰ অনুষ্ঠানত যেনেকুৱা 'স্কীল'ৰ মানুহৰ দৰকাৰ হয়, তেনে মানুহ তেওঁলোকে 'ট্ৰেইনিং' দি ল'ব পাৰিব।

মনলৈ অহা আন এটা ভাব হৈছে—অসমত ‘অসম সাহিত্য সভা’ৰ নিচিনাকৈ কেতিয়াবা এখন ‘অসম অৰ্থনৈতিক সভা’— হ’বনে য’ত ব্যাৱহাৰিক অৰ্থনীতিবিদ, সফল ব্যৱসায়ী, ৰাজনীতিবিদ, প্ৰকৃত সমাজসেৱী আদিয়ে লগ হৈ আমাৰ ভৱিষ্যৎ প্ৰজন্মক সন্ধান দিব নতুন নতুন পথৰ, যি পথেৰে গৈ তেওঁলোকে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ’ব আৰু দুখুনী অসমী আইক সোণৰ কৰিব নোৱাৰিলেও সুখৰ কৰি বিশ্ব দৰবাৰত চিনাকি কৰি দিব পাৰিব। ❑

**Agriculture & Hotel Management:**

**Indian Council of Agricultural Research ICAR AIEEA-UG-PG**
Purpose-Admission in Bachelor, Master Degree Program,
SRF (PGS) to Pursuing Ph.D in Agriculture and
Allied Sciences at Agricultural Universities
Eligibility-Class 12, UG, PG
Application mode - Online
Source: www.icar.org.in/

**All India Hotel management Entrance Exam NCHMCT JEE**
Purpose-Admission in B.Sc. Hospitality & Hotel Administration
Eligibility-Class 12
Application mode - Online
Source: www.ncbmct.org/

[ ২৫ ]

# অসমৰ শিক্ষিত নিবনুৱা সমস্যা আৰু ব্যৱসায়

প্ৰবন্ধটোৰ আৰম্ভণিতে মই কৃতজ্ঞতা জনাব বিচাৰিছো শ্ৰীযোগেশ শৰ্মাদেৱলৈ, অশীতিপৰ যিজন মানুহ অসমৰ মুদ্ৰণ ব্যৱসায়ৰ লগত জড়িত এজন অগ্ৰণী ব্যৱসায়ী। তেখেতৰ দেউতাক ডাক্তৰ আছিল যদিও সৰুৰেপৰা স্বাধীনমনা মানুহজনে আজিৰপৰা প্ৰায় ৬০ বছৰ আগতে বি.এ. পাছ কৰি নলবাৰীৰ পৰা গুৱাহাটীলৈ ঢাপলি মেলিছিল কিবা এটা স্বাধীনচিতীয়া ব্যৱসায় কৰাৰ সপোন চকুত লৈ।

গুৱাহাটীলৈ আহি তেখেতে দুবছৰমান অসম চৰকাৰৰ টেক্সটাইল আৰু উইভিং বিভাগত চাকৰিও কৰিছিল। বি.এ. পাছ মানুহ এজনৰ বাবে সেই সময়ত চৰকাৰী চাকৰিৰ অভাৱ নাছিল। কিন্তু চৰকাৰী চাকৰিৰ আৰামী আৰু নিষ্ক্ৰিয় জীৱনটোৱে মানুহজনক দুবছৰমানতে আমুৱাই পেলালে। স্বইচ্ছাই চাকৰি বাদ দি ব্যৱসায়লৈ গ'ল আৰু আৰম্ভ কৰিলে তাঁতশালৰ লগত জড়িত বোৱা-কটা সামগ্ৰীৰ ব্যৱসায়। পিছলৈ তেখেতে আৰম্ভ কৰিলে শৰাইঘাট প্ৰিন্টাৰ্ড, গুৱাহাটী ক্লাবৰ কাষত। মনৰ উদ্যম,

সততা, নিষ্ঠা, কোনো ভাল কাম কৰিবলৈ লাজ, ভয়, শংকা নকৰা পৰিশ্ৰমী মানুহজনে দোপদোপে আগবাঢ়িবলৈ ধৰিলে।

এটা সময় আছিল যেতিয়া অসমৰ মুদ্ৰণ জগত আৰু যোগেশ শৰ্মা এটা মুদ্ৰাৰে ইপিঠি সিপিঠি স্বৰূপ[২৬] আছিল। কৰ্মনিষ্ঠাৰে তেখেতে ব্যৱসায়ৰ প্ৰসাৰ ঘটাই শৰাইঘাট প্ৰিণ্টাৰ্ছৰ উপৰিও শৰাইঘাট অফছেট, শৰাইঘাট ফটো টাইপছ আদি বিভিন্ন ব্যৱসায়িক অনুষ্ঠানৰ জন্ম দিলে, নিজৰ ভাই, ভতিজা, ভাগিন আদিৰ বাহিৰেও অজস্ৰ অসমীয়া নিবনুৱা যুৱকক সংস্থাপন দিলে।

এতিয়াও বামুণীমৈদামৰ ঔদ্যোগিক পামলৈ সদায় অহা ব্যৱসায়ীজন অলপ হতাশাগ্ৰস্ত। নিজৰ বাবে নহয়, অসমৰ শিক্ষিত নিবনুৱা যুৱক- যুৱতীসকলৰ বাবে। অলপতে গুৱাহাটীৰ পৰা প্ৰকাশিত দুই-এখন কাকতত মই লিখা দুই-এটা প্ৰবন্ধ পঢ়ি তেখেতে ক'লে, "তুমি ভাল লাইন এটাত লিখা-মেলা আৰম্ভ কৰিছা—অসমৰ নিবনুৱা যুৱক-যুৱতীৰ ভৱিষ্যৎ সংস্থাপনৰ দিহা-পৰামৰ্শ দি। পাৰিলে ব্যৱসায়ৰ সম্পৰ্কেও এটা লিখিবা। অসমীয়া যুৱক-যুৱতীয়ে ব্যৱসায় কৰিবলৈ কিয় আগবাঢ়ি নাহে বুজি নাপাও, সকলোকে কেৱল চৰকাৰী চাকৰিহে লাগে।"

তলৰ লিখাখিনি সেই অশীতিপৰ, দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈয়ো সদায় নিজৰ ব্যৱসায়স্থলীলৈ আহি কাম কৰি থকা মানুহজনৰ লগত হোৱা কথা-বতৰাৰে ফছল। এইখিনি পঢ়ি দুই-এক শিক্ষিত অসমীয়া নিবনুৱা যুৱক-যুৱতীও যদি ব্যৱসায়লৈ আগবাঢ়ে তেন্তে মানুহজনেও শান্তি পাব আৰু আমিও লিখনিটো সাৰ্থক হোৱা বুলি সন্তোষ লাভ কৰিম।

সৰুৰেপৰা শুনি থকা শ্লোক এটাত কোৱা হৈছে—

বাণিজ্যে বসতি লক্ষী তদৰ্দ্ধং কৃষি কৰ্ম্মণি
তদং ৰাজসেৱায়াং ভিক্ষায়াং নৈব নৈব চ।

অৰ্থাৎ, ব্যৱসায়-বাণিজ্যত লক্ষ্মী বাস কৰে, অৰ্থাৎ সেই পথেৰে প্ৰচুৰ ধন আহে; কৃষিকৰ্মৰ যোগে তাৰ আধা ধন উপাৰ্জন হয়। ৰজাঘৰৰ সেৱাযোগে তাৰো আধা উপাৰ্জন হয়; কিন্তু ভিক্ষাবৃত্তিৰ দ্বাৰা তেনে উপাৰ্জন কেতিয়াও নহয়।

আমাৰ ভাৰতবৰ্ষৰে যি কেইখন আৰ্থিকভাৱে স্বচ্ছল প্ৰদেশ আছে সেইকেইখনলৈয়ো লক্ষ্য কৰিলে দেখা যায় যে তেওঁলোকৰ স্বচ্ছলতাৰ মূল কাৰণটো ব্যৱসায়-বাণিজ্য। সেই ঠাইৰ যুৱক-যুৱতী[২৭]সকলে চৰকাৰী চাকৰিৰ পৰিৱৰ্তে ব্যৱসায়-বাণিজ্যৰ ওপৰতহে বেছি গুৰুত্ব দিয়ে। এই মুহূৰ্তত আমি এই কথাটো স্পষ্ট কৰিব বিচাৰো যে আমি টকা- পইছাকে সৰ্বস্ব বুলি বুজাব খোজা নাই। কিন্তু বৰ্তমান পৃথিৱীত এটা কথা অনস্বীকাৰ্য যে আৰ্থিকভাৱে শক্তিশালীসকলেই সকলো পিনে শক্তিশালী হয় আৰু প্ৰতিপত্তি বিস্তাৰ কৰে; গতিকে আমি আমাৰ ৰাজ্যখনক শক্তিশালী ৰূপত

উপস্থাপন কৰিবলৈ হ'লে ৰাজ্যখনক আৰ্থিক দিশত টনকিয়াল কৰিবই লাগিব। লগতে এইটো কথাও অনস্বীকাৰ্য যে যিমানেই ৰাইজৰ বাবে চিন্তা কৰা চৰকাৰ নাহক কিয়, সকলো নিবনুৱাকে চৰকাৰী চাকৰি দিব পৰাটো সম্ভৱ নহয়। কোনোবাই যদি তেনে প্ৰতিশ্ৰুতি দিয়েও আমাৰ দৃষ্টিত সেয়া নিৰ্বাচনৰ আগত ভোট গোটোৱাৰ কৌশলহে মাথোঁ। গতিকে আমাৰ দৃষ্টিত ৰাজ্যৰ এচাম শিক্ষিত নিবনুৱাই নিজৰ বাবে, ৰাজ্যৰ আৰ্থিক উন্নতিৰ বাবে ব্যৱসায়-বাণিজ্যত হাত দিয়াৰ বাহিৰে গত্যন্তৰ নাই।

বিভিন্ন সময়ত ৰাজ্যৰ শিক্ষিত নিবনুৱা ডেকা-গাভৰু আৰু তেওঁলোকৰ অভিভাৱকৰ লগত কথা পাতি ব্যৱসায় আৰম্ভ কৰিবলৈ উপদেশ দিলেই কেইটামান প্ৰশ্নৰ সন্মুখীন হোৱাৰ অভিজ্ঞতা আমাৰ হৈছে।

প্ৰথমটো হৈছে ব্যৱসায়েই যদি কৰিব লাগে তেন্তে ইমান পঢ়া-শুনাৰ কি দৰকাৰ আছিল? মেট্ৰিকটো পাছ কৰিয়েই কৰিব পাৰিলেহেঁতেন। দেখোন?

আমাৰ উত্তৰ হৈছে বিদ্যা অৰ্জনৰ একমাত্ৰ লক্ষ্য এটা চাকৰি হোৱাটো উচিত নহয়। বিদ্যা অৰ্জনে আমাক ভৱিষ্যতে এক পৰিশীলিত জীৱন যাপনৰ বাবে, ভৱিষ্যতে আহিব পৰা সমস্যাবোৰ যুক্তিপূৰ্ণভাৱে ফহিয়াই লৈ কেনেকৈ সমাধান কৰিব পাৰি তাৰ বাবে এক ৰাস্তা দেখুৱায়। বৰ্তমানৰ ভাৰতবৰ্ষৰ বহু আগশাৰীৰ ব্যৱসায়ী আকৌ বিদেশৰ উচ্চ ডিগ্ৰীধাৰী। সেই উচ্চ শিক্ষাই তেওঁলোকৰ ব্যৱসায়ৰ ক্ষেত্ৰত বাধাৰ প্ৰাচীৰ হোৱাৰ পৰিৱৰ্তে ব্যৱসায়ৰ সম্প্ৰসাৰণ ঘটোৱাত, নতুনত্ব অনাতহে সহায় কৰিছে। তদুপৰি এটা কথা সত্য যে যিকোনো ব্যৱসায় এটা এজন নিৰক্ষৰ অথবা কম পঢ়া-শুনা মানুহে যি ধৰণে কৰিব, উচ্চ শিক্ষিত এজনে নিশ্চয় অলপ বেলেগ ধৰণে, ভাল ধৰণে কৰিব। দুই[২৮] এটা ব্যতিক্ৰম অৱশ্যেই ওলাব, সেইটো নুই কৰিব নোৱাৰি। আচলতে ব্যৱসায়-বাণিজ্যৰ সফলতাৰ বাবে শিক্ষাৰ খুবেই দৰকাৰ।

সঘনাই উত্থাপিত হোৱা দ্বিতীয় কথাটো হৈছে ব্যৱসায়ৰ বাবে ধন- বিত ক’ত পাম, আমাৰ ঘৰৰ অৱস্থা ইমান ভাল নহয়।

আমাৰ উত্তৰ হৈছে বহিঃৰাজ্যৰপৰা আহি অসমত ডাঙৰ ডাঙৰ ব্যৱসায় আৰম্ভ কৰা সকলোৱে ঘৰৰ পৰা অজস্ৰ টকা-পইচ্ছা আনি ইয়াত ব্যৱসায় খুলিছে নেকি? নিশ্চয়কৈ নহয়। তেওঁলোকে জানে কেনেকৈ এটা ব্যৱসায়ভিত্তিক ‘প্ৰজেক্ট’ দাখিল কৰি বিভিন্ন অৰ্থনৈতিক অনুষ্ঠানৰপৰা আৰ্থিক ঋণ লাভ কৰিব পাৰি আৰু তেওঁলোকে তাকেই কৰে। চৰকাৰ তথা বিভিন্ন অৰ্থনৈতিক অনুষ্ঠানৰ আৰ্থিক ঋণবোৰ সম্পৰ্কে কোনো ধৰণৰ সম্যক জ্ঞান নথকা বাবেহে তেনে প্ৰশ্নৰ অৱতাৰণা হয় আমাৰ যুৱক-যুৱতীৰ ক্ষেত্ৰত। সমাধান এটাই—সেই সম্পৰ্কে তেওঁলোকে জ্ঞান আহৰণ কৰিব লাগিব। ইণ্টাৰনেট, অভিজ্ঞ ব্যৱসায়ী, চৰকাৰী চাকৰিয়াল অথবা বিভিন্ন অৰ্থনৈতিক অনুষ্ঠানত কাম কৰা কৰ্মচাৰীসকলৰ ওচৰ চাপি তেওঁলোকৰ পৰামৰ্শ লৈ সেই বাধা তেওঁলোকে হেলাৰঙে পাৰ কৰিব পাৰে।

গতিকে আমাৰ মতে আমাৰ যুৱক-যুৱতীসকলে ভাবি থকা মূলধনৰ অৰ্থনৈতিক সমস্যাটো এটা মনে সজা সমস্যাহে। তাক পাৰ কৰিব পৰা ৰাস্তা তেওঁলোকৰ হাতত আছে।

এই সংক্ৰান্তত উত্থাপিত হোৱা আন এটা প্ৰশ্ন হৈছে—ঠিক আছে, ঋণ লোৱা হ'ল, যদি ব্যৱসায় চলে ঋণ ক'ৰপৰা পৰিশোধ কৰিম?

আমাৰ দৃষ্টিত ইও এটা মনে সজা সমস্যাহে। মানুহৰ জীৱনটোওতো ক্ষন্তেকীয়া। অহাকালিও আমি মৰিব পাৰো, তেন্তে চাকৰি এটানো কিয় লাগে? আমি সকলোৱে আশাত বন্দী, আশা লৈ আগবাঢ়ো। কেইটামান বিশেষ গুণ আহৰণ কৰাৰ লগতে কেইটিমান বিশেষ দিশলৈ সতৰ্ক নজৰ ৰাখিলে আমাৰ মনে কয়, ব্যৱসায় নচলিলে কিদৰে ঋণ পৰিশোধ কৰিম' জাতীয় প্ৰশ্নৰ অৱতাৰণাই নহয়। তলত[২৯]আমি সেইসমূহৰ বিষয়েই এক সংক্ষিপ্ত বৰ্ণনা দাঙি ধৰিবলৈ চেষ্টা কৰিছো। আমি কিহৰ ব্যৱসায় কৰিম? সেইটো নিৰ্ভৰ কৰিব বিভিন্ন কথাৰ ওপৰত যেনে আমি কি কৰি ভাল পাম, কিমান মূলধন খটুৱাব পাৰিম, তাৰ বজাৰ, গ্ৰাহক ওচৰে-পাঁজৰে পাম নে নাই ইত্যাদি। আমাৰ মনে কয় নিজে ভাল পোৱা 'লাইন' এটাত ব্যৱসায় কৰা ভাল কাৰণ তেতিয়া মনঃসংযোগ বেছিকৈ হয়, যিটো ব্যৱসায়ৰ বাবে অতি প্ৰয়োজনীয়। ঘৰত বহি থাকি কি ব্যৱসায় কৰিম তাক নিৰ্ধাৰণ কৰা ভুল, তাৰ বাবেও আচলতে এটা 'পাইলট চাৰ্ভেৰ দৰকাৰ। আমাৰ ল'ৰা-ছোৱালীয়ে বিভিন্ন শিক্ষামূলক ভ্ৰমণৰ সময়ত বাহিৰলৈ যাওঁতে অকল ঠাইসমূহ চাই ফুৰা, কাপোৰ-কানি আদি বজাৰ কৰাৰ লগতে এটি নজৰ ৰাখিব লাগে যে তাৰ যুৱক-যুৱতী সকলে কি কৰি নিজৰ অন্ন-সংস্থাপনৰ বাট মোকলাইছে। আমাৰ মনত সততে নহা অজস্ৰ দিশত ব্যৱসায় হ'ব পাৰে, তাৰ বাবে 'পাইলট চাৰ্ভে আৰু আমাৰ তীক্ষ্ণ নজৰ দৰকাৰী। দুটামান উদাহৰণ দিওঁ। আমাৰ যোৰহাটৰে শ্ৰীলীলা চৰণ দত্তই হেনো মৌজোল বিক্ৰী কৰি বছৰি ২২ লাখমান টকাৰ ব্যৱসায় কৰি আছে, কোনেও হয়তো সপোনতো নেভাবে যে অকল মৌজোলৰপৰা বছৰি ইমান টকাৰ ব্যৱসায় হ'ব পাৰে। এছিয়াৰ এগৰাকী অতি ধনী ব্যক্তি এগৰাকী মহিলা। তেওঁৰ একমাত্ৰ ব্যৱসায় হৈছে ম'বাইলৰ ওপৰত থকা আয়নাখন বনোৱা। মুদ্ৰণ কৰা প্ৰেছত কিতাপ এখন ছপোৱাৰ পিছত তাৰ তিনিটা কাষ অলপ অলপ কাটি দিয়া হয়, সমান কৰি দেখাত ধুনীয়া কৰাৰ বাবে। মুদ্ৰণ ব্যৱসায়ৰ লগত জড়িত মানুহে ইয়াক 'চাতি' দিয়া বুলি কয়। আমাৰ দৃষ্টিত একেবাৰে অলাগতিয়াল, এই সৰু কাগজৰ টুকুৰাবোৰ মুদ্ৰণ প্ৰেছৰপৰা কিনি পুনৰ্ব্যৱহাৰ (Recycle) কৰা ঠাইত বিক্ৰী কৰি লাখপতি হোৱা মানুহো দেখাৰ অভিজ্ঞতা আমাৰ আছে।

ওপৰত আমি কেইটামান উদাহৰণহে দিলো। আমাৰ দৃষ্টিত ধৰা নিদিয়া, একেবাৰে সামান্য বুলি ভবা বিষয়তো যে বৃহৎ ব্যৱসায় গঢ় লৈ উঠিব পাৰে তাৰ বাবে আমাৰ সূক্ষ্ম দৃষ্টি প্ৰয়োজন। আমাৰ যুৱক- যুৱতীসকলে শিক্ষামূলক ভ্ৰমণৰ বাবে যেতিয়া ডাঙৰ ডাঙৰ মহানগৰীলৈ যায়, তাত থকা এক বৃহৎ ব্যৱসায় কেন্দ্ৰলৈ যোৱাটো যদি সেই শিক্ষামূলক ভ্ৰমণৰ এক অংগ কৰি লয় তেন্তে আমাৰ বিশ্বাস যে তেওঁলোকে তেনে বহু ৰাস্তাৰ সন্ধান পাব। ব্যৱসায়ৰ ক্ষেত্ৰখন ভাবি-চিন্তি ঠিক কৰাৰ[৩০]পিছত আমাৰ বোধেৰে যুৱক-যুৱতীসকলে তেনেকুৱা ব্যৱয়াসিক প্ৰতিষ্ঠান এটাত ২/৩ বছৰ কাম কৰিলে বহু লাভবান হ'ব। কাৰণ প্ৰথম দৃষ্টিত ধৰা নপৰা বহু অংগাংগী সমস্যা তথা সেইবোৰ কেনেদৰে সমাধান কৰা হয়, সেই সম্পৰ্কে তেওঁলোকৰ এক ভাল ধাৰণা গঢ় লৈ উঠিব। অৱশ্যে তাৰ

বাবে দৰকাৰ হ’ব নিৰ্লিপ্তভাৱে অকল নিজৰ দায়িত্বখিনি পালন কৰাৰ পৰিৱৰ্তে সকলো বিষয়তে এক চোকা নজৰ ৰখাৰ, যাতে ২/৩ বছৰ পিছত তেওঁলোকে নিজে তেনেকুৱা এক ব্যৱসায় প্ৰতিষ্ঠান গঢ় দিব পাৰে। এইখিনিতে এটা কথা উল্লেখ কৰাৰ দৰকাৰ বোধ কৰিলো। এনেকুৱা ব্যৱসায়ভিত্তিক প্ৰতিষ্ঠানবোৰে খুব ভাল দৰমহা হয়তো নিদিব পাৰে। তাৰ্লৈ খুব মন কাণ নিদি নিজ স্বাৰ্থৰ খাতিৰতে, যি দিয়ে তাকে গ্ৰহণ কৰি কামখিনি ভালদৰে শিকি লোৱাটো আমাৰ দৃষ্টিত বুদ্ধিমানৰ কাম হ’ব। এনে নকৰি হঠাতে নিজে এক ব্যৱসায় আৰম্ভ কৰিলে অসফল হোৱাৰ সম্ভাৱনা বেছি থাকে। মনত ৰাখিব লগা কথা যে ব্যৱসায়-বাণিজ্যৰ বাবে মূলধনতকৈও অভিজ্ঞতাৰহে দৰকাৰ বেছি।

আমাৰ ডেকা-ডেকেৰীসকলৰ মাজত প্ৰচলিত আন এক ভ্ৰান্ত ধাৰণ হৈছে ব্যৱসায়ত সততা নালাগে, সৎ মানুহে ব্যৱসায় কৰিব নোৱাৰে। চকুৰ সন্মুখত ৬০-৪০ৰ ‘খেল’ খেলাসকলহে দোপতদোপে উন্নতি কৰি ‘সফল ব্যৱসায়ী’ হৈছে। আমাৰ দৃষ্টিত সেয়া ‘ব্যৱসায়’ নহয় ‘দালালি’হে। সময়ৰ লগে লগে পৰিৱৰ্তন আহিব, তেওঁলোক কেতিয়া ৰঙা ঘৰৰ আলহী হৈ নিজৰ ‘ব্যৱসায়িক সাম্ৰাজ্য’ৰপৰা বিতাড়িত হয় তাৰ কোনো নিশ্চয়তা নাই। কিন্তু সততা, নিষ্ঠাৰে ব্যৱসায় গঢ়ি তোলা ব্যৱসায়ীয়ে তেনেকুৱা অনিশ্চয়তাত ভূগিব লগা নহয়। ভুকুতে কল পকোৱাৰ চেষ্টা নকৰাই ভাল অৰ্থাৎ অসৎভাৱে কোনেও অতি কম সময়ৰ ভিতৰত ধনী হ’বলৈ চেষ্টা কৰিব নালাগে। সততা, নিষ্ঠাৰে গঢ়ি তোলা ব্যৱসায়ৰপৰা যি মানসিক সন্তুষ্টি পোৱা যাব সেই সন্তুষ্টি অসৎ ব্যৱসায়ীয়ে কেতিয়াও নাপায়। আৰ্থিক দুৰ্নীতিৰ বাবেই অতি সম্পদশালী হৈয়ো আমাৰ ৰাষ্ট্ৰখন আজিলৈ উন্নত দেশৰ শাৰীলৈ উঠিব পৰা নাই। আমাৰ দৃষ্টিত দুৰ্নীতিৰ দ্বাৰা ব্যৱসায় কৰি নিজৰ সম্পদ হোৱাহোৰে বঢ়োৱাতকৈ সততাৰে ব্যৱসায় কৰি নিজৰ লগতে আৰু দহজনৰ অন্ন সংস্থাপনৰ বাট যদি মোকলাই দিব পাৰো সেয়ে হ’ব এক সফল[৩১] ব্যৱসায় আৰু আমাৰ দেশক এক উন্নত দিশে লৈ যোৱাৰ ক্ষেত্ৰত হ’ব আমাৰ অৰিহণা।

ব্যৱসায়ত সফল হ’বলৈ আমাৰ দৃষ্টিত কেইটামান গুণৰ আহৰণ খুবেই আৱশ্যকীয়।

- **আত্মবিশ্বাস** :

নিজে বাচি লোৱা ব্যৱসায়ত সফল হ’ম বুলি প্ৰবল আত্মবিশ্বাস গঢ়ি তুলিব লাগে। বিপদ-বিঘিনি নিশ্চয় আহিব। ব্যৱসায়ত উঠা-নমাও থাকিব কিন্তু আমি পাহৰিব নালাগে—

Our greatest glory lies not in never falling but in rising every time we fall.

- **আগ্ৰহ আৰু সংকল্পবদ্ধতা** :

আগতেই উল্লেখ কৰা হৈছে নিজে ঠিক কৰা ব্যৱসায়টোৰ প্ৰতি আগ্ৰহ থকাটো একান্তই বাঞ্ছনীয়। কাৰণ তেতিয়া সেই বিষয়ত তেওঁ যিমানেই সময় নিদিয়ক কিয় তেওঁ আমনি নাপায়। লগতে লাগিব সংকল্পবদ্ধতা। সমস্যাৰ প্ৰতি পিঠি দিয়াতকৈ তাৰ মুখামুখি হৈ তাক পাৰ কৰাৰ এক দৃঢ় মানসিকতা।

- **পৰিশ্ৰম কৰাৰ আগ্ৰহ** :

যিকোনো ব্যৱসায় আৰম্ভ কৰিলে প্ৰথম অৱস্থাত যথেষ্ট পৰিশ্ৰমৰ দৰকাৰ হয়। সেই পৰিশ্ৰমৰ বাবে কোনো লাজ, ভয় থাকিলে নহ'ব। আমাৰ ভাৰতৰে পাঞ্জাৱী ব্যৱসায়ীসকললৈ মন কৰক। অকল এই গুণটোৰ বাবেই অৰ্থাৎ কোনো ধৰণৰ পৰিশ্ৰম কৰিবলৈ লাজ, ভয় নকৰা বাবেই তেওঁলোকে দোপতদোপে আগবাঢ়ি যাবলৈ সক্ষম হৈছে। আৰম্ভণিতে কঠোৰ পৰিশ্ৰমেৰে সবল ভেটি এটা বনাই ল'লে লাহে লাহে পৰিশ্ৰমৰ পৰিমান কমি আহিব।

- **কৰ্তব্যবোধ, সৎ আচৰণ, সময় জ্ঞান** :

বহুতে ভাবিব পাৰে ব্যৱসায়ত আকৌ এইবোৰ গুণ কিয় লাগে? কিন্তু মনত ৰাখিব লাগিব আমাৰ ব্যৱসায় আমি গ্ৰাহকৰ লগত কৰিম। উপৰোক্ত গুণবোৰে আমাক গ্ৰাহকৰ মাজত জনপ্ৰিয় কৰি তুলিব[৩২] আৰু ব্যৱসায়ৰ প্ৰসাৰত সুন্দৰ অৱদান আগবঢ়াব। গ্ৰাহকৰ লগত সুসম্পৰ্ক এটা গঢ় লৈ উঠিলে ব্যৱসায়ী এজনৰ বাবে গ্ৰাহকৰ মনৰ কথাৰ উমান পোৱাটো সহজ হৈ উঠিব। বিভিন্ন ক্ষেত্ৰত ব্যৱসায়ীজনে গ্ৰাহকৰ পৰাও সজ উপদেশ পাব পাৰে। যিটোৱে তেওঁৰ ব্যৱসায়ৰ প্ৰসাৰণত অৰিহণা যোগাব পাৰে।

- **ব্যৱসায়িক লাভৰ সু-বিনিয়োগ :**

অসমীয়া ব্যৱসায়ী বহুতৰ ক্ষেত্ৰত দেখা যায় যে তেওঁলোকে কিছু লাভান্বিত হৈ পৰাৰ লগে লগে দামী দামী কাপোৰ, সোণৰ চেইন, গাড়ী আদিত সেই ধন খৰচ কৰিবলৈ আৰম্ভ কৰে। আমাৰ দৃষ্টিত ই এক পতনমুখী আচৰণ। ব্যৱসায়ৰপৰা হোৱা লাভৰ এক বুজন অংশ সেই ব্যৱসায়ৰে উন্নতি তথা প্ৰসাৰৰ বাবে বিনিয়োগ একান্তই বাঞ্চনীয়, অন্ততঃ আৰম্ভণি পৰ্যায়ত।

- **সফল, সৎ ব্যৱসায়ীৰ লগত সুসম্পৰ্ক :**

সফল, সৎ ব্যৱসায়ীৰ দ্বাৰা লিখা কিতাপ পঢ়া আৰু পাৰিলে তেওঁলোকৰ লগ হৈ কথা-বতৰা পাতি তেওঁলোকৰ দ্বাৰা অনুপ্ৰেৰিত হোৱাটোও খুবেই দৰকাৰী। তেনে কৰিলে মনত কেতিয়াও ঋণাত্মক দৃষ্টিভংগীয়ে খোপনি পুতিব নোৱাৰে, আত্মবিশ্বাসৰ অভাৱ নঘটে আৰু ইয়েই আমাক এজন সৎ তথা সফল ব্যৱসায়ী হোৱাত প্ৰভূত বৰঙণি যোগাব।

ওপৰত উল্লেখ কৰা কথাবোৰ যে অকল সফল ব্যৱসায়ী হ'বলৈহে দৰকাৰ তেনে নিশ্চয় নহয়। আমি যি বৃত্তিয়েই নলওঁ কিয় সকলোৰে বাবে দৰকাৰী। কিন্তু ৬০-৪০ৰ 'খেলা'ই ব্যৱসায়ৰ মূল কথা বুলি প্ৰচলিত এক ভ্ৰান্ত ধাৰণাই আমাৰ সমাজত তথা যুৱক-যুৱতীৰ মাজত খোপনি পুতি বহা বাবেই এইখিনি কথা লিখিবলগীয়া হ'ল।

শেষত ইয়াকে কৈ সামৰিবলৈ ওলাইছো, সাঁতোৰা সম্পৰ্কে যিমানেই তাত্বিক কথা নপঢ়ো কিয়, আলোচনা নকৰো কিয়, পানীত নানামিলে সাঁতুৰিব নোৱাৰি। সেয়ে আমাৰ যুৱক-যুৱতীলৈ এক আকুল আহ্বান—কথাবোৰ গমি-পিতি লৈ ব্যৱসায়ৰ ক্ষেত্ৰত নামি যোৱা, সততা, নিষ্ঠা, পৰিশ্ৰম আদিক মূলধন হিচাপে লৈ, সফলতা নিশ্চয় আহিব। আমি

এই[৩৩] ক্ষেত্ৰত নিশ্চিত। ❑

# মোৰ সপোনৰ
# 'অসম অৰ্থনৈতিক সভা'খন

বৰ্তমান অসমৰ ৰাজ্যভাষা অসমীয়া। পিছে এক দুঃসময় আহিছিল যেতিয়া অসমৰ ৰাজ্যভাষাৰ স্থানৰপৰা অসমীয়া ভাষা স্থানচ্যুত হ'বলগীয়া হৈছিল। সেই সময়তে অসমী আইৰ কেইজনমান সুসন্তানে অসমীয়া ভাষাৰ হেৰোৱা মৰ্যাদা ঘূৰাই আনিবলৈ জন্ম দিলে অসম সাহিত্য সভাৰ (অসমীয়া ভাষা উন্নতি সাধিনী সভা)। তেখেতসকলৰ অহোপুৰুষাৰ্থতেই অসমীয়া ভাষাই হৃত গৌৰৱ ঘূৰাই পালে। অসমীয়া ভাষাৰ বৰ্তমান অৱস্থানৰ বাবে অসম সাহিত্য সভাৰ আৰম্ভণি সদস্য-সদস্যাসকলৰপৰা তেখেতসকলৰ উত্তৰসূৰী প্ৰজন্মৰ ওচৰত অসমীয়া জাতি নিশ্চয় কৃতজ্ঞ থাকিব লাগিব।

অতীতৰ কথাখিনি দোহৰাৰ প্ৰয়োজনবোধ এই কাৰণেই কৰিলোঁ যে ওপৰোক্ত দুঃসময় অতিক্ৰমি অসমীয়া ভাষা ফলে-ফুলে জাতিষ্কাৰ হোৱাত অসম সাহিত্য সভাৰ যি বৃহৎ অৱদান সেইখিনি সকলোৰে দৃষ্টিগোচৰ কৰোৱা। যোৱা কেইবছৰমান যদিও অসম সাহিত্য সভা সম্পৰ্কে বিভিন্ন ঋণাত্মক বাতৰি ওলাইছে, তথাপিও এই অনুষ্ঠানটোৱে অতীতত যোগোৱা যোগাত্মক বৰঙণিখিনি পাহৰি গ'লেও আমি[৩৪] অকৃতজ্ঞ হোৱা হ'ব। বৰ্তমানৰ অসমীয়া ভাষাৰ স্থান হয়তো প্ৰায়বোৰ আধুনিক ভাৰতীয় ভাষাৰ তুলনাত বৰ বেছি পিছপৰা ধৰণৰ নহয়। অৱশ্যে সেই সম্পৰ্কে মন্তব্য দিবলৈ আমি কোনো ভাষাবিদ নহওঁ। এয়া আমাৰ এক ধাৰণাহে।

একে ধৰণে কিছু বৰেণ্য ব্যক্তিৰ তৎত্বাৱধানত অসমীয়া সংগীত, নাটক, নাচ আদিয়ে জয়ধ্বজা উৰুৱালে। মুঠ কথাত আজিৰ সময়ত সাহিত্য-সংস্কৃতিৰ দিশত অসম সৰ্বোৎকৃষ্ট নহ'লেও, দলিয়াই পেলাবলগীয়াও যে নহয় সেই সম্পৰ্কে আমাৰ কোনো সন্দেহ নাই। বৰঞ্চ হিন্দী বলয়ৰ কেইবাখনো ৰাজ্যৰ তুলনাত সাহিত্য-সংস্কৃতি, আচাৰ- ব্যৱহাৰ আদিৰ ক্ষেত্ৰত অসমখন পিছপৰা বুলি মুঠেই মনে নধৰে।

পিছে সমস্যাটো হৈছে বৰ্তমান যুগত এটা জাতিয়ে অকল সাহিত্য- সংস্কৃতি, আচাৰ-ব্যৱহাৰৰ জোৰতেই দপদপাই থাকিব পাৰে জানো? আমাৰ দৃষ্টিত বৰ্তমানৰ পৃথিৱীখনত তাৰ লগতেই আন এক

শক্তিও অপৰিহাৰ্য। সেয়া হৈছে অৰ্থনৈতিক শক্তি। এই কথাটোতো আমাৰ কোনো সন্দিহান নাই যে এই দিশটোত আমি কিন্তু ভাৰতবৰ্ষৰ প্ৰায়বোৰ ৰাজ্যতকৈ পিছপৰি ৰৈছোঁ। অৰ্থনৈতিক অনগ্ৰসৰতাই আওপকীয়াকৈ আন অজস্ৰ সমস্যাৰ সৃষ্টি কৰে। চুৰি-ডকাইতি, সন্ত্ৰাসবাদ, বিচ্ছিন্নতাবাদ, বলপূৰ্বক ধন আহৰণ, অপহৰণ আদি এশ এটা সমস্যা এই অৰ্থনৈতিক অনগ্ৰসৰতাৰেই ফলশ্ৰুতি যেন লাগে, যিবোৰ আমাৰ মুলুকত সঘনাই ঘটি থকা ঘটনাত পৰিণত হৈছে। ইয়াৰ পৰিণতি স্বৰূপে চৰকাৰ তথা প্ৰশাসন যন্ত্ৰয়ো নিজকে আইন-শৃংখলাজনিত কথাবোৰতেই ব্যস্ত ৰাখিবলগীয়া হয়, সামাজিক উন্নতিকৰণৰ কামবোৰত মন দিবলৈ সময়ৰ অভাৱ হয়।

সমস্যা এটা দৃষ্টিগোচৰ কৰিলেই বা কৰালেই সমস্যাৰ ওৰ নপৰে। সমস্যাৰপৰা পৰিত্ৰাণৰ উপায় বিচৰাও আমাৰেই দায়িত্ব। সমস্যাটো তথা তাৰপৰা পৰিত্ৰাণৰ বিষয়ে চিন্তা-চৰ্চা কৰাত যিখিনি কথা মনলৈ আহিল তাকেই ৰাইজৰ আগত বিচাৰৰ বাবে দাঙি ধৰাই এই প্ৰবন্ধৰ উদ্দেশ্য।

প্ৰবন্ধটিৰ আৰম্ভণিতে অবতাৰণা কৰা অতীত ৰোমন্থনতে আমি সমস্যা সমাধানৰ এক আশা দেখোঁ। যিদৰে অসমীয়া ভাষাৰ দুৰৱস্থাৰ সময়ত অসম সাহিত্য সভাই এক সঞ্জীৱনী সুধা প্ৰদান কৰি ভাষাটোৰ হৃত গৌৰৱ উদ্ধাৰ কৰিছিল, সেইদৰে হয়তো আমাৰ আৰ্থিক অনগ্ৰসৰতাৰ বিভিন্ন কাৰণবোৰ চালি-জাৰি চাই তাৰ প্ৰতিকাৰৰ বিভিন্ন উপায়ৰ সন্ধানৰ বাবে আমি জন্ম দিব লাগিব আন এক সভাৰ— যাৰ নাম হ'ব 'অসম অৰ্থনৈতিক সভা'। অসম সাহিত্য সভাই যিদৰে নিজৰ লক্ষ্য কৰি লৈছিল 'চিৰ চেনেহী মোৰ ভাষা জননী' সেইদৰে অসম অৰ্থনৈতিক সভাৰ লক্ষ্য হ'ব 'অৰ্থনৈতিকভাৱে স্বচ্ছল অসম, শান্তিৰ অসম, সুখৰ অসম'। কোনোবাই হয়তো প্ৰশ্নৰ অৱতাৰণা কৰিব পাৰে—অকল আৰ্থিক স্বচ্ছলতাই সুখ, শান্তি আনিব পাৰে জানো? আমিও মানি লওঁ কথাটো, কিন্তু আমাৰ আজিৰ আলোচনাত সেই কথা আনি পথচ্যুত, লক্ষ্যভ্ৰষ্ট হ'ব খোজা নাই।

কিনো কৰিব এই অসম অৰ্থনৈতিক সভাখনে? আমাৰ দৃঢ় বিশ্বাস লাখৰ ঘৰত নহ'লেও নিশ্চয় হাজাৰৰ ঘৰত তেনে অসমপ্ৰেমী ওলাব যি অসমৰ বিভিন্ন স্থানত—আনকি বিদেশতো অকলে অকলে চিন্তামগ্ন হৈ দুখী হৈ আছে জাতিটোৰ বাবে, ভৱিষ্যৎ প্ৰজন্মৰ বাবে অৰ্থনৈতিক দিশত কিবা এটা কৰিব পাৰি নেকি জাতীয় কথা ভাবি। সমভাবাপন্ন অন্য লোকৰ সঁহাৰি নোপোৱাৰ বাবেই হয়তো কালক্ৰমত তেনে ইচ্ছা, শক্তি নিৰ্বাপিত হৈ গৈছে। গতিকে আমাৰ দৃষ্টিত সেই সমভাবাপন্ন মানুহখিনি এখন মঞ্চত একগোট হ'ব যাৰ নাম হ'ব 'অসম অৰ্থনৈতিক সভা।'

অসম সাহিত্য সভাৰ ৰাজ্যৰ ভিতৰে বাহিৰে শাখা-প্ৰশাখাৰ বৰ্তমান সংখ্যা সম্ভৱতঃ এহেজাৰৰো অধিক। যদি সকলো ঠিকে-ঠাকে হয়, আজিৰপৰা পঞ্চাছ বছৰৰ পিছত আমি অনুৰূপ অৱস্থা এটা হয়তো 'অসম অৰ্থনৈতিক সভা' খনৰ ক্ষেত্ৰতো আশা কৰিব পাৰোঁ।

সভাখনৰ সভ্যসকল কোন হ'ব? আগতেই কৈছোঁ অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাই অন্তৰত পীড়া দিয়া, ভৱিষ্যৎ প্ৰজন্মক নতুন নতুন আৰ্থিক দিশৰ সন্ধান দিব পৰা তথা তেনে দিশত নিজকে সংস্থাপিত কৰিবলৈ যুৱক-যুৱতীচামক প্ৰয়োজনীয় তথ্য তথা দিহা-পৰামৰ্শ দিব পৰা, নিজৰ অৱসৰ

সময়খিনিক জাতিৰ অৰ্থনৈতিক স্বাৰ্থত উৎসৰ্গ কৰিব খোজা যিকোনো নিঃস্বাৰ্থ অসমপ্ৰেমীয়েই এই সভাৰ সভ্য হ’ব পাৰে।

সভ্যসকলৰ কৰ্মকাণ্ড কেনে হোৱা উচিত হ’ব? আমাৰ দৃষ্টিত সভ্যসকলে বিভিন্ন অৰ্থনৈতিক দিশত[৩৬] চিন্তা-চৰ্চা কৰি তাৰ ওপৰত আলোচনা সভা, সজাগতামূলক সভা পতাৰ লগতে নিজৰ নিজৰ অঞ্চলৰ যুৱক-যুৱতীৰ মস্তিষ্কত এটা কথা সুমুৱাই দিব লাগিব—Earn while you learn, অৰ্থাৎ শিকাৰ লগতে উপাৰ্জনো কৰি যোৱা, ধনী হোৱাৰ বাবে নহয়, স্বাবলম্বী হোৱাৰ বাবে। ধন যদি বেছি হয় তেতিয়াহ’লে সমাজৰ উন্নয়নমূলক কামৰ বাবে, বিভিন্ন দাতব্য অনুষ্ঠানৰ বাবে দান দিয়াৰ স্পৃহাও জগাই তোলাৰ চেষ্টা কৰিব পাৰে সভ্যসকলে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত জড়িত বিভিন্ন কলেজৰ পৰিদৰ্শন কৰিবলৈ গৈ এটা কথা অনুভৱ কৰা হৈছে যে বৰ্তমান সময়ত আমাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এক অতি দৰকাৰী কথা হৈছে ‘কেৰিয়াৰ কাউন্সেলিং’। কথাটো অনুভৱ কৰাৰ পিছৰেপৰা নিজেই কেইবাখনো কলেজত সেই বিষয়ে ছাত্ৰ-ছাত্ৰীক কৈ খুব ভাল সঁহাৰি পাইছোঁ। কিন্তু কথাটো হৈছে— ই অকলশৰে কৰা কাম নহয়। যেয়ে যি লাইনত জীৱনৰ এক পৰ্যাপ্ত সময় দি অভিজ্ঞতা আহৰণ কৰিছে, তেনে লোকে সেই বিষয়ত ভাষণ দিলে ছাত্ৰ-ছাত্ৰীসকল অধিক উপকৃত হ’ব। এইখিনিতেই এটা কথা উনুকিয়াই থোৱা ভাল যে আমি তেনে কাম বিশেষকৈ নিজকে যি শিক্ষাগত দিশত ‘দুৰ্বল’ বুলি ভাবে তেওঁলোকৰ বাবেহে বেছিকৈ কৰি আছোঁ কাৰণ যি শিক্ষাগতভাৱে শক্তিশালী তেওঁলোকে বিভিন্ন উৎসৰপৰা লাগতিয়াল কথাখিনি প্ৰায়েই আহৰণ কৰি লয়।

অসম অৰ্থনৈতিক সভাৰ সভ্যসকলে নিজৰ নিজৰ ঠাইত ছাত্ৰ- ছাত্ৰীক টুৰিজিম, বিভিন্ন ব্যৱসায়, ষ্টক এক্সেঞ্জ আদিৰ বিষয়ে প্ৰাৰম্ভিক জ্ঞান দিব পাৰে আৰু তেনে দিশবোৰেৰে আগবাঢ়ি বিশ্ববিখ্যাত হোৱা বিভিন্ন মানুহৰ বিষয়ে কৈ তেওঁলোকক উৎসাহিত কৰিব পাৰে।

এই প্ৰবন্ধটি লিখি থকাৰ মাজতে গুজৰাটৰ এম.এছ. বিশ্ববিদ্যালয়, বৰোদাত অধ্যয়নৰত স্মিতা বৰাৰ (মেইল : smita.p.borah@gmail. com) ফোন পালোঁ। স্মিতাই তাত ‘ফাইনেন্সিয়েল মেথেমেটিক্স’ৰ এম. এছ. চি. ডিগ্ৰীৰ বাবে পঢ়ি আছে। অতি উৎসাহেৰে তেওঁ জনালে যে চলিত বৰ্ষৰে ডিছেম্বৰ মাহৰ আৰম্ভণিতে তেওঁ এটা ‘প্ৰজেক্ট’ৰ বাবে জাৰ্মানীলৈ যাব। লগতে তাৰ বাবে মোক কৃতজ্ঞতাও[৩৭] জনালে। স্মিতাই ইতিপূৰ্বে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা এম.এছ.চি. ডিগ্ৰী আহৰণ কৰি গোলাঘাটৰ ডি. আৰ কলেজত অংশকালীন প্ৰৱক্ত হিচাপে কাম কৰি আছিল। তেওঁৰ জাৰ্মানীলৈ যোৱাৰ প্ৰসংগত মোৰ প্ৰতি কিয় কৃতজ্ঞতা প্ৰকাশ কৰিলে সোধাত তেওঁ ক’লে যে প্ৰায় ৩/৪ বছৰমান আগতে মই ডি. আৰ. কলেজত কেৰিয়াৰ সম্পৰ্কীয় ভাষণ এটা দিয়াৰ পূৰ্বে তেওঁ হেনো নেজানিছিল যে ‘ফাইনেন্সিয়েল মেথেমেথিক্স’ বুলি গণিত শাস্ত্ৰৰ বিভাগ এটা আছে আৰু তেনে ‘কৰ্ছ’ ভাৰতবৰ্ষতে আছে। মোৰ পৰা পোৱা তথ্যৰ আধাৰতে তেওঁ এম. এছ. বিশ্ববিদ্যালয়লৈ আবেদন জনাই, যাৱতীয় কামখিনি সম্পূৰ্ণ কৰি তাত যোগদান কৰিছিল। নতুন পথটি দেখুৱাই দিয়া বাবে তেওঁ কৃতজ্ঞ।

স্মিতাই বৰোদালৈ যোৱাৰ পিছৰেপৰা আমালৈ মাজে-সময়ে ফোন কৰি কথা পাতে। যোৱা বছৰ তেওঁ অহাৰ সময়ত তেওঁৰ হতুৱাই বিশ্ববিদ্যালয়ৰ আমাৰ বিভাগত পঢ়ি থকা ল'ৰা-ছোৱালীখিনিক লগ কৰাই তেওঁৰ অভিজ্ঞতা তথা অনুভৱ সম্পৰ্কে ক'বলৈ ব্যৱস্থাও কৰাই দিছিলোঁ।

কথা প্ৰসংগতে এদিন স্মিতাই কৈছিল যে আমাৰ অসমৰ কিমান মানুহে 'ডিমেট একাউণ্ট' সম্পৰ্কে জানে তেওঁৰ সন্দেহ আছে কিন্তু গুজৰাটৰ শাক-পাচলি বিক্ৰী কৰা তথা তেনেকুৱাজাতীয় কাম কৰা বহুতৰে কিন্তু তেনে একাউণ্ট আছে। গুজৰাট আৰু অসমৰ অৰ্থনৈতিক অৱস্থাৰ তুলনামূলক কথা প্ৰসংগত তেওঁ কথাটোৰ অৱতাৰণা কৰিছিল। কথা প্ৰসংগত স্মিতাই ইয়াকো জনালে যে তেওঁৰ ডিগ্ৰী সম্পূৰ্ণ নহওতেই তেওঁ ইতিমধ্যেই গুজৰাটৰ কেইবাটাও 'কোম্পানী'ৰপৰা চাকৰিৰ বাবে 'অফাৰ' পাইছে।

কেৰিয়াৰ কাউন্সেলিঙৰ কিমান যে দৰকাৰ সেয়া বুজাবলৈকে স্মিতাৰ উদাহৰণটো উল্লেখ কৰাৰ প্ৰয়োজনবোধ কৰিলোঁ।

নিজৰ অভিজ্ঞতাৰপৰা ক'ব পাৰোঁ যে এনেকুৱা কথাখিনি সভ্যসকলে অকল ছাত্ৰ-ছাত্ৰী নহয় তেওঁলোকৰ অভিভাৱক- অভিভাৱিকাকো বুজাব লগা হ'ব কাৰণ আমাৰ অসমৰ অধিকাংশ অভিভাৱক-অভিভাৱকৰ বদ্ধমূল ধাৰণা—ডাক্তৰ, ইঞ্জিনিয়াৰ, এ.চি.এছ., অধ্যাপক আদি নিৰ্দিষ্ট কেইটামান দিশহে আছে, নিজকে উপযুক্তভাৱে প্ৰতিষ্ঠা কৰিবলৈ। সম্ভৱ হ'লে 'অসম অৰ্থনৈতিক সভা'ৰ উদ্যোগত অচিৰেই গঢ় দিব লাগে এখন 'কেৰিয়াৰ কাউঞ্চেলিং ইনষ্টিটিউট'।

আমাৰ খেতিয়কসকলৰ দুৰ্ভাগ্য আনে কেতিয়াবা বানপানীয়ে, আন কেতিয়াবা আকৌ অধিক উৎপাদনে। উৎপাদনৰ ক্ষেত্ৰত হোৱা ব্যয়ো সেই সময়ত বজাৰমূল্য হিচাপে নাপাই বজাৰৰ কাষতে নিজৰ উৎপাদিত সামগ্ৰী পেলাই দিয়া ঘটনাও ঘটে এই ৰাজ্যতে। যদি তেনে ক্ষেত্ৰত তেওঁলোকৰ বাবে 'এক্সপ'ৰ্ট' কৰাৰ সুবিধা থাকিলহেঁতেন তেন্তে তেনে দুৰ্ভগীয়া হ'ব লগা হয়তো নহ'লহেঁতেন। কিন্তু আমাৰ খেতিয়কসকলে নিশ্চয় এক্সপ'ৰ্ট কৰাৰ বাবে কৰিবলগীয়া কামখিনি কৰিবলৈ থাকিবলগীয়া জ্ঞান তথা উপযুক্ত তথ্যসমূহ সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ। 'অসম অৰ্থনৈতিক সভা'ই তেনে ক্ষেত্ৰত আগভাগ লৈ তেওঁলোকক গাইগুটীয়াকৈ নহ'লেও সমবায় ভিত্তিত 'এক্সপ'ৰ্ট লাইচেঞ্চ' উলিয়াবৰ বাবে কৰণীয়খিনি কৰাত সহায় কৰাৰ কথাও ভাবিব পাৰে।

ওপৰত আমি অসম অৰ্থনৈতিক সভাৰ সভ্যসকলে কৰিব পৰা দুই-এটা কথা উনুকিয়ালোহে মাত্ৰ। সকলোৱে লগ হৈ নিজৰ নিজৰ দৃষ্টিভংগী দাঙি ধৰিলে কৰ্মক্ষেত্ৰখন যে বিশাল হৈ পৰিব তাত আমাৰ কোনো সন্দেহ নাই।

কোনো সংকীৰ্ণ স্বাৰ্থ লুকুৱাই নাৰাখি সমূহ সদস্যই যদি নিঃস্বাৰ্থভাৱে, সততাৰে নিজৰ কৰণীয়খিনি কৰে তেন্তে আমি দৃঢ় বিশ্বাসী যে অহা ১০-১৫ বছৰত অসমখন অৰ্থনৈতিকভাৱে আগবাঢ়ি যাব আৰু সাহিত্যৰথী বেজবৰুৱাই লিখি থৈ যোৱা ধৰণে আমিও ক'ব পাৰিম—

বাজক দবা বাজক শংখ।
বাজক মৃদং খোল।
অসম আকৌ উন্নতি পথত
জয় আই অসম বোল। ❑

[৩৯]

# মানৱ সম্পদৰ অপচয় ৰোধ

### এক অৱলোকন

এটা সঁচা ঘটনাৰে লিখনিটোৰ আৰম্ভণি কৰিছো। ঘটনাটো মোক কৈছিল, দিল্লী বিশ্ববিদ্যালয়ত মোৰ একালৰ সহপাঠী মল্লিকা বৰুৱাই। তেওঁ বৰ্তমান 'অইল ইণ্ডিয়া লিমিটেড'ৰ 'চীফ মেনেজাৰ' (এনভাইৰন্‌মেণ্ট)। অফিচ গুৱাহাটীৰ নুনমাটিত। মল্লিকাই দুলিয়াজানত চাকৰি কৰা দিনৰ কথা। তেওঁৰ মহিলা সহকৰ্মী এগৰাকীৰ ছোৱালীয়ে দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত বেয়া কৰিলে, অৰ্থাৎ 'ফেইল' হ'ল। ছোৱালীজনী বাকীবোৰ বিষয়ত ভাল যদিও অংক বুলিলেই বাঘ দেখা দিয়ে। ঘৰত হাহাকাৰ। সকলোৰে আলোচনা আৰম্ভ হ'ল—কি কৰা যায়? মাকৰ মন ডাঠ, ঘোষণা কৰিলে—মই মোৰ ছোৱালীক ভালকৈ জানো, তাই বাকীবোৰ বিষয়ত ভাল, কেৱল অংক নোৱাৰে। গতিকে গণিতৰ পৰিৱৰ্তে অন্য বিষয় লৈ তাই অহাবাৰ আকৌ পৰীক্ষা দিব আৰু ভালকৈ উত্তীৰ্ণ হ'ব। ঘৰৰ বাকীসকল অলপ সন্দিহান আছিল যদিও মাকৰ দৃঢ়তাই সকলোকে মনে মনে ৰাখিলে। মাকৰ অনুপ্ৰেৰণা, সাহসেৰে অনুপ্ৰাণিত হৈ গণিত বিষয়টোক বাদ দি ছোৱালীজনী পিছৰবাৰ আকৌ পৰীক্ষাত বহিল। আৰু মাকৰ কথা সঁচা প্ৰতিপন্ন কৰিলে। জানিবলৈ পাই সুখী হ'ব যে সেই ছোৱালীজনীয়ে পিছত গুজৰাটৰ এখন বিশ্ববিদ্যালয়ৰ পৰা 'ডিগ্ৰী' পাছ কৰি বিৰটিছ চৰকাৰৰ জলপানি লৈ বৰ্তমান ইংলেণ্ডত উচ্চ শিক্ষাত অধ্যয়নৰত হৈ আছে। মনত [৪০] আহিল আইনষ্টাইনৰ এষাৰি অমৰ উক্তি "Everybody is a genious. But if you judge a fish by its ability to climb a tree, it will live its whole life believing that it is a stupid"

ঘটনাটো এই কাৰণেই উল্লেখ কৰাৰ প্ৰয়োজনবোধ কৰিলো যে ছাত্ৰ- ছাত্ৰীৰ ভৱিষ্যৎ গঢ়াত অভিভাৱকৰো যথেষ্ট দায়িত্ব থাকে। অকল খোৱা- বোৱা, টিউচন ফিজখিনি দিলেই আমাৰ দায়িত্ব শেষ নহয়। আমাৰ সন্তানৰ দুৰ্বলতা ক'ত, বুযৎপত্তি কিহত আছে তাত চকু দি সেই পথেৰে আগবঢ়াই দিয়াত অভিভাৱক হিচাপে আমাৰ গধুৰ দায়িত্ব আছে।

মল্লিকাই সেই মাতৃ আৰু তেওঁৰ ছোৱালীৰ নাম মোৰ আগত ব্যক্ত কৰা নাই। কিন্তু সন্তানৰ বিপদৰ সময়ত গালি-শপনি নাপাৰি, মনোবল যোগাই জীৱন যুদ্ধত জীয়ৰীক আগবঢ়াই দিয়া সেই 'অনামিকা' মাতৃলৈ মোৰ হিয়াভৰা অভিনন্দন যাচিলো।

স্বামী বিবেকানন্দয়ে কৈছিল— Each soul is potentially divine. অৰ্থাৎ প্ৰত্যেক আত্মাতে এক ঐশ্বৰিক শক্তি লুকাই আছে।

ব্যাৱহাৰিক ক্ষেত্ৰত আমি কথাটো এনেকৈয়ো ল'ব পাৰো যে ভগৱানে প্ৰত্যেকজন ব্যক্তিকে কিবা ক্ষেত্ৰত এক বুযৎপত্তি দিছে আৰু সেই বিশেষ বুযৎপত্তিৰ অংকুৰণ ঘটাই সমাজৰ বাবে ধনাত্মকভাৱে প্ৰয়োগ কৰাটো হ'ব লাগে প্ৰকৃত শিক্ষাৰ উদ্দেশ্য। এনে শিক্ষাই ব্যক্তিবিশেষ তথা সমাজ দুয়োকে লাভানিবত কৰে আৰু ইয়েই পৰিশেষত এখন দেশ উন্নত। দেশ হোৱাত প্ৰভূত বৰঙণি যোগায়।

স্বামীজীয়ে স্থানান্তৰত কৈছিল— যি শিক্ষাই এজন মানুহক নিজৰ ভৰিত থিয় দিবলৈ সহায় নকৰে, সৎ ভাবে জীয়াই থাকি নিজৰ তথা দেশৰ উন্নতিৰ বাবে বৰঙণি যোগোৱাত সহায় নকৰে সেই শিক্ষা প্ৰকৃত শিক্ষা হ'বই নোৱাৰে। মনত প্ৰশ্ন জাগে, আমাৰ শিক্ষা পদ্ধতি সেই ধৰণে চলিছেনে? ইংৰাজসকলে পৰাধীন ভাৰতত শিক্ষা বিস্তাৰ কৰিছিল মূলতঃ কেৰাণী, মহৰী সৃষ্টি কৰিবলৈ, যিসকলে তেওঁলোকক শাসন চলোৱাত সহায় কৰিব পাৰে। ইংৰাজ যোৱাৰ পিছতো সুদীৰ্ঘ কাল আমাৰ সাধাৰণ শিক্ষা পদ্ধতিত বিশেষ পৰিৱৰ্তন নহ'ল। অৱশ্যে এই ক্ষেত্ৰত আমি আই. আই. টি. আই. আই. এছ. চি.[৪১], বিভিন্ন স্বাস্থ্য আৰু প্ৰযুক্তিগত শিক্ষানুষ্ঠানকে ধৰি উচ্চতৰ শিক্ষানুষ্ঠানসমূহক সামৰি লোৱা নাই। আমি প্ৰচলিত আন শিক্ষানুষ্ঠান আৰু শিক্ষা ব্যৱস্থাৰ বিষয়েহে আলোচনা কৰিবলৈ গৈছো।

আমাৰ শিক্ষা পদ্ধতিত কোনজন ছাত্ৰ বা ছাত্ৰীৰ কি বিশেষ ক্ষেত্ৰত বুযৎপত্তি আছে তাক উলিয়াই লৈ তেওঁক সেই বিশেষ ক্ষেত্ৰত আগুৱাই লৈ যোৱাৰ কোনো বিশেষ ব্যৱস্থা আমাৰ এতিয়ালৈ চকুত পৰা নাই। উদাহৰণ স্বৰূপে মেট্ৰিক পৰীক্ষাৰ দেওনা পাৰ হ'বলৈ অক্ষম হোৱা এক বুজন পৰিমাণৰ ছাত্ৰ-ছাত্ৰী অকৃতকাৰ্য হোৱা দেখা যায় দুটা প্ৰধান বিষয়ত। এটা হৈছে গণিত আৰু আনটো ইংৰাজী। এইসকল ছাত্ৰ-ছাত্ৰীৰ প্ৰতি এক সামাজিক ধাৰণা পোষণ কৰা হয় যে তেওঁলোক কোনো কামৰ যোগ্য নহয়। অৱশ্যে ৰাজনীতিৰ ক্ষেত্ৰত কথাটো সুকীয়া। এনেকুৱা এক সামাজিক ধাৰণাই এই কুমলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মনোবল ভাঙি পেলায়। লাহে লাহে সমাজৰ এই বিৰূপ দৃষ্টিভংগীয়ে তেওঁলোকৰ মনত এক ক্ষোভ তথা আন আন ঋণাত্মক দৃষ্টিভংগীৰ সৃষ্টি হোৱাত সহায় কৰে। ইয়াৰ সুবিধা লয় অসামাজিক তথা দেশদ্ৰোহী শক্তিয়ে। তেওঁলোকক ধন- বিত নাইবা আন সুবিধাৰ যোগান ধৰি তেওঁলোকৰ দ্বাৰা অসামাজিক বা দেশ বিৰোধী কাৰ্য সংঘটিত কৰায় এইচাম অপশক্তিয়ে। ফলত আমাৰ সমাজ আৰু দেশত বহু সমস্যাই দেখা দিয়ে আৰু দেশ পশ্চাগামী হয়। লগতে আমি বহু মানৱ সম্পদৰ অপচয়ৰ সন্মুখীন হওঁ, যিখিনিয়ে হয়তো সমাজ আৰু দেশৰ প্ৰতি বহু ধনাত্মক বৰঙণি দিব পাৰিলেহেঁতেন বিভিন্ন ক্ষেত্ৰত। আমি পাহৰি যোৱা উচিত নহয় যে বৰ্তমান বিশ্ববৰেণ্য ব্যক্তি বিল্ গেট্চ, ষ্টিভ্ জব্চৰ নিচিনা বহুতো, তেওঁলোকৰ নিজৰ দেশৰ স্কুল বা কলেজ ড্ৰপ আউট' আছিল। প্ৰচলিত শিক্ষাৰ প্ৰতি যদিও তেওঁলোকৰ অনীহা আছিল, তেওঁলোকৰ ভিতৰত অফুৰন্ত কৰ্মশক্তি আৰু অন্য বুযৎপত্তি আছিল যিয়েই তেওঁলোকক এদিন খ্যাতিৰ শীৰ্ষত আৰোহণ কৰাইছিল তেওঁলোকৰ ধনাত্মক কৰ্মৰাজিৰ বাবে। আমাৰ দেশত কিন্তু এনে উদাহৰণ সতকাই দেখা পোৱা নাযায় ক্ৰিকেট, চিনেমা[৪২] আদি ক্ৰীড়া আৰু মনোৰঞ্জনৰ জগতক বাদ দি। এতিয়া কথা হৈছে যিখিনি ছাত্ৰ-ছাত্ৰীক গণিত আৰু ইংৰাজীত (বিশেষকৈ) অকৃতকাৰ্য হোৱাৰ বাবে আমাৰ সমাজ তথা শিক্ষা ব্যৱস্থাই তেওঁলোক কোনো কামৰ যোগ্য নহয় বুলি এক ধাৰণা কৰি লয় সেয়া সঁচানে? আমি নিশ্চিত যে ইয়াৰে বেছিভাগৰে বেলেগ বেলেগ বিষয়ত যেনে— খেলা-ধূলা, গানবাজনা অথবা অন্যান্য সুকুমাৰ কলা

নাইবা অন্য হাতৰ কাম যেনে, বাঁহ-বেতৰ কাম কৰা, মেচিন আদি ঠিক কৰা ধৰণৰ বুযৎপত্তি আছিল যিটো চিহ্নিত কৰাৰ কোনো ব্যৱস্থা আমাৰ শিক্ষা ব্যৱস্থাৰ দ্বাৰা কৰা নহ'ল আৰু তেওঁলোকক জীৱন যুদ্ধত 'অসফল' বুলি লেবেল' লগাই দিয়া হ'ল। ভাবিলে আচৰিত লাগে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ ভাষা এটা ভালকৈ আয়ত্ত কৰিব নোৱাৰা বাবে আমি তেওঁলোকক 'অসফল' বুলি গণ্য কৰিলো। এইটো সঁচা যে দেশীয় বা আন্তৰ্জাতিক স্তৰত কিবা কৰিবলৈ ইংৰাজী ভাষাৰ প্ৰাধান্য অনস্বীকাৰ্য আৰু তাৰ জ্ঞান অতিকৈ দৰকাৰী। আমি তেওঁলোকক সেই স্তৰলৈ নিনি ৰাজ্যিক স্তৰতে কিবা কামতটো খটুৱাব পাৰিলো হয়। পৃথিৱীৰ কোনো উন্নত দেশত এনে 'সফলতা-বিফলতা'ৰ মাপকাঠি আছেনে নাই আমি নাজানো। পৃথিৱীৰ বিভিন্ন উন্নত দেশ যেনে—ফ্ৰান্স, জাৰ্মানী, স্পেইন, ৰাছিয়া, চীন আদি দেশত ইংৰাজী নজনাকৈও বহুতেই বহু উচ্চ শিক্ষাগত অহ আহৰণ কৰিছে কাৰণ সেই দেশবোৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ লাগতিয়াল কিতাপসমূহ নিজৰ মাতৃভাষাত পোৱা যায়, যিটো আমাৰ দেশত অতিকৈ বিৰল।

অন্যহাতে আমি অত্যন্ত 'সফল' বুলি স্বীকৃতি দিয়া কিমান ছাত্ৰ- ছাত্ৰীয়ে নিজৰ মাতৃভাষা লিখিব বা পঢ়িব পাৰে সেয়াও আমি নাজানো কিন্তু আমি তেওঁলোকক 'অসফল' বুলি নকওঁ।

একে ধৰণৰ কথা গণিতৰ ক্ষেত্ৰতো খাটে। ভৱিষ্যতে গণিতজ্ঞ নাইবা বিজ্ঞানৰ অথবা প্ৰযুক্তিবিদ্যাৰ ছাত্ৰ-ছাত্ৰী হ'ব নোখোজা এজনৰ কাৰণে গণিতৰ অসফলতা সিমান ধৰিবলগীয়া কথা বুলি মনে নধৰে। আজিৰ কেলকুলেটৰ, কম্পিউটাৰৰ যুগত দৰকাৰী যোগ-বিয়োগ, পূৰণ- হৰণখিনি দে[৪৩]ান তাতেই কৰিব পাৰি। এইখিনিতে আকৌ এবাৰ উনুকিয়াব খোজো যে আমি বিজ্ঞান, প্ৰযুক্তিবিদ্যা, গণিত, ইংৰাজী এইবোৰৰ দৰকাৰ নাই বুলি ক'ব খোজা নাই। দেশ এখন আগবাঢ়িবলৈ হ'লে বিজ্ঞান, প্ৰযুক্তিবিদ্যাৰ অধ্যয়ন তথা গৱেষণা অতিকৈ দৰকাৰী আৰু অনস্বীকাৰ্যভাৱে তাৰ চালিকা শক্তি হ'ব গণিত, ইংৰাজী আদি। কিন্তু আমাৰ প্ৰশ্ন হৈছে গণিত, ইংৰাজী আদিত দুৰ্বলসকল আমাৰ মানৱ সম্পদ নহয় নেকি? সমাজ তথা দেশক আগবঢ়াবলৈ হ'লে আমি সেইখিনি ছাত্ৰ-ছাত্ৰীকো মানৱ সম্পদ হিচাপে লৈ তেওঁলোকৰ কাৰণেও উপযুক্ত শিক্ষা, কাৰিকৰীবিদ্যা উপলব্ধ কৰাব লাগিব যাতে তেওঁলোকে দেশৰ উন্নতিত অৰিহণা যোগাব পাৰে, যাৰ দ্বাৰা তেওঁলোকেও মনত এক সন্তুষ্টি লাভ কৰিব পাৰে আৰু যি তেওঁলোকক সমাজত মূৰ দাঙি সুস্থভাৱে জীয়াই থকাৰ এক অবকাশ দিয়ে।

এইখিনিতে মনলৈ আহে বিশ্ববিশ্ৰুত গণিতজ্ঞ শ্ৰীনিবাস ৰামানুজনৰ কথা। ভাৰতীয় শিক্ষা পদ্ধতিত 'অসফল' ঘোষিত হৈ তেওঁ মাদ্ৰাজৰ কোনো এক কোম্পানীৰ কেৰাণী হ'বলগা হৈছিল পেটৰ ভাতমুঠি উলিওৱাৰ বাবে। স্বনামধন্য ইংৰাজ গণিতজ্ঞ প্ৰফেছৰ হাৰ্ডিলৈ ৰামানুজনে। লিখা চিঠিত হাৰ্ডিয়ে প্ৰতিভাৰ গোন্ধ পালে আৰু তেওঁক ইংলেণ্ডলৈ লৈ গ'ল। তাৰ পিছৰখিনি এক সোণালী অধ্যায়। সেই ৰামানুজনৰে গণিতৰ বহুতো সূত্ৰৰ ওপৰত এতিয়াও বিশ্বৰ বহু প্ৰসিদ্ধ বিশ্ববিদ্যালয়ত গৱেষণা চলি আছে, তেওঁক লৈ চিনেমাও ওলাইছে। আজি সমগ্ৰ ভাৰতবৰ্ষই ৰামানুজনক লৈ গৌৰৱ কৰে আৰু সমগ্ৰ বিশ্বয়ে তেওঁক স্বীকৃতি দিছে এক কালজয়ী, ক্ষণজন্মা, মহান গণিতজ্ঞৰূপে। কিন্তু ভাব হয় প্ৰফেছৰ হাৰ্ডি নথকা হ'লে হয়তো বিশ্বই ৰামানুজনক চিনিয়ে নাপালে হয় আৰু হয়তো

মাদ্ৰাজতে এক অচিন কেৰাণী হিচাপে তেওঁ ইহলীলা সম্বৰণ কৰিলেহেতেন। এয়াও আমাৰ শিক্ষা পদ্ধতিৰ বিফলতা নহয় নে?

এই লিখাৰ মূল উদ্দেশ্যই হৈছে আমি 'দুৰ্বল' বুলি চিহ্নিত কৰা ছাত্ৰ- ছাত্ৰীৰ বাবে কিবা এক ৰাস্তাৰ সন্ধান। তীক্ষ্ণধী বুলি চিহ্নিত হোৱাসকলে নিজৰ নিজৰ ৰাস্তাৰে গৈ দেশে-বিদেশে কিবা কৰি সামাজিকভাৱে[৪৪] প্ৰতিষ্ঠিত হ’ব, সন্তুষ্টি ল'ব আৰু এক সুন্দৰ জীৱন যাপন কৰিব। কিন্তু ‘দুৰ্বল’ বুলি চিহ্নিত কৰাসকলৰ বাবে যদি একো কৰা নহয় তেন্তে আমাৰ ধাৰণা—দেশে কেতিয়াও আগুৱাব আৰু সামাজিক সমস্যাসমূহৰো কোনো সমাধান নহয়।

আমাৰ চিন্তাই ঢুকি পোৱা এক সমাধান হৈছে আই. টি. আই. (ইণ্ডাষ্ট্ৰিয়েল ট্ৰেইনিং ইন্সিটিটিউট) সমূহৰ সম্পূৰ্ণ আধুনিকীকৰণ তথা সবলীকৰণ—আমাৰ বৰ্তমান চলি। থকা আই. টি. আই., পলিটেকনিকসমূহৰ অৱস্থা বৰ ভাল বুলি মনে নধৰে। চৰকাৰে যদি ঠায়ে ঠায়ে এনে নতুন অনুষ্ঠান খোলে আৰু ন-পুৰণি এনে অনুষ্ঠানবোৰৰ আধুনিকীকৰণ কৰে তেন্তে আমাৰ মনে কয় যে আমি এইসকল ছাত্ৰ- ছাত্ৰীৰ বাবে কিবা এটা কৰা হ'ব। এনে শিক্ষানুষ্ঠানবোৰত চৰকাৰে প্ৰৱৰ্তন কৰিব পৰা কিছুমান ততাতৈয়াকৈ মনলৈ অহা পাঠ্যক্ৰম তলত উল্লেখ কৰা ধৰণৰ হ'ব পাৰে। ইয়াৰে কিছু শব্দৰ অসমীয়া প্ৰতিশব্দ মনলৈ নহাত ইংৰাজীতেই ৰখা হ’ল, পাঠকে যেন দায়-দোষ নধৰে।

ক) বাঁহ-বেত, কাঠৰ সামগ্ৰী উৎপাদনৰ প্ৰশিক্ষণ।

খ) কঁহ-পিতল, লোহা, মাটিৰ বাচন উৎপাদনৰ প্ৰশিক্ষণ।

গ) শিপিনী, কাটিং, এম্ব্ৰডাইৰীৰ প্ৰশিক্ষণ।

ঘ) ৰং কৰা, পানীৰ মিস্ত্ৰি, বৈদুযতিক সৰঞ্জাম মেৰামতি কৰা প্ৰশিক্ষণ।

ঙ) টি.ভি., ম'বাইল, চাইকেল, স্কুটাৰ, কম্পিউটাৰ আদি মেৰামতি কৰা প্ৰশিক্ষণ।

চ) ফ্লৰিকালচাৰ, হৰ্টিকালচাৰ সম্বন্ধীয় কামৰ প্ৰশিক্ষণ।

ছ) এগ্ৰি ফাৰ্মিং, পল্টি ফাৰ্মিংৰ প্ৰশিক্ষণ।

জ) ফিচাৰি মেনেজমেন্ট।

ঝ) মাছৰুমৰ খেতিৰ প্ৰশিক্ষণ।

ঞ) হেয়াৰ ড্ৰেচাৰ, বিউটি পাৰ্লাৰৰ প্ৰশিক্ষণ।

ট) ড্ৰাইভিং আৰু তাৰ লগত জড়িত সাধাৰণ মেকানিকেল জ্ঞান আৰু গ্ৰাহকৰ লগত ব্যৱহাৰৰ প্ৰশিক্ষণ।

ঠ) অটম’বাইল ইঞ্জিনিয়াৰিং, মুদ্ৰণ যন্ত্ৰৰ বিষয়ে প্ৰশিক্ষণ।

ড) ফাইন আৰ্টছ, এডভাৰটাইজিং, ডিজাইন, ইটেৰিঅ'ৰ ডেকৰেচন, হোটেল মেনেজমেন্ট, কেটাৰিং সম্বন্ধে[৪৫] প্ৰশিক্ষণ। ঢ) যোগ-প্ৰাণায়াম তথা তাৰ লগত জড়িত বিভিন্ন কৰ্মৰ প্ৰশিক্ষণ।

ণ) টুৰিষ্ট গাইড হোৱাৰ প্ৰশিক্ষণ আৰু তাৰ সহায়ক হোৱাকৈ কোনো ভাষাৰ সাধাৰণ জ্ঞান।

ত) ‘ইণ্ডিজেনাচ নলেজ ছিষ্টেম’ অৰ্থাৎ আমাৰ অসমত ঠাহ খাই থকা বিভিন্ন বনৌষধি সম্পৰ্কে জ্ঞান আৰু তাৰ দ্বাৰা প্ৰাকৃতিক চিকিৎসা কেৰেলাত যেনেদৰে বোকাৰে লেতিয়াই মালিচ দি চিকিৎসা কৰা হয় ইত্যাদি।

থ)  ফিজিঅ' থেৰাপিৰ প্ৰশিক্ষণ। দ)  ৱাটাৰ স্পৰ্টচ্, এডভেন্চাৰাচ স্পৰ্টচ্, অন্যান্য স্পৰ্টচ্ ইত্যাদি।

উপৰোক্ত তালিকাখন পাঠক সমাজে নিজৰ নিজৰ অভিজ্ঞতাৰ ভিত্তিত দীঘলীয়া কৰিব পাৰে। কাৰোবাৰ মনলৈ এই ধাৰণা আহিব পাৰে যে এইবোৰ দেখোন চলিয়েই আছে। কিন্তু চলি থাকিলেও তাক এক সুন্দৰ জীৱন যাপনৰ বাবে জীৱিকা হিচাপে অৱলম্বন কৰিবলৈ কিছু প্ৰশিক্ষণৰ দৰকাৰ হয়। উদাহৰণ স্বৰূপে ইজনে সিজনক দেখি নতুন নতুন ড্ৰাইভাৰ ওলাই আছে কিন্তু তাৰে বেছিভাগেই গ্ৰাহকৰ লগত কেনেদৰে ব্যৱহাৰ কৰিব লাগে, কেনে ভাষা ক'ব লাগে সেই 'চফ্ট স্কিল' সম্পৰ্কে অজ্ঞ। মাটিৰ বাচন, লোৰ বাচন এটা বনালেই নহ'ব, তাৰ যদি 'ফাইন ফিনিচিং' নহয় তেতিয়াহ'লে প্ৰতিযোগিতামূলক বজাৰত বিক্ৰীৰ অযোগ্য পৰিগণিত হৈ জীৱিকাৰ অৱলম্বন হেৰুৱাব। আজিৰ প্ৰতিযোগিতামূলক বিশ্বত অকল হলেই নহ'ব তাক সৰ্বোচ্চ স্তৰলৈ নিয়াৰ নিৰন্তৰ প্ৰয়াস থাকিব লাগিব।

যোৱা দীপাৱলীৰ সময়ত বিভিন্ন উৎসৰ পৰা এক আবেদন আহিছিল—চীন দেশত নিৰ্মিত লাইট ব্যৱহাৰ নকৰি মাটিৰ চাকি ব্যৱহাৰ কৰক। আবেদনটোক ময়ো সমৰ্থন কৰিছিলো কিন্তু একে সময়তে মনলৈ এক প্ৰশ্ন আহিছিল—চন্দ্ৰ, মঙ্গল গ্ৰহলৈ যান পঠিয়াবলৈ লগা প্ৰযুক্তিবিদ্যা আহৰণ কৰা আমাৰ দেশখনেনো তেনে লাইট কম দামত উলিয়াব নোৱাৰেনে? আমি অযোগ্য ঘোষণা কৰা ছাত্ৰ-ছাত্ৰী[৪৬]সকলক প্ৰশিক্ষণ দি তেনে কামত নিয়োগ কৰিলে তেনে আবেদন দেখোন নিদিলেও হয়। আজিৰ 'গ্ল'বেলাইজেচন'ৰ প্ৰতিযোগিতামূলক বজাৰত কথাটো ভাবি চাবলগীয়া যেন লাগিল।

প্ৰশ্ন উঠিব পাৰে, এই অনুষ্ঠানবোৰত প্ৰশিক্ষণ লৈ উঠা ছাত্ৰ- ছাত্ৰীসকলে ক'ত চাকৰি পাব, কি কৰিব? আমাৰ মতে এই ক্ষেত্ৰত চৰকাৰৰ কিছু কৰণীয় আছে। Indian Institute of Entreprenurship বুলি এটা অনুষ্ঠান আছে। এই অনুষ্ঠানটোক চৰকাৰে অধিক সক্ৰিয় কৰি এইসকল প্ৰশিক্ষিত লোকক শিকাব লাগিব কেনেদৰে এটা ব্যৱসায়িক অনুষ্ঠান আৰম্ভ কৰিব পাৰি, তাৰ বাবে অনুজ্ঞাপত্ৰ, অনুদান আদি ক'ত কেনেকৈ পাব পাৰি ইত্যাদি। তদুপৰি সেই ব্যৱস্থাবোৰ স্বচ্ছ, নিকা, সোনকালে হোৱাত চৰকাৰে এক ধনাত্মক ভূমিকা ল'ব পাৰে।

আমাৰ এক সবল বিশ্বাস যে সমাজে আৰু আমাৰ শিক্ষা ব্যৱস্থাই ঘোষণা কৰা এইসকল 'অসফল' ছাত্ৰ-ছাত্ৰীক যিদিনা আমি সুস্থ ভাবে জীয়াই থকাৰ এক অৱলম্বন দিব পাৰিম সেইদিনাৰ পৰা আমাৰ সমাজৰ বহুতো সমস্যা যেনে আতংকবাদীৰ সমস্যা, বিচ্ছিন্নতাবাদীৰ সমস্যা, ধৰ্মীয় সমস্যা, জাতিগত সমস্যা আদিৰ পৰা আমি মুক্তি পাব পাৰিম কাৰণ সমস্যাবোৰ দেখাত বেলেগ বেলেগ হ'লেও সকলোৰে মূল গুৰিটো কিন্তু অৰ্থনৈতিক সমস্যা। অৱশ্যে সকলো স্তৰতে ধন-বিতৰ বাহিৰেও আমাৰ অত্যন্ত জৰুৰী তিনি মূলধন হ'ব লাগিব সততা, আগ্ৰহ আৰু নিষ্ঠা। ❑

| Post Graduation Course | Eligibility |
|---|---|
| MA English | Any degree with one subject English |
| MA Hindi | Any degree with one subject Hindi |
| MA Economics | BA with Economics one of the sub. |
| MA History | BA with History one of the sub. |
| MA Sociology | BA |
| MA Political Sci. | BA |
| MA Public Adm. | BA. |
| MS. Public rel. | BA |
| M.Sc Computers | B.Sc Comp / B.Com Comp / BA Comp / BCA |
| M.Com | B.Com/ BA with Commerce one of the subject. |
| MCA | BA/B.Sc with Maths. |
| MBA | Any degree |
| MA Archaeolog | BA |

| Post Graduation Course | Eligibility |
|---|---|
| M.Sc Maths | B.Sc / BA with one subject Maths |
| M.Sc Chemistry | B.Sc with Chemistry |
| M.Sc Botany | B.Sc with Botany |
| M.Sc Zoology | B.Sc with Zoology |
| M.Sc Physics | B.Sc with Physics |
| M.Sc Home Sci. | B.Sc with Botany + Zoology |
| M.Sc Anthrop | B.Sc with Zoology / BA |
| M.Sc Psychology | Any degree |
| M.Sc Bio-Chemis | B.Sc with one subject Chemi |
| M.Sc Bio-Tecno | B.Sc with one subject Bio-Tecnology |
| M.Sc Micro biolo | B.Sc with Zoology |
| MSc Virology | B.Sc with Zoology |
| MLIC | BLIC |
| LLM | BL / LLB |

[৪৭]

# আমাৰ প্ৰচলিত প্ৰাথমিক শিক্ষা ব্যৱস্থাত নতুনত্ব আনিব পৰা এক চিন্তা'

গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগত শিক্ষক হিচাপে যোগদান। কৰা ২৮ বছৰৰো অধিক কালেই হ'ল। তাৰো আগতে গুৱাহাটীৰে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত আঢ়ৈ বছৰ কটাইছিলো। ৩০ বছৰৰো অধিক কাল এই কাৰ্যত অতিবাহিত কৰাৰ পিছত মনত কিছুমান চিন্তাই খুন্দিয়াই থকা হ'ল। শিক্ষাদানৰ এই দীঘলীয়া পৰিক্ৰমাৰ মাজত কেইবাখনো উন্নত দেশ ভ্ৰমণ কৰি সেই দেশবোৰৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে কিছু কথা অনুধাবন কৰা আৰু তেনে শিক্ষা ব্যৱস্থাৰ লগত আমাৰ দেশৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ এক তুলনামূলক মানসিক বিশ্লেষণৰ ফলত গঢ় লৈ উঠা ধাৰণাই হয়তো এই চিন্তাবোৰৰ উদ্ৰেক কৰালে।

কোনোবাই যদি প্ৰশ্ন উত্থাপন কৰে যে উন্নত দেশৰ প্ৰাথমিক তথা মাধ্যমিক শিক্ষা ব্যৱস্থাৰ লগত আমাৰ দেশৰ শিক্ষা ব্যৱস্থাৰ চকুত পৰা বৈসাদৃশ্য কি, তেন্তে আমাৰ উত্তৰ হ'ব—উন্নত দেশৰ শিক্ষা ব্যৱস্থাই এগৰাকী ছাত্ৰ বা ছাত্ৰীক নিজৰ ইচ্ছা, যোগ্যতা অনুযায়ী আগবাঢ়ি যোৱাৰ এক সুবিধা প্ৰদান কৰে যিটো আমাৰ দেশত দেখা নাযায়। স্বামী বিৱেকানন্দয়ো কৈছিল- ‘Education is the manifestation of perfection already in men'। কিন্তু আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থাত [৪৮]সকলোকে একেখিনি পাঠ্যক্ৰম পঢ়িবলৈ দি কিছুমানক 'দুৰ্বল' আৰু কিছুমানক 'ভাল' বুলি চাব মাৰি দিয়া হয়। ফলত দুৰ্বল বুলি চাব মাৰি দিয়া মানৱ সম্পদখিনি আমাৰ দেশত অপচয় হয় আৰু বহুতো আনুসংগিক সমস্যাই মূৰ দাঙি উঠে। উন্নত দেশৰ শিক্ষা ব্যৱস্থাই নিজৰ মানৱ সম্পদৰ এক উন্নত ‘মেনেজমেণ্ট'ৰ দ্বাৰা দেশক লাভান্বিত কৰে। আন কিছু চকুত পৰা বৈসাদৃশ্য আছে যদিও আমি সেইবোৰ উল্লেখৰ পৰা বিৰত থাকিলো কাৰণ আমাৰ এই প্ৰবন্ধৰ উদ্দেশ্য সুকীয়া।

এইটো কথাও সঁচা যে ভাৰতবৰ্ষৰ ভৌগোলিক বিশালতা, সাংস্কৃতিক বিবিধতাকে ধৰি ইমান অজস্ৰ কাৰণ আছে যিবোৰৰ বাবে হয়তো আমি উন্নত দেশৰ নিচিনা শিক্ষা ব্যৱস্থা এটা আনি ইয়াত প্ৰয়োগ কৰিব নোৱাৰো। কিন্তু প্ৰচলিত শিক্ষা ব্যৱস্থাৰ কিছু পৰিৱৰ্তন, পৰিবৰ্ধন। নহ'লেও যে আমি পিছপৰি ৰ'ম সেয়াও ধ্ৰুৱ। এই পৰিৱৰ্তন তথা পৰিবৰ্ধনো ওপৰৰ শ্ৰেণীত কৰাতকৈ হয়তো তলৰ

ভেটিৰ পৰাই অৰ্থাৎ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ পৰাই কৰি অনাটোৱেই সমীচীন হ'ব। তেনে এক চিন্তা-চৰ্চাই ৰাইজক অৱগত কৰিবলৈ তলৰ ঘটনাটি দাঙি ধৰা হ'ল।

যোৱা সৰস্বতী পূজাৰ ২-৩ দিন আগতে পাক মাৰিছিলোঁ শৰাইঘাট ফটো টাইপছ প্ৰাইভেট লিমিটেডলৈ। গুৱাহাটীৰ বামুণীমৈদামৰ 'ইণ্ডাষ্ট্ৰিয়েল ইষ্টেট'ত অৱস্থিত প্ৰতিষ্ঠানটোৰ 'মেনেজিং ডাইৰেক্ট'ৰ অশীতিপৰ শ্ৰীযুত যোগেশ শৰ্মাদেৱ আৰু কেইবাজনো কৰ্মচাৰী বন্ধুৰ লগত আমাৰ মাজে মাজে আড্ডা মৰাৰ অভ্যাস। শৰ্মাদেৱৰ পৰা ব্যৱহাৰিক জীৱনৰ কিছু জ্ঞানো পাইছোঁ। তাৰ বাবে তেখেতৰ ওচৰত কৃতজ্ঞ।

শৰ্মাদেৱৰ কোঠাত কিছু সময় কথাবাৰ্তা হোৱাৰ পিছত তেখেতে কৈ উঠিল—হেৰা, আমাৰ শিক্ষা ব্যৱস্থা এনেদৰেই চলি থাকিব নেকি হে? বছৰি বছৰি কিছু নিবনুৱা যুৱক-যুৱতী উলিওৱাই আমাৰ শিক্ষা ব্যৱস্থাৰ লক্ষ্য নেকি? হাতে-কামে শিক্ষা দিয়াৰ দিন নাহিব নেকি?

অভিযোগটো উৰাই দিব পৰা বিধৰ নহয়। এচাম মুষ্টিমেয় ছাত্ৰ- ছাত্ৰীৰ বাহিৰে বাকীসকলে [৪৯]কেনেদৰে জীৱন কটাইছে গম নাপাওঁ। উত্তৰত ক'লো—হয়, ময়ো আপোনাৰ দুখৰ সমভাগী কিন্তু পৰিত্ৰাণৰ ৰাস্তা আপোনাৰ হাতত আছেনে?

তেখেতে ক'লে, চোৱা, আমাৰ এই প্ৰিন্টিং লাইনত আধুনিকীকৰণৰ লগে লগে যথেষ্ট নতুন মেচিনৰ প্ৰয়োগ ঘটিছে। সেই মেচিনবোৰ চলাবলৈ বা বেয়া হ'লে ঠিক কৰিবলৈ অসমীয়া ল'ৰা মুষ্টিমেয়। কিন্তু সেইখিনি শিকি ল'লে তেওঁলোকে বাংগালুৰু, মুম্বাই, পুনে আদি ঠাইত দাৰোৱান বা ৰেষ্টুৰেণ্টত কাম কৰাতকৈ স্বচ্ছলতাৰে জীৱন নিৰ্বাহ কৰাৰ লগতে বেছি ধন জমাও কৰিব পাৰে। নিজৰ ঘৰখনৰ লগত থাকি সুখে- সন্তোষেৰে দিন কটাব পাৰে। একো নকৈ মনে মনে ভাবিলোঁ—আমাৰ চৰকাৰে বা আন উদ্যোগীয়ে তেনে মেচিন চলাবলৈ বা বেয়া হ'লে ঠিক কৰিবলৈ 'ট্ৰেইনিং ইন্সিটিটিউট'ৰ কথা বা কেতিয়াকৈ ভাবিব? সেই ধৰণৰ আৰ্থিক অৱস্থাৰ বেছিভাগ ল'ৰাৰ কাৰণে পঞ্জাব, উত্তৰ প্ৰদেশ আদি ঠাইত গৈ ট্ৰেইনিং লোৱাটো হয়তো সম্ভৱপৰ নহয়। অসমত তেনে অনুষ্ঠান গঢ় লৈ উঠিলে হয়তো অসমীয়া ল'ৰাও আগবাঢ়ি আহিব। একো উত্তৰ নিদি কথাখিনি মনতে পাগুলি থাকোতে তেখেতে কৈ উঠিল—মই এটা কাম আৰম্ভ কৰোঁ বুলি ভাবিছো, তোমাৰো মতামত জনাবা।

তেখেতে আকৌ কৈ গ'ল—মই নলবাৰীৰ যিখন প্ৰাথমিক বিদ্যালয়ত পঢ়িছিলোঁ, সেইখনলৈ ৫ লাখমান টকা আগবঢ়াই তাৰ সীমাৰ 'ৱাল' আৰু ৰুম'বোৰ ঠিক-ঠাক কৰি দিছে। ইতিমধ্যেই মই শিক্ষকসকলৰ লগত কথা পাতিছে যাতে তেওঁলোকে পাঠ্যক্ৰমৰ শিক্ষাৰ বাহিৰেও দুটা 'হাতে-কামে শিকা বিদ্যা' তেওঁলোকক কৰি দেখুৱায়। তেখেতৰ মতে কোমল বয়সতে যদি তেনেকুৱা দুটা হাতৰ বিদ্যাৰ কথা ছাত্ৰ-ছাত্ৰীসকলৰ মনত সুমুৱাই দিব পাৰি তেতিয়াহ'লে শিক্ষা শেষ কৰাৰ পিছত নিবনুৱা হ'ব লাগিলে তেওঁলোকৰ তেনে বিদ্যাবোৰলৈ মনত পৰিব আৰু বহুতেই হয়তো তেনে বিদ্যাৰ আলমতেই ভৱিষ্যত জীৱনৰ কৰ্ম সংস্থান গঢ়ি ল'ব। দেখাত সৰু যেন লাগিলেও তেখেতৰ চিন্তাৰ নতুনত্বই মনত আনন্দ দিলে। মনে মনে তেখেতক 'চেসুযট' দিলোঁ। এইখিনিতে উল্লেখ কৰা দৰকাৰ যে তেনে এক ব্যৱস্থাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহযোগ অত্যন্ত দৰকাৰী হ'ব কাৰণ ফুল

কুমলীয়া[৫০] ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা কৰোৱাতকৈ শিক্ষক-শিক্ষয়িত্ৰীসকলেহে তেনেক্ষেত্ৰত আগভাগ ল’ব লাগিব আৰু সেই হাতে-কামে শিকোৱা বিদ্যা, পৰিৱেশ অনুযায়ী বেলেগ বেলেগ হোৱাটোহে সমীচীন হ’ব। তেখেতৰ চিন্তাৰ নতুনত্ব দেখি উৎসাহেৰে সুধিলোঁ—আপুনি কি বিদ্যাৰ কথা ভাবিছে? তেখেতৰ উত্তৰগাঁৱৰ ল'ৰা-ছোৱালীয়ে জৈৱিক কেঁচু সাৰৰ বিষয়ে জনা বৰ দৰকাৰ। গতিকে এটা বিদ্যা হ’ব সেই জৈৱিক বা কেঁচু সাৰ নো কেনেকৈ প্ৰস্তুত কৰা হয়চৰকাৰেও জৈৱিক সাৰ প্ৰয়োগ কৰি খেতি কৰাৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে আৰু আমাৰ স্বাস্থ্যৰ বাবেও ই বৰ গুৰুত্বপূৰ্ণ। তেখেতে ক'লে, দ্বিতীয় বিদ্যাটো কি হ'ব লাগে তুমিয়েই কোৱা। মই ক'লোঁ, আপুনি যিহেতু জৈৱিক সাৰ প্ৰস্তুত কৰাবই, গতিকে সেই জৈৱিক সাৰ প্ৰয়োগ কৰি ‘ড্ৰেগন ফুট’ খেতিৰ শিক্ষা দিয়ক। ১ কিল’গ্ৰাম তেনেকুৱা ফলৰ ভাৰতীয় বজাৰ মূল্য ৩০০ ৰপৰা ৪০০ টকা। ৰপ্তানি কৰিলে বিদেশৰ বজাৰত ৩০০০ ৰপৰা ৪০০০ লৈ টকা প্ৰতি কিল’গ্ৰামত পাব। ইতিমধ্যেই মালয়েছিয়া, ভিয়েটনাম, ফিলিপিনছ আদি দেশৰ খেতিয়কে এই খেতিৰ জৰিয়তে যথেষ্ট লাভবান হৈছে। সেই দেশবোৰৰ জলবায়ু যিহেতু আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ লগত যথেষ্টখিনি মিলে, আমাৰ ইয়াতো এই খেতি কৰিব নোৱাৰাৰ কোনো কাৰণ নেদেখো। কেক্টাছজাতীয় উদ্ভিদবিধৰ প্ৰথম খেতি অৱশ্যে মেক্সিকোত হৈছিল যদিও বৰ্তমান পৃথিৱীৰ বহু গৰম অঞ্চলত এই খেতিৰ প্ৰচলন হৈছে। তদুপৰি আমাৰ অসমত বানপানীত ক্ষতিগ্ৰস্ত বহু ঠাই নদীয়ে বালি পেলোৱাৰ বাবে ধান খেতি কৰাৰ বাবে অযোগ্য হৈছে যদিও তেনে ঠাইবোৰ হয়তো ‘ড্ৰেগন ফুট’ৰ খেতিৰ বাবে অতি যোগ্য বুলি বিবেচিত হ'ব পাৰে। আমাৰ দৃষ্টিত আমাৰ দুৰ্বলতা, ঋণাত্মক দিশবোৰক আমাৰ সবলতা তথা ধনাত্মক দিশলৈ পৰিৱৰ্তন কৰিব পৰাটোহে আচল শিক্ষাৰ মাহাত্ম্য।

‘ড্ৰেগন ফুট’ এক অতি উন্নত খাদ্য হিচাপে প্ৰমাণিত হোৱাৰ বাবে পৃথিৱীত এই ফলবিধৰ চাহিদাও বাঢ়িছে আৰু খেতিও বাঢ়িছে। এইখিনিতে ডেকা উদ্যোগী প্ৰসেনজিৎ বিশ্বাসৰ নাম নল'লে অশলাগী হোৱা যাব, কাৰণ ‘ড্ৰেগন ফুট’ৰ বিষয়ে তেওঁৰ পৰাই মই প্ৰথমে জানিছিলোঁ। তেওঁৰ মতে ইয়াৰ[৫১] খেতিয়ে অসমৰ মানুহৰ অৰ্থনৈতিক অৱস্থাৰ বৈপ্লৱিক পৰিৱৰ্তন আনিব পাৰে। ইচ্ছুক পাঠকে ইণ্টাৰনেট চাই ইয়াৰ বিষয়ে সবিশেষ জানিব পাৰে।

মোৰ কথা শুনি এইবাৰ শৰ্মাদেৱৰ উৎসাহ বাঢ়িল। তেখেতে ক’লে, তুমি মোৰ লগত সৰস্বতী পূজাৰ দিনা স্কুলখনলৈ ওলাবা নেকি? ল’ৰা- ছোৱালী আৰু তেওঁলোকৰ অভিভাৱক-অভিভাৱিকাৰ আগত তুমি ক’লে বৰ ভাল হ’ব।

বিশ্ববিদ্যালয়ৰ নিজৰ বিভাগ তথা আন দুই-এক শিক্ষানুষ্ঠানতো পূজাৰ নিমন্ত্ৰণ আছিল যদিও শৰ্মাদেৱৰ চিন্তা তথা কৰ্মৰ প্ৰতি শ্ৰদ্ধা জনাই সন্মত হ’লোঁ আৰু যোৱা সৰস্বতী পূজাৰ দিনটো সেই প্ৰাথমিক স্কুলখনতে কটালোঁ। ছাত্ৰ-ছাত্ৰী তথা অভিভাৱক-অভিভাৱিকাৰ লগত মত বিনিময়ো কৰিলোঁ।

শৰ্মাদেৱৰ চিন্তা তথা কৰ্মৰ আলমত আন দেশহিতৈষী তথা অৰ্থবান মানুহে যদি নিজৰ নিজৰ এৰি অহা প্ৰাথমিক স্কুলখনৰ কাৰণে ভাবে আৰু আমাৰ চৰকাৰেও যদি তেনে প্ৰচেষ্টাত সৰ্বপ্ৰকাৰে সমৰ্থন জনায়, তেন্তে ‘পৰিৱৰ্তন’ সঁচা অৰ্থত আহিব যেন ভাব হয়। তাৰ বাবে আশাৰে বাট চাই ৰ’লোঁ। ❑




[৫২]

# কৰ্ম বিমুখিতা আৰু অসমৰ যুৱ সমাজ

প্ৰবন্ধটোৰ শিৰোনাম দেখি কোনোবাই যদি ভাবিছে যে যুৱ সমাজক দোষ দিয়া এক লিখনি হ'ব তেন্তে সেয়া ভুল ধাৰণা। যুৱ সমাজক দোষ দিয়াতকৈ ইয়াৰ কাৰণ বিচৰাহে আমাৰ মুখ্য উদ্দেশ্য।

ভাৰতবৰ্ষ এখন বিশাল দেশ, যাৰ কাৰণে ইয়াক এখন উপ-মহাদেশ বুলিয়েই কোৱা হয়। ইয়াৰে বিভিন্ন ঠাইৰ মানুহৰ ভাষা-সংস্কৃতি, আচাৰ- ব্যৱহাৰ আদি ভিন্ন আৰু তেনে হোৱাটো আমাৰ দৃষ্টিত এক স্বাভাৱিক ঘটনা। ঠিক সেইদৰে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ অথবা ৰাজ্যৰ বাসিন্দাসকলৰ কৰ্ম-সংস্কৃতিও বেলেগ বেলেগ। যেনে, ভাৰতবৰ্ষৰে পঞ্জাৱ, ৰাজস্থান আদি প্ৰদেশৰ বাসিন্দাসকল কায়িক শ্ৰমৰ ক্ষেত্ৰত যথেষ্ট দক্ষ বুলি এক সুনাম আছে আৰু তাৰ ঠিক ওলোটাভাৱে অসমৰ লোকসকল কৰ্মবিমুখ বুলি এক বদনাম আছে। কাৰণসমূহ ফঁহিয়াই চাবলৈ আৰম্ভ কৰাত তলৰ কথাখিনি মনলৈ আহিল আৰু সেইখিনিকে লিপিবদ্ধ কৰি পাঠক সমাজলৈ আগবঢ়ালোঁ।

অসমত এক সাধাৰণ জীৱন যাপন কৰিবলৈ যিখিনি বস্তুৰ আৱশ্যক সেইখিনি প্ৰকৃতিয়ে অফুৰন্তভাৱে যোগান ধৰিছে। ৰাজস্থানৰ কোনো কোনো অঞ্চলৰ মানুহে খোৱাপানীটুপিৰ বাবে ঘৰৰ পৰা বহু দূৰ বাট বুলি যিদৰে সংগ্ৰহ কৰিব লগা হয় সেয়া অসমৰ মানুহে ভাবিবও নোৱাৰে কাৰণ প্ৰায় সকলোৰে[৫৩] ঘৰে ঘৰে পানীৰ পুখুৰী থাকেই। ইয়াৰ মাটিও এনে সাৰুৱা যে অতি কম আয়াসতে নিজৰ তথা পৰিয়ালৰ ভাতমুঠি নিজৰ মাটিখিনিত কৰি ল'ব পাৰে; কাৰণ মাটি সাৰুৱা, পানীৰ কোনো অভাৱ নাই। মুঠতে এক সাধাৰণ জীৱন অতিবাহিত কৰিবলৈ যিখিনি সমলৰ প্ৰয়োজন, অসমৰ মানুহে প্ৰকৃতিৰ দয়াত সেইখিনি অতি কম আয়াসতে পায় অৰ্থাৎ তাৰ বাবে তেওঁলোক অতি কষ্টসহিষ্ণু, কৰ্মদক্ষ

নহলেও চলি যায়। ভাল নে বেয়া নাজানো এইটো অৱশ্যে সত্য যে প্ৰায়ভাগ অসমীয়া মানুহেই জীৱন ধাৰণৰ সমলখিনি পোৱাৰ পিছত সেই জীৱন ধাৰণৰ উত্তৰণৰ বাবে বৰ বেছি প্ৰয়াস নকৰে।

এটি শিশুৱে নিজৰ মাক-দেউতাক নাইবা অন্য ওচৰ সম্বন্ধীয় মানুহবোৰৰ পৰাই জীৱনৰ আদিপাঠ গ্ৰহণ কৰে। সেইদৰে কিশোৰ- কিশোৰী, যুৱক-যুৱতীসকলেও সেইবিলাক কাৰ্যৰ প্ৰতি বিশেষ আকৃষ্ট হয় যিবোৰৰ বিষয়ে সমাজত আলোচনা-বিলোচনা বেছিকৈ হয়, যাৰ ওপৰত সমাজে বিশেষ গুৰুত্ব আৰোপ কৰে, দূৰদৰ্শন, বাতৰি কাকত আদিত যিবোৰ বেছিকৈ চৰ্চা হয়। অসমৰ সমাজ জীৱনত কষ্টসহিষ্ণু, কৰ্মদক্ষ ৰ'ল মডেল’ সম্পৰ্কে আলোচনা-বিলোচনা তেনেকৈ হোৱা দেখা নাযায়। সততে আলোচনা-বিলোচনা হৈ থকা বেছিভাগ কথাই সাহিত্য, সংগীত তথা অন্যান্য কলা, ৰাজনীতি, আন্দোলন আদিৰ লগতহে জড়িত। দুই- এক কৰ্মদক্ষ, কষ্টসহিষ্ণু অসমীয়া যে ওলোৱা নাই তেনে নহয়, কিন্তু তেওঁলোকক সমাজে এতিয়ালৈকে 'ৰ'ল মডেল' হিচাপে স্বীকৃতি দিয়া আমাৰ দৃষ্টিগোচৰ হোৱা নাই। সুস্থ কৰ্ম সংস্কৃতি, কৰ্মদক্ষ মানুহৰ গুণানুকীৰ্তন কাচিংহে শুনিবলৈ পোৱা যায়। সেয়ে কিশোৰ-কিশোৰী, যুৱক-যুৱতীসকল তেনে দিশৰ প্ৰতি আকৃষ্ট নোহোৱা, ধাবমান নোহোৱা বুলি ভাব হয়। আনহাতে বেছিভাগ যুৱক-যুৱতীয়েই ওপৰোক্ত বিষয়বোৰ, যিবোৰ সম্পৰ্কে সমাজত সততে আলোচনা হয় সেই দিশেহে ধাৱমান। হয়।

গুৱাহাটীৰ পৰা নাতিদূৰত থকা আমাৰ পৈতৃক গাঁৱলৈ সুবিধা পালেই দৌৰ মৰাটো আমাৰ পুৰণা অভ্যাস। চহৰীয়া জীৱনৰ কোলাহল, ব্যতিব্যস্ততাৰ পৰা আঁতৰি এক বুজাব নোৱৰা আনন্দ পোৱাই এনে[৫৪] অভ্যাসৰ চালিকা শক্তি। গাঁৱৰ ঘৰৰ কাষৰ বাৰীবোৰ, যিবোৰ আগতে শাক-পাচলিৰে ভৰি আছিল সেয়া কিছু কমা দেখি ভতিজাহঁতক গালি পৰাত ভতিজাহঁতৰ উত্তৰ—নিজে কৰি চোৱাচোন গম পাবা। বান্দৰ উৎপাতত শাক-পাচলি নাথাকে, কেৰ্কেটুৱাৰ উৎপাতত তামোল, নাৰিকল ৰাখিব নোৱাৰি। প্ৰথমতে মিছা অজুহাত বুলি ভাবিছিলোঁ যদিও কেইবাখনো গাঁৱত একেটা প্ৰশ্ন উত্থাপন কৰি একেই উত্তৰ পাই ধৰি লৈছোঁ যে তেওঁলোকে সঁচা কথাকেই কৈছে। দূৰদৰ্শনৰ বাতৰিটো প্ৰায়েই হস্তী-মানৱৰ সংঘাত, বন্যহস্তীৰ দ্বাৰা খেতিৰ বিস্তৰ ক্ষতিসাধন জাতীয় বাতৰি পৰিৱেশন হৈয়ে থাকে। অৰণ্যভূমিত মানৱৰ অনধিকাৰ প্ৰৱেশেই খুব সম্ভৱ এনে সমস্যাসমূহৰ মূল উৎস। অতি কষ্টেৰে কৰা খেতিডৰা চকুৰ সন্মুখতে খৰাং, বানপানীৰ লেখীয়া প্ৰাকৃতিক দুৰ্যোগ অথবা ওপৰোক্ত কাৰণবোৰৰ বাবে ধ্বংসপ্ৰাপ্ত হোৱাটো এক কৰুণ ঘটনা আৰু ইয়েই তেওঁলোকক হয়তো তেনে কৰ্ম ভৱিষ্যতেও আগবঢ়াই লৈ যোৱাৰ বাবে নিৰুৎসাহিত কৰে।

এইটো কথাত কোনো দ্বিমত নাই যে এখন দেশৰ বাবে যুৱ সমাজেই মূল চালিকা শক্তি। যদি দেশৰ যুৱ সমাজ কৰ্মোদ্যমী হয় তেন্তে সেই দেশৰ উন্নতি অৱশ্যম্ভাৱী। কিন্তু তেনে নহ'লেই যে সমগ্ৰ দোষ আমি যুৱ সমাজলৈ ঠেলি দিম তেনে হ'ব নোৱাৰে। আমাৰ দৃষ্টিত বৰঞ্চ চৰকাৰ তথা সমাজে তেনে দায়িত্ব মূৰ পাতি লৈ কৰ্ম সংস্কৃতি গঢ়ি তোলাৰ বাবে নিৰলস প্ৰয়াস কৰা দৰকাৰ যাতে দেশৰ যুৱ সমাজ কৰ্ম সংস্কৃতিৰ দ্বাৰা অনুপ্ৰাণিত হৈ নিজকে বিভিন্ন কামত নিয়োজিত কৰে। কেনেনো হ’ব পাৰে চৰকাৰ তথা সমাজৰ তেনেকুৱা কামবোৰ?

ওপৰৰ পৰ্যালোচনাৰ ভিতৰতে তেনে কৰিবলগীয়া কামবোৰৰ আভাস আছে যিবোৰ সংক্ষেপে আমি তলত আকৌ সন্নিৱিষ্ট কৰিলোঁ।

সমাজ তথা চৰকাৰে যুৱ সমাজৰ সন্মুখত কিছু 'ৰ'ল মডেল'ক যথাযোগ্য সন্মানেৰে দাঙি ধৰিব লাগিব। তেনে কৰিবলৈ হ'লে সমাজত কৰ্মোদ্যমী লোকসকলৰ বিষয়ে আৰু তেওঁলোকৰ কাম-কাজ সম্পৰ্কে বহুল আলোচনা-বিলোচনা চলিব লাগিব যিদৰে সাহিত্যিক, গায়ক-গায়িকা। অথবা অন্যান্য সুকুমাৰ[৫৫] কলাৰ লগত জড়িত লোকসকলৰ অথবা আন্দোলনকাৰী, ৰাজনীতিবিদসকলৰ সম্পৰ্কে আলোচনা-বিলোচনা চলে খবৰ কাগজ, দূৰদৰ্শন আদি মাধ্যমত।

আজি অসমৰ কিমান লোকে একক প্ৰচেষ্টাত এখন অৰণ্য গঢ়ি তোলা অৰণ্য মানৱৰূপে খ্যাত যাদৱ পায়েং; বিজ্ঞানৰ তৎত্বক সমাজৰ উন্নতিৰ বাবে প্ৰয়োগ কৰি উদ্ভাৱকৰূপে দেশে-বিদেশে খ্যাতি লভা উদ্ধব। ভড়ালী; মৌ-মাখি পালনৰ দ্বাৰা স্বাৱলম্বী হ'ব পৰাৰ আদৰ্শ দেখুওৱা লীলাচৰণ দত্ত; সপ্তম শ্ৰেণীলৈ পঢ়ি বৰ্তমান 'অৰ্কিড মেন অফ্ ইণ্ডিয়া' বুলি দেশে-বিদেশে খ্যাত তথা ফ্ৰান্স বিশ্ববিদ্যালয়ে পি.এইচ.ডি ডিগ্ৰী। প্ৰদান কৰা ৰহমত আলী লস্কৰ; মৎস্য পালন তথা জৈৱিক সাৰৰ জৰিয়তে বৃহৎ এলেকাত বিভিন্ন খেতি কৰি নৱপ্ৰজন্মক আৰ্হি দেখুওৱা যুৱক নীলম দত্ত; একাদশ শ্ৰেণীলৈ পঢ়াৰ পিছত কঠোৰ শ্ৰম আৰু সাধনাৰ জৰিয়তে। ব্যৱসায়ত ঈৰ্ষণীয় সফলতা লাভ কৰি বৰ্তমান 'টাটা অফ্ লাওচ' হিচাপে খ্যাত হবিব মহম্মদ চৌধুৰী; একক প্ৰচেষ্টাত প্ৰায় এঘাৰখন জনজাতীয় লোক অধুযষিত গাঁৱৰ কণ কণ শিশুসকলক তেওঁৰ 'পাৰিজাত স্কুল'ৰ জৰিয়তে শিক্ষাদান কৰা উত্তম টেৰণ; দক্ষিণ কামৰূপৰ এক সুবিস্তৃত। অঞ্চলত কল খেতিৰ জৰিয়তে গঞা ৰাইজক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হৈ উঠাৰ বাট দেখুৱাওতা অভিযন্তাদ্বয় দেৱ চৌধুৰী আৰু নৱ শ্যাম আৰু তেনে বহু কৰ্মোদ্যমী লোকৰ বিষয়ে জানে সেয়া আমাৰ জ্ঞাত নহয়। উপৰোক্ত দুই-এজনে অলপতে যদিও দুই-এক বঁটা লাভ কৰিবলৈ সক্ষম হৈছে তথাপিও তেওঁলোকৰ কৰ্মৰ তথা অন্যান্য অৱদানৰ বিষয়ে অসমৰ যুৱক-যুৱতী তথা সমূহ ৰাইজে জানিবলৈ এতিয়াও বহু বাকী।

যুৱ সমাজক কৰ্মোদ্যমী কৰিবলৈ হ'লে আমি তেনে লোকসকলকে সমাজৰ 'ৰ'ল মডেল'ৰ আসনত বহুৱাব লাগিব, তেওঁলোকৰ কৰ্মোদ্যম তথা কৰ্মৰ বিষয়ে বহুল প্ৰচাৰ কৰিব লাগিব। মানুহজনৰ ৰাজনৈতিক মতাদৰ্শ, ধৰ্ম, জাতি আদি এই ক্ষেত্ৰত বাধা হিচাপে থিয় হ'ব নালাগিব। সমাজ তথা চৰকাৰৰ দৃষ্টিভংগীৰ এক আমূল পৰিবৰ্তন অবিহনে ই সম্ভৱ নহ'ব। কিন্তু আমাৰ দৃঢ় বিশ্বাস যে আজিৰ[৫৬] আলোচনাৰ সমস্যাটোৰ সমাধানৰ এক বৃহৎ অংশ নিৰূপিত হ'ব ওপৰোক্ত কথাখিনিৰ দ্বাৰাই।

অন্যান্য কৰিবলগীয়াখিনিত চৰকাৰৰ দায়িত্বই অধিক হ'ব। সেইখিনি। কৰোঁতে চৰকাৰে ৰাজনীতিৰ উৰ্ধত উঠি সঁচা কৰ্মোদ্যমীখিনিৰ ৰাজনৈতিক মতাদৰ্শ, জাতি, ধৰ্ম নিৰ্বিচাৰে তেওঁলোকক যথাযোগ্য সন্মানেৰে সন্মানিত কৰিব লাগিব। বন-নীতি, ভূমি-নীতি চৰকাৰে এনে কৰিব লাগিব যাতে প্ৰকৃত কৰ্মোদ্যমী যুৱক-যুৱতীসকল সেই নীতিৰ দ্বাৰা লাভান্বিত হয়। কোনো কৰ্ম প্ৰতিষ্ঠান গঢ়িবলৈ চৰকাৰৰ ঋণ-নীতি স্বচ্ছ, খৰতকীয়া, সৰল হোৱাৰ দৰকাৰ হ'ব যাতে কৰ্মোদ্যমী যুৱক-যুৱতীৰ কৰ্মোদ্যম ৰঙা ফিটাৰ মেৰপেচত হেৰাই নাযায়। বিশেষকৈ কৃষিৰ লগত জড়িতসকলৰ বাবে চৰকাৰে ঠায়ে ঠায়ে 'ক'ল্ড ষ্টৰেজ' নিৰ্মাণৰ ব্যৱস্থা ল'ব লাগিব যাতে বস্তু উভৈনদী হোৱাৰ সময়ত

তেওঁলোকে নিজে উৎপাদন কৰা খাদ্য-শস্য পানীৰ মূল্যত মধ্যভোগীক বিক্ৰী কৰি সৰ্বস্বান্ত হ'বলগীয়া নহয়।

কৰ্মোদ্যমী লোকসকলক সন্মান জনাবলৈ চৰকাৰে বিভিন্ন বঁটা- বাহনৰো প্ৰচলন কৰিব পাৰে, ঠিক যেনেকৈ সাহিত্যিক, শিল্পী আদিৰ বাবে বঁটা আগবঢ়ায়। অসম সাহিত্য সভা, সাহিত্য একাডেমী, সঙ্গীত নাটক একাডেমী আদিয়ে যিদৰে সাহিত্য, সঙ্গীত-নাটক আদিৰ ক্ষেত্ৰত উৎকৰ্ষ সাধনৰ বাবে বঁটা আগবঢ়ায় সেইদৰে চৰকাৰে কৰ্মোদ্যমীসকলৰ বাবেও বিভিন্ন শিতানত বঁটা আগবঢ়াব পাৰে। তেনেসকলৰ মাজৰ পৰা সৰ্বোৎকৃষ্টসকলক চৰকাৰে বিভিন্ন ‘পদ্ম বঁটাৰ দ্বাৰাও বিভূষিত কৰি যুৱ সমাজলৈ এক যোগাত্মক বাৰ্তা প্ৰেৰণ কৰিব পাৰে। আকৌ উনুকিয়াব খুজিছোঁ এইবোৰ কৰোঁতে যদি ৰাইজ তথা চৰকাৰ ৰাজনীতিৰ ঊৰ্ধত উঠিব নোৱাৰে তেন্তে কোনো লাভ নহ'ব।

আশা ৰাখিছোঁ ভৱিষ্যতে অসমত আনসকলৰ নিচিনাকৈ প্ৰকৃতাৰ্থত কৰ্মোদ্যমী লোকৰ দ্বাৰাও বিভিন্ন প্ৰকল্পৰ আধাৰশিলাৰ স্থাপন, বিভিন্ন অনুষ্ঠানত ফিটা কাটি আৰম্ভণি , স্কুল-কলেজৰ পাঠ্যক্ৰমত তেনে লোকৰ বিষয়ে জনোৱা আদি কাৰ্য সমাপন হ'ব আৰু তাৰ দ্বাৰা তেওঁলোককো সমাজৰ উচ্চ আসনত বহুওৱা হ'ব। ইয়েই হয়তো কৰ্মবিমুখ বুলি অপযশ লভা অসমবাসী কৰ্মোদ্যমী বুলি[৫৭] বিখ্যাত হোৱাৰো শুভাৰম্ভণি হ'ব।□

# হিমাৰ পৰা অসমৰ নতুন প্ৰজন্মই ল'বলগীয়া শিক্ষা আৰু অন্যান্য

নগাঁৱৰ এখন অখ্যাত গাঁও কান্ধুলিমাৰীৰ এক দুখীয়া পৰিয়ালৰ কন্যা হিমা দাসৰ নামে বৰ্তমান সমগ্ৰ অসম তথা ভাৰতবৰ্ষৰ আকাশ বতাহ মুখৰিত কৰি ৰাখিছে। হিমা দাসৰ এই ‘হিমালয় সদৃশ’ উত্তৰণত আমিও অতিশয় সুখী আৰু অসমীয়া হিচাপে ততোধিক গৌৰৱান্বিত। হিমা উঠি অহা নতুন প্ৰজন্মৰ আগত এক আদৰ্শ হৈ চিৰস্মৰণীয় হোৱাটোৱেই আমাৰ কামনা। হিমাৰ উত্তৰণৰ ঘটনাই মনত দোলা দি যোৱা দুই-এটা কথাকে ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ আগত দাঙি ধৰাই এই প্ৰবন্ধৰ মুখ্য উদ্দেশ্য।

প্ৰথমেই প্ৰশ্ন হয় হিমাৰ এই সফলতা হঠাতে ঘটা এক ঘটনা নেকি? বিচাৰ-বিবেচনা থকা যিকোনো এজন পৰিপক্ক মানুহে নিশ্চয় ক'ব হ'বই নোৱাৰে। Rome was not built in a day অৰ্থাৎ ৰোম নগৰী এদিনতে সজা হোৱা নাছিল। তেন্তে কাৰণবোৰ কি হ'ব পাৰে? আহকচোন, কাৰণবোৰ জুকিয়াই চোৱাৰ বাবে আমি এক প্ৰয়াস কৰোঁ।

আইনষ্টাইনৰ এষাৰি অমৰ উক্তি হৈছে “Everybody is a genius. But if you judge a fish by its ability to climb a tree, it will live its whole life believing that it is a stupid”[৫৮] stehts প্ৰত্যেকজন ব্যক্তিয়েই প্ৰতিভাশালী। কিন্তু আমি যদি মাছ এটা প্ৰতিভা গছত কিমান বগাব পাৰে তাৰ দ্বাৰা জুখিব খোজো তেতিয়াহ'লে ই সমগ্ৰ জীৱন এই ধাৰণাতেই নিমগ্ন থাকিব যে ই কোনো কামৰ বাবে যোগ্য নহয়।

তাৰো বহু আগতেই স্বামী বিবেকানন্দই কৈছিল-

Each soul is potentially divine.

অৰ্থাৎ প্ৰত্যেক আত্মাতে এক ঐশ্বৰিক শক্তি লুকাই আছে। ব্যৱহাৰিক ক্ষেত্ৰত আমি কথাটো এনেকৈয়ো ল'ব পাৰো যে ভগৱানে প্ৰত্যেকজন ব্যক্তিকে কিবা ক্ষেত্ৰত এক বুযৎপত্তি দিছে আৰু সেই বিশেষ বুযৎপত্তিৰ অংকুৰণ ঘটাই সমাজৰ বাবে ধনাত্মকভাৱে প্ৰয়োগ কৰাটো হ'ব লাগে প্ৰকৃত শিক্ষাৰ উদ্দেশ্য। এনে শিক্ষাই ব্যক্তিবিশেষ তথা সমাজ দুয়োকে লাভান্বিত কৰে আৰু ইয়েই পৰিশেষত এখন দেশক উন্নত দেশ হোৱাত প্ৰভূত ৰঙণি যোগায়।

আমাৰ দৃষ্টিত হিমাৰ এই সফলতাৰ প্ৰথম কাৰণটো হৈছে হিমাই নিজেই হওক বা অন্য কোনো প্ৰশিক্ষক অথবা শুভাকাংক্ষীয়েই হওক, বিচাৰি উলিয়াইছিল কিহত তেওঁৰ এক ঈশ্বৰ প্ৰদত্ত স্বাভাৱিক দক্ষতা আছে, আৰু হিমাই সেই দক্ষতা বিকাশৰ বাবে কঠোৰ সাধনা, নিৰৱচ্ছিন্ন প্ৰচেষ্টা কৰি গৈছিল মাহৰ পিছত মাহ ধৰি— বাকী সকলো সুখ, স্বাচ্ছন্দ্য, বিনোদন প্ৰতি পিঠি দি যাৰ ফল তেওঁ আজি পাইছে আৰু আমাকো ধন্য কৰিছে। ভুকুতেই কল নিশ্চয় পকা নাই। মনলৈ আহিছে ঐতয়ে ব্ৰাহ্মণমৰ নিম্নোক্ত শ্লোকটিৰ—

চৰন্বৈ মধু বিন্দতি চৰণস্বাদুমুদুম্বৰম্
সূৰ্য্যস্য পশ্য শ্ৰেয়মাণং য়ো ন তন্দ্ৰয়তে চৰণ্
চৰৈবেতি চৰৈবেতি

যাৰ অৰ্থ হৈছে— গতিশীলজনেহে মধু লাভ কৰে, গৈ থাকিলেহে সুস্বাদু ফল পায়। চোৱা সূৰ্যৰ শ্ৰেষ্ঠত্ব; অতন্দ্ৰ, অনলস পৰিক্ৰমাত সেয়ে ক্ষন্তেকো নবৈ গৈ থাকা।

সাৰমৰ্ম হিচাপে ছাত্ৰ-ছাত্ৰীসকলক এইটোৱেই ক'ব খোজো—“নিজৰ লগতে কথা পাতা’ আৰু নিজৰ[৫৯] ঈশ্বৰ প্ৰদত্ত স্বাভাৱিক দক্ষতা’টো বিচাৰি উলিওৱা আৰু সেই দক্ষতা বিকাশৰ বাবে নিৰৱচ্ছিন্ন কঠোৰ সাধনা আৰম্ভ কৰা। সফলতা, খ্যাতিয়ে লগ দিবলৈ নিজেই দৌৰি আহিব। আন সহজ ৰাস্তা আমি দেখাত নাই। সহজ ৰাস্তাৰে কুখ্যাতিহে আহিব পাৰে, সুখ্যাতি নহয়।

হিমাৰ সফলতাৰ ইন্ধন হিচাপে আমাৰ দৃষ্টিত ধৰা দিয়া আন এক মুখ্য কাৰক হৈছে হিমাৰ প্ৰচণ্ড জাতিপ্ৰেম, দেশপ্ৰেম আৰু পৰিমিত আবেগ। নিজৰ কাৰণে জীয়াই থকা জীৱন এটাতকৈ জাতি, দেশৰ বাবে সমৰ্পিতভাৱে জীয়াই থকা জীৱন এটা সদায়ে বেছি আনন্দদায়ক, সুখদায়ক হয়। ই নিজকে এক

উচ্চস্তৰলৈ লৈ যোৱাৰ বাবে চালিকাশক্তি প্ৰদান কৰে। দৌৰ পথাৰত সাফল্যৰ পিছতেই ৰাষ্ট্ৰীয় পতাকাৰ লগতে অসমৰ গামোচা লৈ হিমাই যিদৰে আনন্দৰ বহিঃপ্ৰকাশ দেখুৱাইছে, যিদৰে ‘চেম্পিয়ন ব'ৰ্ড'ত মাতৃভাষাত চহী কৰিছে সেয়া সঁচাকৈয়ে শলাগিবলগীয়া। আমাৰ চকুত ধৰা দিয়া হিমাৰ আন এক গুণ হৈছে। তেওঁৰ প্ৰচণ্ড আত্মবিশ্বাস। কোনো ঠাইত হিমাই কৈছে—“অসমৰ গামোচা পৃথিৱীৰ চৌদিশে উৰুৱাৰ দায়িত্ব আপোনালোকে মোৰ ওপৰত এৰি দিয়ক।” কঠোৰ সাধনা, অনুশীলনৰ পৰা অহা গভীৰ আত্মবিশ্বাস অবিহনে এনে মন্তব্য দিব নোৱাৰে হিমাই। আন এক অনুষ্ঠানত বটা প্ৰদানৰ সময়ত ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত বজাৰ লগে লগে হিমাৰ অশ্ৰু নিগৰিত হৈছে। হিমাৰ জাতিপ্ৰেম, দেশপ্ৰেম, পৰিমিত আবেগৰ নিৰ্ভেজাল প্ৰকাশ। এই গুণসমূহে হিমাক আৰু কঠোৰ অনুশীলন তথা সাধনাত ব্ৰতী হ’বলৈ অনুপ্ৰেৰণা যোগাব।

উপৰোক্ত গুণসমূহ আমি হিমাৰ পৰা শিকিবলগীয়া। আমাৰ বিশ্বাস। উঠি অহা প্ৰজন্মই হিমাৰ এই গুণসমূহ আয়ত্ত কৰিবলৈ কঠোৰ সাধনা, অনুশীলনত মগ্ন হ'লে অদূৰ ভৱিষ্যতে আমি আৰু বহুতো ‘হিমা'ক লাভ কৰিবলৈ সক্ষম হ'ম।

আমাৰ লিখনীৰ নায়িকা হিমাৰ গুণৰ কথাৰ পৰা ফালৰি কাটি আন দুই-এটা কথা লিখিবলৈ ওলাইছোঁ।

হিমা অসমলৈ অহাৰ লগে লগে অসংখ্য অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁক উষ্ম আদৰণি, সম্বৰ্ধনা জনালে[৬০]। হিমাক আৱিষ্কাৰ কৰা, উৎসাহ যোগোৱা তেওঁৰ আদিগুৰু/গুৰুসকলৰ ক্ষেত্ৰত তেনে একো নেদেখি মনটো অলপ সেমেকি গ'ল। 'দ্ৰোণাচাৰ্য'ৰ দেশৰ আমিবোৰে ভৱিষ্যত প্ৰজন্মৰ আগত এক সুস্থ পৰম্পৰা দাঙি ধৰাৰ সুযোগ হেৰুওৱা যেন লাগিল।

বহুতেই আকৌ হিমাক টকা-পইচাৰে পুতি পেলাব খোজা সদৃশ পৰিস্থিতি এটা তৈয়াৰ কৰাৰ নিচিনাও লাগিল। ই হিমাৰ উপকাৰ সাধে নে অপকাৰ সাধে সময়েহে ক'ব। হিমা বিখ্যাত হোৱাৰ আগতে তেওঁৰ অনুশীলনৰ বাবে সুবিধাবোৰ পাইছেনে, দেহা শক্তিশালী কৰি ৰাখিবৰ বাবে পৰ্যাপ্ত পৰিমানে খোৱা-বোৱা পাইছেনে নাই সেইবোৰৰ বিষয়ে দুই- একত বাদে হয়তো কোনেও নাজানিছিল। আমাৰ দৃষ্টিত সেইসকলে হিমাক বৰঞ্চ বিশ্বৰ সৰ্বশ্ৰেষ্ঠ প্ৰশিক্ষণৰ বাবে যলৈ যাব লাগে তালৈ। পঠিয়াই তেওঁৰ সকলো ধৰণৰ খৰচ বহন কৰি বাকী টকাখিনি আৰু দুই- এজনী নতুন ‘হিমা’ৰ সন্ধানত ব্যয় কৰিব পাৰিলেহেঁতেন। কম বয়সতে হোৱা আৰ্থিক প্ৰাচুৰ্যই সাধনাৰ ক্ষেত্ৰত হেঙাৰ হিচাপেও থিয় দিব পাৰে। আমাৰ দৃঢ় বিশ্বাস success has many fathers, failure is an orphan, অৰ্থাৎ কৃতকাৰ্যজনৰ বহুতো দেউতাক থাকে কিন্তু অকৃতকাৰ্যজন ঘাত মাউৰা কথাষাৰ হিমাই মনত ৰাখিব। লগতে তেওঁ এই কথাটোও মনত ৰাখিব লাগে যে শিখৰত আৰোহণ কৰা যিমান টান, এক বিশেষ সময়ৰ বাবে তাক বৰ্তাই ৰখা তাতোকৈ টান।

ভাৰতবৰ্ষ এখন উপমহাদেশ আৰু ইয়াৰ বিভিন্ন অঞ্চলৰ মানুহৰ কিছু বিশেষ ক্ষেত্ৰত কিছুমান স্বাভাৱিক দক্ষতা দেখা যায়। আমাৰ দৃষ্টিত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীৰ সাহিত্য, সংগীত, নাটক, বাহ- বেত, বোৱা-কটা আদিৰ কাম আৰু লগতে কিছুমান বিশেষ খেলা যেনে-ধনুকাড়

মৰা (আদিবাসী আৰু দুই-এক জনগোষ্ঠীৰ ক্ষেত্ৰত), ফুটবল খেলা আদিত ‘স্বাভাৱিক দক্ষতা' আছে। কিন্তু তেওঁলোকৰ এই ‘স্বাভাৱিক দক্ষতা'ক আগুৱাই নিবলৈ প্ৰণালীবদ্ধ শিক্ষা প্ৰতিষ্ঠানৰ অভাৱ বাৰুকৈয়ে দেখা যায়। আমাৰ দৃষ্টিত অকল বিজ্ঞান, বাণিজ্য, কলাৰ বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়েই শিক্ষানুষ্ঠান নহয়। উপৰোক্ত ‘স্বাভাৱিক দক্ষতা’বোৰৰ স্ফূৰণ ঘটাবলৈ আৱশ্যক হোৱা[৬১] অত্যাধুনিক অনুষ্ঠানবোৰো শিক্ষানুষ্ঠানৰ অন্তৰ্গত হ'ব লাগে। এইখিনিতে স্বামী বিৱেকানন্দই শিক্ষা সম্পৰ্কে আগবঢ়োৱা আমাৰ অতি প্ৰিয় উক্তি এষাৰিও মনলৈ আহিছে— Education is the mani- festation of the perfection already in man. অৰ্থাৎ ঈশ্বৰ প্ৰদত্ত স্বাভাৱিক দক্ষতাৰ বহিঃপ্ৰকাশৰ বাবে যি মাধ্যমে আমাক সহায় কৰে সেয়েই প্ৰকৃত শিক্ষা। অকল শিক্ষানুষ্ঠানৰ কেইটামান উচ্চ ডিগ্ৰী থাকিলেহে যে মানুহ সুশিক্ষিত হয় তেনে আওপুৰণি ধ্যান-ধাৰণা পৰিৱৰ্তনৰ সময় সমাগত। বি.এ., এম.এ., পি.এইচ.ডি., ডাক্তৰ, ইঞ্জিনীয়াৰ আদি হোৱাৰ নিগনি দৌৰত যদি আমাৰ সকলো ছাত্ৰ-ছাত্ৰী ব্যস্ত হয় তেন্তে জাতিটোৰ উন্নতি হোৱাটো হয়তো সুদূৰপৰাহত। আমি এইটো ক'ব খোজা নাই যে উপৰোক্ত ডিগ্ৰীবোৰৰ মূল্য নাই বা আমাক নালাগে। কিন্তু কথা হৈছে নিজৰ ঈশ্বৰ প্ৰদত্ত স্বাভাৱিক দক্ষতা’ক বাদ দি সকলোৱে উপৰোক্ত ডিগ্ৰীবোৰৰ দিশে ধাৱমান হোৱাটোহে সমীচিন নহয়। আমি জনাত অসমৰ স্বনামধন্য বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱে অষ্টম শ্ৰেণীলৈকেহে পঢ়িছিল কিন্তু তেখেতৰ কাব্যপ্ৰতিভাৰ ওপৰত গৱেষণা কৰি আন বহুতে পি.এইচ. ডিগ্ৰী লাভ কৰিছে। স্বামী বিবেকানন্দৰ গুৰু ৰামকৃষ্ণ পৰমহংসও কোনো ডিগ্ৰীধাৰী নাছিল। স্বামী বিবেকানন্দই কৈছিল— যি শিক্ষাই এজন মানুহক নিজৰ ভৰিত থিয় দিবলৈ সহায় নকৰে, সৎ ভাবে জীয়াই থাকি নিজৰ তথা দেশৰ উন্নতি, সুনামৰ বাবে বৰঙণি যোগোৱাত সহায় নকৰে সেই শিক্ষা প্ৰকৃত শিক্ষা হ’বই নোৱাৰে।

এই কথাত আমাৰ তিলমানো সন্দেহ নাই যে উচ্চ ডিগ্ৰীধাৰী তৰল। মানসিকতাৰ শিক্ষিততকৈ কম ডিগ্ৰীধাৰী সুশিক্ষিত ব্যক্তিৰ সংখ্যা যিমানেই বাঢ়ে দেশ আৰু জাতিৰ বাবে সিমানেই মঙ্গল।

বহু ক্ষেত্ৰত ভিতৰুৱা অঞ্চলৰ যুৱক-যুৱতীয়ে বিভিন্ন সা-সুবিধাৰ অভাৱৰ বাবে হা-হুমুনিয়াহ কাঢ়ি বহি থকা দেখা যায় আৰু কেতিয়াবা ই তেওঁলোকক কিছু অসামাজিক কৰ্মৰ দিশেও আগবঢ়াই নিয়ে। পিছপৰা অঞ্চলসমূহৰ উন্নতিৰ বাবে নিৰন্তৰ প্ৰয়াস কৰাটো চৰকাৰৰ নিশ্চয়কৈ এক আৱশ্যকীয় কৰ্তব্য। কিন্তু সেই অনগ্ৰসৰতাই ছাত্ৰ-ছাত্ৰীক হতাশাগ্ৰস্ত কৰিব পাৰিব নালাগে। কেতিয়াবা সেই অনগ্ৰসৰতাই[৬২] ‘অভিশাপ’ৰ সলনি ‘আশীৰ্বাদ’হে হ'ব পাৰে কাৰণ সেই ঠাইবোৰত মনঃসংযোগ বিচ্ছিন্ন কৰিব পৰা আজিকালিৰ বিভিন্ন আধুনিক সৰঞ্জাম তথা ব্যৱস্থাৰ পৰা তেওঁলোক এক নিৰাপদ দূৰত্বত অৱস্থিত যত সাধনাৰ বাবে এক অনুকূল পৰিৱেশ বিদ্যমান। প্ৰাচীন কালত ঋষি-মুনিসকলে সাধনাৰ বাবে তেনে ঠাইকেই বাছি লৈছিল। আমাৰ দৃষ্টিত ‘নাই-নাই’ৰ মাজত কি ‘আছে’ সেইটো বাছি উলিয়াই তাৰ সঠিক প্ৰয়োগ কৰিব পৰাটোও প্ৰকৃত শিক্ষাৰেই এক অংগ। আমাৰ আজিৰ এই লিখনিৰ নায়িকা হিমাই তাকেই অতি সুন্দৰকৈ কৰি আমাক দেখুৱাইছে।

আমাৰ এক দৃঢ় বিশ্বাস পদুম ফুল যিদৰে বোকাতেই ফুলে সেইদৰে আৰু নতুন নতুন ‘হিমা’ এই অনগ্ৰসৰ ঠাইবোৰৰ পৰাই ভৱিষ্যতে ওলাই অহাৰ সম্ভাৱনাই অধিক।□

**Fashion Design**

**All India Entrance Examination for Design (AIEED)**

**Purpose**-Admission in 4 years UG level programmes in Design
**Eligibility**-Class 11, 12
**Apply**- Online
**Activity**- Series 1: November to February,
Series 2: April, May
**Source:** www.aieed.com

**Design Schools and Exams:**

| | | |
|---|---|---|
| 1 | Srishti School | http://srishti.ac.in/ |
| 2 | School of Fashion Technology | www.softpune.com/ |
| 3 | Pearl Academy | http://pearlacademy.com |
| 4 | Symbiosis Institute of Design | http://sid.edu.in/ |
| 5 | Footwear Design and Development Institute | www.fddiindia.com/ |
| 6 | Maeer's MIT Institute of Design | www.mitid.edu.in/ |
| 7 | National Institute of Design | www.nid.edu/ |
| 8 | National Institute of Fashion Design | www.nift.ac.in/ |
| 9 | National Aptitude Test in Architecture | www.nata.in |
| 10 | Center for Environmental Planning and Technology (CEPT) | www.cept.ac.in/ |

[ ৬৩ ]

# ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ যোগাব পৰা এজন অসমীয়া ছাত্ৰৰ কথা

এষাৰ কথা আছে— উপদেশতকৈ আৰ্হি ভাল। কথাষাৰ নিশ্চয় সঁচা। কাৰণ একোটা আহিয়ে আমাক অনুপ্ৰাণিত কৰিব পাৰে। তাতে যদি আৰ্হিটো আমাৰ প্ৰচলিত সমাজ ব্যৱস্থাৰেই আৰু আমাৰ ভৌগোলিক অৱস্থানৰ পৰাই হয় তেতিয়া সোণত সুৱগা চৰে।

উদাহৰণ স্বৰূপে ক'ব পাৰি যে ভাৰতীয় ক্ৰিকেট দলত আগতে ভাল 'ফাষ্ট বলাৰ' নাছিল। বহুতে কৈছিল, ভাৰতীয় পৰিৱেশ, খাদ্যাভাসৰ মাজত তে বলাৰ ওলোৱাটো সম্ভৱ নহয়। কিন্তু যেতিয়া কপিলদেৱে আহি দেখুৱালে যে আমাৰ তেনে ধাৰণা ভুল আৰু গোটেই বিশ্বই যেতিয়া তেওঁক এজন উৎকৃষ্টমানৰ ফাষ্ট বলাৰ হিচাপে স্বীকৃতি দিলে তেতিয়াৰে পৰা ভাৰতত নতুন নতুন বিশ্বমানৰ ফাষ্ট বলাৰ'ৰ আবিৰ্ভাৱ হ'ল। অৰ্থাৎ এটা আৰ্হিয়ে আমাৰ এক ঋণাত্মক পৰম্পৰাৰ অৱসান ঘটালে।

আমাৰ এই লিখনিৰ উদ্দেশ্যও সেয়ে তেনে এজন ছাত্ৰৰ বিষয়ে আমাৰ ছাত্ৰ-ছাত্ৰীক জনোৱা যি আমাৰ পৰিৱেশতে, আমাৰ বিদ্যালয়, বিশ্ববিদ্যালয়তে পঢ়ি গৈ বৰ্তমান নিজকে সুপ্ৰতিষ্ঠিত কৰিছে। আমাৰ আশা তেওঁৰ আৰ্হিয়ে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰিব আৰু জীৱনত নিজকে প্ৰতিষ্ঠিত কৰাত সহায় কৰিব।

[৬৪] আমাৰ আলোচনাৰ ছাত্ৰজন হৈছে ড° বিদ্যুৎ বিকাশ শৰ্মা। তেওঁ বৰ্তমান জাৰ্মানীৰ 'মাক্স প্লাংক' প্ৰতিষ্ঠানৰ 'পষ্ট ডক্টৰেল' গৱেষণাৰ লগত জড়িত। তেওঁৰ গৱেষণাৰ বিষয় হৈছে 'ৰিণিৱেবল এনাৰ্জি' অৰ্থাৎ শক্তিৰ পুনৰ্নবীকৰণ। তেওঁ ২০১৬ চনত ইজৰাইলৰ 'ৱাইজমেন ইন্সটিটিউট'ৰ পৰা গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰি জাৰ্মানীলৈ যায়। ছাত্ৰ- ছাত্ৰীসকলে জানি সুখী হ'ব যে বিদ্যুতে ইতিমধ্যে জাৰ্মান চৰকাৰে আগবঢ়োৱা অতি সন্মানীয় 'হামবল্ট' ফেলশ্বিপ পাই বৰ্তমান তাত গৱেষণাত ৰত হৈ আছে।

ছাত্ৰ-ছাত্ৰীসকলে বিদ্যুতৰ বাল্যকাল, শিক্ষা জীৱনৰ বিষয়ে জানিলে। নিশ্চয় অনুপ্ৰাণিত হ'ব।

তেওঁ গুৱাহাটীৰ জাপৰীগোগ নিবাসী স্বৰ্গীয় নলিনী কুমাৰ শৰ্মা আৰু শ্ৰচাৰু দেৱীৰ জ্যেষ্ঠ পুত্ৰ। দুখীয়া হোৱা বাবে দেউতাকে সমতলত ঘৰ সাজিব নোৱাৰি পাহাৰতে বাসগৃহ সাজিছিল। অসম চৰকাৰৰ কৃষি বিভাগৰ নিম্নবৰ্গৰ চাকৰিয়াল পিতৃক বিদ্যুতে সপ্তম শ্ৰেণীত পঢ়ি থাকোতেই হেৰুৱাবলগীয়া হয়, এক দুৰ্ঘটনাৰ বাবে।

পিতৃৰ অৰ্থনৈতিক অৱস্থা ভাল নোহোৱা বাবে নলবাৰীস্থিত মামাকহঁতে বিদ্যুতক নলবাৰীলৈ নি তাতেই শংকৰদেৱৰ বিদ্যা নিকেটন। স্কুলত নাম লগাই দিয়ে। মাক আৰু সৰু ভায়েক দিগন্ত গুৱাহাটীত থাকিল। অদৃষ্টৰ পৰা পোৱা দুখক লৈ হা-হুমুনিয়াহ কাঢ়ি নাথাকি বিদ্যুতে একান্তমনে পঢ়াত মন দি শংকৰদেৱ বিদ্যা নিকেটনৰ পৰা 'মেট্ৰিক' পৰীক্ষা পাছ কৰে ষ্টাৰ মাৰ্ক সহ ২০০৪ চনত।

তাৰ দুবছৰ পিছত নলবাৰী কলেজৰ পৰা তেওঁ সুখ্যাতিৰে উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ পৰীক্ষা পাছ কৰি গুৱাহাটীৰ বি. বৰুৱা মহাবিদ্যালয়ত ৰসায়ন বিজ্ঞানক মূল বিষয় হিচাপে লৈ বি.এছ.চি. শাখাত নামভৰ্তি কৰে।

বিদ্যুতৰ এক চকুত পৰা উল্লেখযোগ্য দিশ হৈছে—পঢ়া-শুনাৰ লগতে খেলা ধূলাতো তেওঁ সমানে ভাগ লয় কিন্তু অবাবত সময় নষ্ট নকৰে। যিটো সময়ত যিটো কৰে তাকেই অতি মনপুতি কৰে। [৬৫] তাৰ ফলস্বৰূপে তেওঁ বি.এছ.চি. পৰীক্ষাত ৰসায়ন বিজ্ঞান বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰি প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। জীৱনৰ প্ৰতি থকা ধনাত্মক দৃষ্টিভংগী তথা সাধনাই তেওঁৰ সফলতাৰ মূল কাৰণ বুলি ভাবো। এইখিনিতে এইটো কথা উনুকিয়াই থোৱা দৰকাৰ বুলি ভাবিলো—বিদ্যুৎ অসমীয়া মাধ্যমৰ স্কুলৰ পৰা অহা ছাত্ৰ।

বি.এছ.চি. পাছ কৰাৰ পিছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগত এম.এছ.চি.ৰ ছাত্ৰ হিচাপে নামভৰ্তি কৰে আৰু দুবছৰ পিছত তাৰ পৰাও প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি এম.এছ.চি. পৰীক্ষাত উত্তীৰ্ণ হয়। এম.এছ.চি. পাছ কৰাৰ পিছত বিদ্যুতে NET (National Eligibility Test) পৰীক্ষাত উত্তীৰ্ণ হৈ JRF (Junior Research Fellow) হয় আৰু লগতে IISc. (Indian Institute of Science, Bengalore), আৰু কেইবাখনো IIT

(Indian Institute of Technology) ৰ প্ৰৱেশিকা পৰীক্ষাত উত্তীর্ণ হৈ সেইবোৰত Ph.D কৰাৰ যোগ্যতা আহৰণ কৰে।

আন আন ছাত্ৰ-ছাত্ৰী প্ৰায়ভাগৰে ক্ষেত্ৰত চকুত নপৰা বিদ্যুতৰ এটা গুণ দেখা পাইছিলো যে তেওঁ অবাবত সময় নষ্ট নকৰে। সেয়ে বিশ্ববিদ্যালয়ৰ এমহীয়া গৰম বন্ধ নাইবা অন্য 'চিমেষ্টাৰ ব্ৰেক'বোৰত অন্য প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে যেতিয়া ঘূৰি ফুৰে, স্ফুর্তি কৰে তেতিয়া তেওঁ গৈছিল ভাৰতৰে কিছুমান বিখ্যাত অনুষ্ঠানত হ্ৰস্বম্যাদী কৰ্ছ কৰিবলৈ। এইবোৰৰ জৰিয়তে বিদ্যুতৰ পৰিচয় ঘটিছিল কিছুমান স্বনামধন্য অধ্যাপক, গৱেষকৰ সৈতে আৰু লগতে তেওঁ সেই অনুষ্ঠানবোৰত চলি থকা গৱেষণাৰ পৰিৱেশ সম্পৰ্কেও এক আভাস আহৰণ কৰিব পাৰিছিল।

গৱেষণাৰ বাবে কোনটো অনুষ্ঠানত যোগদান কৰিব ভাবি থাকোতেই বিদ্যুতৰ জীৱনত ঘটিল এক অভাৱনীয় তথা অপ্ৰত্যাশিত ঘটনা। তেওঁলৈ এটা 'মেইল' আহিল ইজৰাইলৰ 'ৱাইজমেন ইন্সটিটিউট'ৰ পৰা।'মেইল'ত লিখা আছিল যে বিদ্যুতে যদি তেওঁলোকৰ Ph.D 'গেম'ৰ বাবে ইচ্ছুক তেন্তে তেওঁ 'ভিডিঅ কনফাৰেঞ্চিঙ'ৰ মাধ্যমেৰে এটা 'ইণ্টাৰভিউ' দিব লাগে।

ঘটনাটো এইবাবেই অভাৱনীয় তথা অপ্ৰত্যাশিত বুলি কোৱা হৈছে। কাৰণ বিদ্যুতে তেওঁলোকলৈ কোনো আবেদনপত্ৰ পঠোৱা নাছিল আৰু

অনুষ্ঠানটো আছিল সমগ্ৰ পৃথিৱীৰেই এক আগশাৰীৰ শিক্ষানুষ্ঠান।

যি হওক বিদ্যুতে গুৱাহাটীৰ পৰাই ভিডিঅ কনফাৰেঞ্চিঙৰ জৰিয়তে তেওঁলোকৰ ইণ্টাৰভিউত অৱতীর্ণ হ'ল আৰু অনুষ্ঠানটোৱেও পূর্ণ জলপানীৰ সৈতে বিদ্যুতক আমন্ত্ৰণ জনালে তেওঁলোকৰ অনুষ্ঠানত যোগদানৰ বাবে।

অসমীয়া মাধ্যমত পঢ়ি অসমতে শিক্ষা গ্ৰহণ কৰা বিদ্যুতে ২০১৬ চনত সেই বিখ্যাত অনুষ্ঠানৰ পৰা পি.এইচ.ডি. ডিগ্ৰী লাভ কৰে অধ্যাপক ড° ৰনী নিউমেনৰ তৎত্বাৱধানত গৱেষণা কৰি। গৱেষণাৰ সময়তে বিদ্যুতে। পৃথিৱীৰ প্ৰায়বোৰ উন্নত দেশৰ আগশাৰীৰ শিক্ষানুষ্ঠানে পতা 'কনফাৰেঞ্চ'ত গৈ নিজৰ গৱেষণা পত্ৰ পাঠ কৰে।

কেইবছৰমান আগতে ইউৰোপৰ এখন দেশত পৃথিৱীৰ কেইবাজনো ৰসায়ন বিজ্ঞানত ন'বেল বঁটাৰে বিভূষিত বৈজ্ঞানিক লগ হয় তেওঁলোকৰ গৱেষণালব্ধ জ্ঞানৰ আদান প্ৰদানৰ বাবে। আমাৰ বাবে বৰ সুখৰ আৰু গৌৰৱৰ কথা যে বিদ্যুতেও তেওঁৰ গৱেষক 'গাইডৰ অনুগ্ৰহত তাত উপস্থিত থাকি সেইসকল বৈজ্ঞানিকৰ লগত কথা পতাৰ সুযোগ পায়।

ইজৰাইলৰ 'ৱাইজমেন ইন্সটিটিউট'ত Ph.D সম্পূর্ণ কৰা বিদ্যুতৰ জীৱনত আগতে উল্লেখ কৰা অভাৱনীয় তথা অপ্ৰত্যাশিত ঘটনাটো কেনেকৈ ঘটিছিল সেই কথাটো জানিবলৈ নিশ্চয় বহুতো ছাত্ৰ-ছাত্ৰীৰ মনত ইচ্ছা জাগিব।

ঘটনাটো এনেধৰণৰ আগতেই উল্লেখ কৰা হৈছে যে গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি থকা কালতে বিদুযতে ভাৰতৰে কেইখনমান বিখ্যাত শৈক্ষিক প্ৰতিষ্ঠানত হ্ৰস্বকালীন কৰ্ঘ কৰিছিল।

তেনে এখন শৈক্ষিক প্ৰতিষ্ঠানৰ এজন বিখ্যাত অধ্যাপকৰ বন্ধুত্ব আছিল ইজৰাইলৰ ৱাইজমেন ইন্সটিটিউট'ৰ অধ্যাপক ড° ৰনী নিউমেনৰ লগত। তেৱেঁই ইজৰাইলৰ অধ্যাপক বিদুযতৰ ই মেইলৰ যোগান ধৰি আমন্ত্ৰণ দিয়াইছিল। সেয়ে বিদুযতে কোনো ধৰণৰ আবেদন পত্ৰ জমা নিদিয়াকৈ তেনে এক আমন্ত্ৰণ লাভ কৰিছিল।

বৰ্তমান ২৯/৩০ বছৰীয়া বিদুযতে আৰু ২/৩ বছৰলৈ 'পষ্ট ডক্টৰেল' গৱেষণাত নিয়োজিত থাকিব। [৬৭] ইজৰাইল নাইবা জাৰ্মানীৰ পৰা গুৱাহাটীলৈ আহিলে বিদুযতে আমাৰ ঘৰলৈ এটা পাক মাৰে। কথাবাৰ্তাৰ মাজতে বিদুযতে কোৱা দুটা বিশেষ কথা পাঠক সমাজলৈ আগবঢ়ালো।

প্ৰথমবাৰ 'ৱাইজমেন ইন্সটিটিউট'ত থকা কালত কোৱা কথাটো হৈছে যে তাৰ গৱেষকসকলে অকল ডিগ্ৰী এটাৰ কাৰণে গৱেষণা নকৰে। গৱেষণা তেওঁলোকৰ বাবে এক সাধনা, এক নিচা, অন্তহীন কৌতূহল নিবাৰণৰ এক মাধ্যম। উদাহৰণ স্বৰূপে তেওঁ কৈছিল তেওঁৰ গাইডে ৰাতিপুৱা ৮ বজাৰ পৰা ৰাতি ১১ মান বজালৈ অনুষ্ঠানটোত থাকি কাম কৰে। মনে মনে এটা কথাই ভাবিছিলো সেই কাৰণেই তেওঁলোকে ন'বেল। প্ৰাইজ পাবলৈ সক্ষম হয়।

আজি দুমাহমান আগতে বিদুযৎ আহোতে সুধিছিলো কোৱাচোন জাৰ্মানীৰ শিক্ষা ব্যৱস্থা আৰু আমাৰ শিক্ষা ব্যৱস্থাৰ পাৰ্থক্য।

অতি বিনয়েৰে বিদুযতে সংক্ষেপে যি কথা ক'লে আমাৰ শিক্ষা বিষয়ৰ কাণ্ডাৰীসকলে বৰ মন কৰিবলগীয়া। তেওঁ ক'লে যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা যদিও তেওঁ বি.এছ.চি., এম.এছ.চি. দুয়োটা পৰীক্ষাতে প্ৰথম হ'লগুৱাহাটী ৰিফাইনেৰীত কি হৈ আছে সেয়া তেওঁ গম নাপালে অৰ্থাৎ তেওঁ শিকা জ্ঞান ক'ত কেনেকৈ সমাজৰ উন্নতিৰ বাবে প্ৰয়োগ হৈ আছে তাৰ উৱাদিহ নাপালে। তেওঁ নিজেও জানিবলৈ আগ্ৰহী নহ'ল আৰু শিক্ষা ব্যৱস্থায়ো তেওঁক তাৰ বাবে বাধ্য নকৰালে। উন্নত দেশবোৰত কিন্তু তেনে নহয়। কথাষাৰ বৰ মন কৰিবলগীয়া।

বিদুযতৰ নেৰানেপেৰা আমন্ত্ৰণৰ বাবে ২০১৮ চনৰ জুলাই মাহত মই পত্নী স্মৃতিৰেখা দেৱী, দুই পুত্ৰ প্ৰজ্ঞান, প্ৰদীপ্ত; বিদুযতৰ ভায়েক দিগন্ত আৰু মোমায়েক প্ৰমোদৰ সৈতে জাৰ্মানীলৈ গৈছিলোঁ। ফ্ৰেংকফোৰ্ট বিমান বন্দৰত আমাক আদৰণি জনোৱাৰ পৰা প্ৰায় ১৫ দিন আমাৰ লগত থাকি জাৰ্মানীৰ মূলহেই, ডুছবাৰ্গ, কল'ন, ডচেলডৰ্ফ, নেডাৰলেণ্ডৰ আমষ্টাৰডাম, উট্ৰেখ; বেলজিয়ামৰ ছেলছ আৰু ফ্ৰাঞ্চৰ পেৰিছ ঘূৰাই পেৰিছৰ বিমানবন্দৰৰ পৰা বিদুযতে বিদায় লয় আমাৰ পৰা।

এই কালছোৱাৰ মাজতে বিদুযতক এদিন সুধিছিলোঁ—তুমি যে এইকেইদিন আমাৰ লগত ঘূৰি-ফুৰি[৬৮] আছা, তোমাৰ কাম কৰা অনুষ্ঠানৰ পৰা আপত্তি হোৱা নাইতো? বিদুযতে ক'লে—এওঁলোকে গৱেষণা কৰি থকাসকলৰ মানসিক অৱস্থাৰ ওপৰত নজৰ ৰাখে আৰু কোনোবাই দিন- ৰাতি একাকাৰ

কৰি বহুদিন কাম কৰিলে মানসিক অৱস্থাৰ খবৰ লয় কাউন্সেলিঙৰ জৰিয়তে, কাৰণ কোনোবাই কেতিয়াবা মানসিক ভাৰসাম্যতা হেৰুৱাব পাৰে। যিহেতু বিদ্যুতে তাত শনি-দেও সকলোবোৰ বাৰতেই প্ৰায়েই কাম কৰে সেয়ে তেওঁ ১৫ দিনৰ ছুটী বিচৰাত তেওঁৰ ওপৰৱালাই বেয়া পোৱাৰ সলনি ভালেই পাইছে। মনে মনে ভাবিলোঁ— উন্নত দেশ, উন্নত চিন্তা।

প্ৰতিযোগিতামূলক পৃথিৱীখনত আজি সকলোৱে আনজনক হৰুৱাব বিচাৰে নিজৰ ক্ষেত্ৰখনত। কিন্তু তাতো দুটা বিৰল প্ৰজাতি আছে যি বিশেষ ক্ষেত্ৰত পৰাজিত হৈহে আনন্দ পায়। প্ৰথম প্ৰজাতিটো হৈছে মাক- দেউতাক, যি নিজৰ সন্তানৰ ওচৰত পৰাজিত হ'বলৈ পালে আনন্দিত হয়। দ্বিতীয় প্ৰজাতিটো হৈছে যিসকল সঁচা অৰ্থত শিক্ষক। এজন সঁচা শিক্ষকে তেওঁৰ ছাত্ৰ বা ছাত্ৰীগৰাকী তেওঁতকৈও ওপৰলৈ উধালে এক অনাবিল আনন্দ লাভ কৰে।

বিদ্যুৎ মোৰ প্ৰত্যক্ষ ছাত্ৰ নহয় কাৰণ তেওঁৰ বিচৰণভূমি ৰসায়ন বিজ্ঞান আৰু মোৰ হৈছে গণিত শাস্ত্ৰ। তথাপি তেওঁ মোক 'ছাৰ' বুলিয়েই সম্বোধন কৰে। শিক্ষাগত দিশত বিদ্যুতে আমাক চেৰাই বহু ওপৰলৈ গৈছে। আৰু শিক্ষক হিচাপে সেয়ে আমি যথেষ্ট আনন্দিত। ভগৱানে তেওঁক আৰু ওপৰলৈ নিয়ক, সেয়ে আমাৰ কামনা। ❑




[ ৬৯ ]

# আমাৰ মা হিৰন্ময়ী দেৱী সম্পৰ্কে দুআষাৰ

ভাৰতবৰ্ষতেই জন্মগ্ৰহণ কৰা বিখ্যাত ব্ৰিটিছ নাগৰিক তথা একেধাৰে কবি, ঔপন্যাসিক, সাংবাদিক ৰুডিয়াৰ্ড কিপলিঙে কৈছিল—“God could not be everywhere, and therefore he created mothers.” যিকোনো মানুহে হয়তো নিজৰ জীৱনত মাকৰ ত্যাগ, অৰিহণা, প্ৰভাৱ আদিৰ বিষয়ে ৰোমন্থন কৰিলে কিপলিঙৰ কথাষাৰিৰ সত্যতা অনুভৱ কৰিব।

সুখ্যাত লেখিকা ড° অনিমা গুহই এঠাইত লিখিছিল—“হিৰন্ময়ী দেৱী জীৱন যুদ্ধত বিজয়িনী এগৰাকী সফল নাৰী। অসাধাৰণ মেধাবী, কষ্টসহিষ্ণু, পৰিশ্ৰমী আৰু দৃঢ়প্ৰতিজ্ঞ নহ'লে প্ৰতিকূল অৱস্থাৰ মাজেদি গৈ জীৱনত কোনেও সফলতা লাভ কৰিব নোৱাৰে। তদুপৰি তেওঁৰ জীৱনত আছিল এটা লক্ষ্য। মহাকবি কালিদাসে ‘কুমাৰ সম্ভৱত প্ৰকাশ কৰা এটা শ্লোকৰ উদ্ধৃতি দি তেওঁ কৈছে যে এটা লক্ষ্য স্থিৰ কৰা মন আৰু নামনিলৈ বৈ যোৱা পানীক কোনেও বাধা দি ৰাখিব নোৱাৰে। হিৰন্ময়ী দেৱীৰ সফল জীৱনে এই শ্লোকটিৰ সত্যতা প্ৰমাণ কৰিছে।” সেই একে লিখনিৰে অন্য এঠাইত ড° গুহই লিখিছে—“হিৰন্ময়ী দেৱীলৈ অনুৰোধ, জীৱনৰ খলা-বমা পথ অতিক্ৰম কৰি কেনেকৈ তেওঁ সফলতাৰ উচ্চ [৭০] শিখৰলৈ আৰোহণ কৰিলে সেই বিষয়ে আমাক অৱগত কৰিবলৈ যেন আত্মজীৱনী এখন লিখে। ই নৱপ্ৰজন্মৰ বাবে হ’ব এক অনুপ্ৰেৰণা।” মাৰ বিষয়ে কিছু কথা লিখাৰ কাৰণ সেইটোৱেই।

দুখৰ বিষয় যে তেনে এখন আত্মজীৱনী মাৰ লিখা নহ’ল। অৱশ্যে ২০১৫ চনত আমি সম্পাদনা কৰা ‘হিৰন্ময়ী দেৱী ৰচনা সমগ্ৰ' যিখন কিতাপত মায়ে লিখা সৰু-বৰ ৩০ খন কিতাপ সন্নিৱিষ্ট কৰা হৈছে, সেইখন কিতাপৰ নিজৰ বিষয়ে কিছু কথা’ শিতানত তাৰ কিছু আভাস আছে। অন্য এগৰাকী সুলেখিকা মাইনী মহন্তয়ো মাৰ সম্পৰ্কে লিখিছে— “উজুটি নোখোৱা বাট এটাৰে বিজয় সাব্যস্ত কৰাটো জয়ৰ শাৰীত নাম গোটোৱাৰ দৰে এক গতানুগতিক উদাহৰণ বুলি ক'লেও একো অস্বাভাৱিকতা

নাথাকে, কিন্তু একা-বেঁকা বাটেৰে খুন্দা খাই হ'লেও নদীৰ দৰে প্ৰবহমান ইচ্ছাক বোৱাই জয়ৰ নিচান উৰুৱাটো এক দুৰ্দান্ত বিজয়।

নিজৰ মাৰ ওপৰত মই লিখিলে হয়তো পক্ষপাতমূলক হ'ব পাৰে। সেয়ে লিখিবলৈ বহি ঠিক কৰিলোঁ যে মধ্যমীয়া পথ এটা অৱলম্বন কৰাই ভাল হ'ব। মাৰ নিজৰ বাল্যকাল তথা ছাত্ৰী জীৱনৰ কথাখিনি মাৰ লিখনিৰ পৰাই ধাৰ কৰাৰ লগতে মোৰ দৃষ্টিত মাৰ কিছু কথা আৰু আন বেছিভাগ— বিশেষকৈ মাৰ সাহিত্য কৃতিৰ বিষয়ে অন্যান্য লব্ধপ্ৰতিষ্ঠসকলে কি কৈছে তাকে গোটাই মেলি লিখাই ভাল হ'ব। পক্ষপাতমূলক হোৱাৰ দোষৰ পৰাও মুক্ত হৈ থাকিব পাৰিম।

আমাৰ মা হিৰন্ময়ী দেৱীৰ জন্ম হৈছিল নগাঁও চহৰত, ১৯৩৩ চনত। পিতৃৰ নাম আছিল তিলক চন্দ্ৰ শৰ্মা আৰু মাতৃ সাবিত্ৰী বালা দেৱী। পৰিয়ালৰ ছয় সন্তানৰ মাজত একমাত্ৰ কন্যা সন্তান। চাকৰি সূত্ৰে ককা গুৱাহাটীলৈ বদলি হোৱাত মায়েও ছয় বছৰ বয়সৰ পৰাই গুৱাহাটীৰ বাসিন্দা হয় অৰ্থাৎ ১৯৩৯ চনৰ পৰা। প্ৰাথমিক শিক্ষা ছাত্ৰীবাৰীৰ মিছন। স্কুলৰ পৰা। হাইস্কুলীয়া জীৱন আৰম্ভ হৈছিল গুৱাহাটীৰ পাণবজাৰ ছোৱালী হাইস্কুলত। উল্লেখযোগ্য যে সেই কালত গুৱাহাটীত সেইখনেই একমাত্ৰ ছোৱালী হাইস্কুল আছিল। সেই স্কুলৰ অষ্টম শ্ৰেণীৰ বাৰ্ষিক পৰীক্ষা দিয়াৰ পিছত মাৰ বিয়া হৈছিল। বৰ্তমান সময়ৰ বাবে এক অভাৱনীয় ঘটনা। আমাৰ পিতৃ স্বৰ্গীয় ৰতিকান্ত শৰ্মা আছিল কামৰূপ জিলাৰ[৭১] হাজো মহকুমাৰ মহকুছি নামৰ এখন গাঁৱৰ খুব সম্ভৱতঃ প্ৰথম ডিগ্ৰীধাৰী। অৱশ্যে দেউতায়ো গুৱাহাটীৰ উজানবজাৰৰ সেই সময়ৰ বিখ্যাত গোস্বামী পৰিয়ালৰ তত্বাৱধানত থাকিয়েই হাইস্কুলীয়া তথা কলেজীয়া শিক্ষা গ্ৰহণ কৰি চাকৰিত সোমাইছিল।

বিবাহৰ পিছৰ ছাত্ৰী তথা সাংসাৰিক জীৱনৰ কিছু কথা মাৰ লিখনিৰ পৰাই তলত তুলি দিলো।

“বিয়াৰ পিছদিনা দোকমোকালিতে ব্ৰহ্মপুত্ৰ নদী ফেৰীৰে পাৰ কৰাই সিপাৰত ৰৈ থকা ছৈ দিয়া ম'হৰ গাড়ীত তুলি শহুৰৰ ঘৰ গছকাবলৈ নিয়া কথাটো আজিও মনত পৰে। সৰুতে বিয়া দিয়া হৈছিল যদিও ঈশ্বৰৰ একপ্ৰকাৰ অনুগ্ৰহ বুলিয়েই ক'ব লাগিব যে দশম শ্ৰেণীলৈ প্ৰমোচন পোৱাৰ পিছতহে মই সংসাৰ কৰাৰ বাবে উপযুক্ত হৈছিলো। ১৯৪৮ চনত গুৱাহাটীত নকৈ স্থাপিত হোৱা উচ্চ ন্যায়ালয়ত কমিছৰ অফিচৰ কিছুসংখ্যক কৰ্মচাৰীক নিযুক্তি দিয়া হৈছিল। সেইসকলৰ এজন হিচাপে মোৰ স্বামীয়েও হাইকোৰ্টত নিযুক্তি লাভ কৰি প্ৰশিক্ষণৰ বাবে কলিকতালৈ যাবলগীয়া হোৱাত মই মেট্ৰিক পৰীক্ষা দিয়াৰ সময়লৈকে পিতৃগৃহতে থকাৰ সুবিধা পাইছিলো।

পৰীক্ষা শেষ হোৱাৰ কেইদিনমান পিছতে মোক গাঁৱলৈ নি শহুৰৰ ঘৰত ধৰ্মীয় আনুষ্ঠানিকতা পালন কৰাৰ অন্তত মোক তাতে থৈ অহা হ'ল। স্বামীয়ে সপ্তাহটোৰ শেষত শনিবাৰে ঘৰলৈ যায় আৰু সোমবাৰে পুৱাতে গুৱাহাটীলৈ উভতি আহে। গাঁৱৰ ভাষা, নীতি-নিয়ম আদি নজনাৰ বাবে পোনতে কিছু অসুবিধা হৈছিল যদিও পিছলৈ কথাবোৰ মোৰ বাবে সহজ হৈ পৰিছিল। গাঁৱলীয়া গৃহস্থীৰ কামবোৰ শিকি-বুজি লৈ সকলোৰে লগত মিলিজুলি, হাঁহি-মাতি চলিছিলো বাবে পৰিয়ালৰ আটাইৰে মৰম-চেনেহ পাবলৈ সক্ষম হৈছিলো। চহৰত ডাঙৰ হোৱা ছোৱালী বুলিয়েই গাঁৱলীয়া গৃহস্থীৰ বেছি কষ্টকৰ কামবোৰৰ পৰা মোক ৰেহাই দিয়া হৈছিল।

কেইমাহমানৰ পিছৰ কথা; এটা শনিবাৰে ঘৰলৈ গৈ গৃহস্থই মোক খবৰ দিলে যে ইতিমধ্যে আমাৰ মেট্ৰিক পৰীক্ষাৰ ফলাফল বাহিৰ হৈছে, মই দুটা বিষয়ত লেটাৰ নম্বৰ পাই প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ[১২] লগতে পৰীক্ষাৰ্থী সমূহ ছাত্ৰীৰ মাজত দ্বিতীয় স্থান লাভ কৰি মাহে কুৰি টকীয়া বৃত্তি লাভৰো যোগ্যতা অৰ্জন কৰিছো। খবৰটো পোৱাৰ লগে লগে মই আনন্দ লাভ কৰাৰ পৰিৱৰ্তে কান্দিবলৈ আৰম্ভ কৰিলো। পৰীক্ষাত ইমান ভাল ফলাফলৰ পিছতো যে মই পঢ়িবলৈ নেপাম সেই কথাটোৱে মোৰ বুকুখন যেন ভাঙি-ছিঙি চুৰমাৰ কৰি দিছিল। মোৰ কান্দোন শুনি পৰিয়ালৰ আটায়ে লৰি আহি মোৰ ওচৰ পালেহি আৰু কন্দাৰ কাৰণ সুধিলে। গৃহস্থই কথাষাৰ বুজাই দিয়াত তেওঁলোকৰ মুখৰ মাত হৰিল।

কিন্তু মোৰ সেইদিনাৰ কান্দোনে পৰিয়ালটোক কিছু চিন্তিত কৰি তুলিছিল। শাহু আয়ে কেইজনমান আত্মীয়ৰ সৈতে কথাটো আলোচনা কৰিছিল। সেই প্ৰসঙ্গতে আমাৰ এজন খুৰা-শস্ত্ৰ স্বৰ্গীয় ধৰ্মকান্ত শৰ্মাই তেখেতক কৈছিল, “পঢ়া-শুনাৰ প্ৰতি ইমান আগ্ৰহ থকা মানুহৰ যদি পঢ়া বন্ধ কৰি দিয়া হয়, তেন্তে বোৱাৰীজনীৰ মূৰটো বেয়া হৈ যাবও পাৰে। কথাষাৰ শুনি শাহুয়ে ভয় খাইছিল। ইতিমধ্যে গুৱাহাটীত স্বামীৰ বন্ধু- বান্ধৱ আৰু শুভাকাঙ্খীসকলে একমুখে মোক কলেজত নাম লগাই দিবলৈ কোৱা কথাও পুতেকৰ মুখে তেওঁ শুনিছিল। গতিকে ভাবি-চিন্তি শাহুআয়ে অৱশেষত ক'লে, “গুৱাহাটীতে সংসাৰ এখন পাতি দুয়ো একেলগে থাকি কলেজত পঢ়িব পাৰে যদি পঢ়ক, মোৰ আপত্তি নাই।” কথাষাৰ শুনি মই হাততে সৰগ পোৱা যেন পালো।

কিন্তু সমস্যা হ’ল, গুৱাহাটীত ঘৰ সাজিবলৈ পৰিয়ালটোৰ কোনো মাটি নাই; আনহাতে সেই যুগত ওপৰঞ্চি ঘৰ সাজি অন্য পৰিয়ালক ভাড়া দিয়াৰ কথা আমাৰ সমাজত প্ৰচলন হোৱাই নাছিল। ঈশ্বৰৰ কৃপাত সেই সমস্যাৰো সমাধানৰ পথ ওলাল; যিজন সদাশয় লোকৰ আশ্ৰয়ত থাকি স্বামীয়ে হাইস্কুল আৰু কলেজৰ শিক্ষা সমাপ্ত কৰি চাকৰিত সোমাইছিল সেইজন গুৱাহাটীৰ উজানবজাৰ নিবাসী মৌজাদাৰ কুমুদেশ্বৰ গোস্বামীদেৱে শিলপুখুৰী অঞ্চলত থকা তেওঁৰ বিশাল ভূ-সম্পত্তিৰ ডেৰকঠা মাটি ঘৰ সাজিবৰ বাবে স্বামীক দিবলৈ সন্মত হ’ল। গতিকে সেই মাটিডোখৰতে ঘৰ এটা সাজি থকাৰ সুবিধা পোৱা গ'ল।

১৯৫১ চনত আই.এ. পৰীক্ষাত অৱতীৰ্ণ হওঁ। শাৰীৰিক অসুস্থতাৰ বাবে মোৰ ওপৰঞ্চি বিষয় উদ্ভিদ[১৩]বিদ্যাৰ পৰীক্ষা দিয়া নহ’ল; পৰীক্ষা দিয়াৰ কেইমাহমান পিছতে মোৰ প্ৰথম সন্তানৰ জন্ম হয়। সেই উপলক্ষে শাহুআইক গাঁৱৰ পৰা আনি কেইমাহমান আমাৰ গুৱাহাটীৰ ঘৰত ৰখা হৈছিল।

আই.এ. পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ সুবাদত মোৰ কুৰিটকীয়া বৃত্তিটো বি.এ. শ্ৰেণীলৈকে অব্যাহত থাকিল; কিন্তু সমস্যা হল, কেঁচুৱা কাৰ আশ্ৰয়ত থৈ বি.এ. শ্ৰেণীৰ ক্লাছ কৰিবলৈ যাওঁ? সেই কালত আজিৰ দৰে দুখীয়া পৰিয়ালৰ ছোৱালী বা মহিলা আনৰ ঘৰত কাম কৰিবলৈ ওলাই অহা নাছিল; দুই-চাৰিটা আঢ্যৱন্ত পৰিয়ালত সেই কামৰ বাবে খাছীয়া মহিলা ৰখা হৈছিল যদিও সৰ্বসাধাৰণ পৰিয়ালৰ বাবে সেই কথা সম্ভৱ নাছিল। উপায়হীন হৈ কথাটো আলোচনা কৰিবৰ বাবে সন্দিকৈ কলেজ কৰ্তৃপক্ষৰ ওচৰ চপাত তেখেতসকলে ক'লে, “কলেজত নামটো লগাই থোৱা; তেতিয়া বৃত্তিৰ টকাকেইটা পাই থাকিবা। সম্ভৱ হলে ক্লাছ কৰিবা; নোৱাৰিলে ঘৰতে পঢ়ি বি.এ. পৰীক্ষা দিবা।” সেইমতে কলেজত নাম লগোৱা হ'ল; তৃতীয় বাৰ্ষিক শ্ৰেণীত এদিনো ক্লাছত উপস্থিত থকাৰ সৌভাগ্য

মোৰ নহ'ল। পিছৰ বছৰ মোৰ এজন আত্মীয়ৰ চেষ্টাৰ ফলস্বৰূপে পূৰ্ববঙ্গৰ পৰা ভাগি অহা হিন্দু পৰিয়ালৰ বুঢ়ী এগৰাকী কেইমাহমানৰ বাবে আমাৰ ঘৰত থাকিবলৈ সন্মত হোৱাত চতুৰ্থ বাৰ্ষিক শ্ৰেণীত ইংৰাজী আৰু দৰ্শন বিষয়ৰ ক্লাছ কেইটামান কৰাৰ সৌভাগ্য হৈছিল; বাকী দুটা বিষয় সংস্কৃত আৰু অসমীয়া ঘৰতে পঢ়ি '৫৩ চনত বি.এ. ফাইনেল পৰীক্ষা দিয়াৰ কথা চিন্তা কৰিছিলো যদিও ইতিমধ্যে মই দ্বিতীয় সন্তানৰ মাতৃ হ'লো। গতিকে সেই বছৰ পৰীক্ষা দিয়াটো সম্ভৱপৰ নহ'ল।

সেইটো বছৰৰে শেষৰপিনে আমাৰ পৰিয়ালটোলৈ এটি ডাঙৰ দুৰ্যোগ আহিল। শাহুআইৰ পুৰণি পিত্ত ৰোগটো হঠাতে বেছি হোৱাত তেওঁ শয্যাশায়ী হ'বলগীয়া হৈছিল। দুমাহমান শয্যাগত হৈ থকাৰ পিছত নৱেম্বৰ মাহত কালীপূজাৰ সময়তে শাহুআই ঢুকাল।

শ্ৰাদ্ধাদি কাৰ্য্য সুকলমে হৈ যোৱাৰ পিছত সোনকালে গুৱাহাটীৰ ঘৰলৈ ঘূৰি আহিলো; কাৰণ চৌৱন্ন[৭৪] চনত বি.এ. পৰীক্ষাটো যেনে-তেনে দিম বুলি মন স্থিৰ কৰিছিলো। পৰীক্ষালৈ তেতিয়া তিনি-চাৰিমাহমান সময় আছে। ভাগ্য ভাল, তেৰন্ন চনত পৰীক্ষা দিম বুলি কৰা প্ৰস্তুতিয়ে পিছৰ বছৰ মোক যথেষ্ট সহায় কৰিলে। পৰীক্ষাৰ দিনকেইটা ৰিহাবাৰীৰ পিতৃগৃহত আশ্ৰয় ল'লোগৈ। আইতাকৰ হাতত ল'ৰা-ছোৱালী দুটি গতাই দি নিশ্চিন্তমনে পৰীক্ষা দিবলৈ গৈছিলো।

পৰীক্ষাৰ খবৰ ওলোৱাত গম পালো, মই ডিষ্টিংচন লৈ বি.এ. পৰীক্ষাত উত্তীৰ্ণ হৈছে। বহুদিনৰ পৰা বুকুৰ মাজত সাঁচি থোৱা সংস্কৃত- সাহিত্যত এম.এ. পঢ়াৰ সপোনটো একাষৰীয়া কৰি থৈ স্কুল এখনত শিক্ষয়িত্ৰী হিচাপে সোমাই লোৱাৰ কথা চিন্তা কৰিলো। ভাবিছিলো, শিক্ষানুষ্ঠান এখনত জড়িত হৈ থাকিলে হয়তো ভৱিষ্যতে এম.এ. পঢ়াৰ সুবিধা ওলাবও পাৰে। ইতিমধ্যে গুৱাহাটীত পাণবজাৰ ছোৱালী হাইস্কুলৰ পিছত পূব গুৱাহাটী অঞ্চলত দ্বিতীয়খন ছোৱালী হাইস্কুলৰ আৰম্ভণি হৈছিল। পোনতে দুবছৰমান স্কুলখন অস্থায়ীভাৱে অ'ত-ত'ত চলোৱাৰ পিছত গুৱাহাটীৰে এগৰাকী মহিলাই স্বামীৰ স্মৃতিৰক্ষাৰ্থে আগবঢ়োৱা দানৰ টকাৰে স্থায়ী ঘৰ-মাটিৰ ব্যৱস্থা হোৱাত দাতৃীগৰাকীৰ স্বামীৰ নামেৰে তাৰিণী চৌধুৰী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় গঢ় লৈ উঠিছিল। সেইখন স্কুলত ওপৰ শ্ৰেণীত ইংৰাজী আৰু সংস্কৃত পঢ়ুৱাৰ বাবে শিক্ষয়িত্ৰী বিচৰা বুলি গম পাই আবেদন-পত্ৰ পঠিয়ালো; সৌভাগ্যবশতঃ চাকৰিটো ময়ে পালো।

১৯৫৫ চনত মোৰ তৃতীয় সন্তানটিৰ জন্ম হৈছিল। সমস্যা হ'ল ল'ৰা-ছোৱালী কাৰ হাতত থৈ কামলৈ ওলাই যাওঁ? ১৯৫৬ চনত মোৰ শিক্ষয়িত্ৰী জীৱন আৰম্ভ হৈছিল। পোনতে গাঁৱৰ পিনে বিচাৰ-খোচাৰ কৰি দুবাৰ দুগৰাকী বয়সস্থ মহিলা আনি আত্মীয়ৰ দৰে নিজৰ লগতে ৰাখি কেঁচুৱা গটাই দি স্কুললৈ গৈছিলো; পিছলৈ অৱশ্যে সেই কামৰ বাবে কিছুসংখ্যক বঙালী আৰু বিহাৰী মহিলা ওলাই অহাত সমস্যাৰ সমাধান হ'ল। ১৯৫৯ চনত স্কুলৰ তৰফৰ পৰাই দৰমহাসহ ছুটী দি মোক গুৱাহাটী বিশ্ববিদ্যালয়ত বি.টি. পঢ়িবলৈ পঠোৱা হৈছিল। ১৯৬০ চনত প্ৰশিক্ষণৰ অন্তত বি.টি. ডিগ্ৰী লৈ স্কুললৈ[৭৫] উভতি আহিলো। তাৰিণী চৌধুৰী স্কুলকে ধৰি অসমৰ কেইখনমান স্কুলত ইতিমধ্যে একাদশ শ্ৰেণীৰো পাঠদান চলি আছিল। পিছলৈ চৰকাৰৰ শিক্ষা বিভাগে প্ৰাক্-বিশ্ববিদ্যালয় পৰ্যায়ৰ দুয়োটা শ্ৰেণী স্কুললৈ অনাৰ কথা চিন্তা কৰিলে।

কিন্তু তাৰ বাবে স্কুলত অৰ্হতাসম্পন্ন শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰয়োজন হ'ব। সেয়ে ইতিমধ্যে হাইস্কুলত কৰ্মৰত কিছুসংখ্যক যোগ্যতাসম্পন্ন শিক্ষক-শিক্ষয়িত্ৰীক চৰকাৰৰ নিজা খৰচত এম.এ. পঢ়ুৱাই অনাৰ কথা চিন্তা কৰা হৈছিল। কিন্তু দুবছৰীয়া পাঠ্যক্ৰমৰ এবছৰৰ খৰচহে চৰকাৰে বহন কৰিব; আনটো বছৰৰ প্ৰস্তুতি শিক্ষাৰ্থীসকলে নিজেই কৰিব লাগিব।

কেইমাহমান পিছত স্কুললৈ খবৰ আহিল, এম.এ. পঢ়িবৰ বাবে টি.চি. স্কুলৰ পৰা দুগৰাকী শিক্ষয়িত্ৰী নিৰ্বাচিত হৈছে—অসমীয়া বিষয়ত ডলী তালুকদাৰ আৰু ইংৰাজী বিষয়ত হিৰন্ময়ী দেৱী। ইতিমধ্যে ১৯৬১ চনত মোৰ এহাল যজা সন্তান জন্ম হৈছিল; সেয়ে মই কেইমাহমান বিনা বেতনে দীঘলীয়া ছুটি লোৱাৰ অন্তত পুনৰ স্কুলত যোগদান কৰিছো। এনে অৱস্থাত এম.এ. পঢ়িবলৈ যোৱাটো মোৰ পক্ষে সম্ভৱ নহয় বুলি প্ৰধান শিক্ষয়িত্ৰীক জনাই দিলো। কিন্তু তেখেতকে ধৰি স্কুলৰ আটাইকেইগৰাকী বয়োজ্যেষ্ঠ শিক্ষয়িত্ৰীয়ে মোক বুজাইছিল যে দৰমহাসহ ছুটী ভোগ কৰি এবছৰ বিশ্ববিদ্যালয়ত বিনা খৰচে পঢ়িবলৈ পোৱাটো কম সৌভাগ্যৰ কথা নহয়; এনে সুবিধা জীৱনত দ্বিতীয়বাৰ অহাৰ আশা নাই; গতিকে স্কুললৈ অহাৰ পৰিৱৰ্তে বিশ্ববিদ্যালয়লৈ অহা-যোৱা কৰি ক্লাছত উপস্থিত থকাটোহে মোৰ পক্ষে জ্ঞানীৰ কাম হ'ব; পৰীক্ষা পিছে পৰে দিলেও হ'ব। মোৰ সৈতে একেলগে অসমীয়া বিষয়ত পঢ়িবলৈ নিৰ্বাচিত হোৱা ডলী তালুকদাৰ, আমাৰ দুয়োৰে ক্লাছৰ সময় মিলিলে তেওঁৰ নিজৰ গাড়ীতে মোকো জালুকবাৰীলৈ লৈ যাব বুলি আশ্বাস দিলে।

মোৰ শুভাকাঙ্খীসকলৰ সেই বুজনিত আশ্বস্ত হৈ মই বিশ্ববিদ্যালয়ত নাম লগাই এবছৰ ক্লাছ কৰি পুনৰ স্কুললৈ উভতি আহিলো; কাৰণ মোৰ সাংসাৰিক পৰিস্থিতি সেই সময়ত এম.এ. পৰীক্ষাৰ বাবে প্ৰস্তুতি কোনোপধ্যে অনুকূল নহয়। কেইবছৰমান পিছত গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰিভিয়াছ আৰু ফাইনেল[৭৬] দুটা পৰীক্ষাৰ ব্যৱস্থা আৰম্ভ হয়; ইতিমধ্যে ১৯৬৪ চনত মোৰ ষষ্ঠ তথা শেষ সন্তানটিৰ জন্ম হয়। তাৰ পিছত ১৯৬৭ চনত প্ৰিভিয়াচ আৰু ১৯৬৮ চনত ফাইনেল পৰীক্ষা দি মই অৱশেষত ইংৰাজী বিষয়ত দ্বিতীয় শ্ৰেণীৰ এম.এ. ডিগ্ৰীটো ল'বলৈ সক্ষম হ'লো; বহু জীৱন-সংগ্ৰামৰ অন্তত মোৰ শিক্ষা লাভৰ স্বপ্ন সম্পূৰ্ণ সফল হোৱাত মই অত্যন্ত সুখ অনুভৱ কৰিছিলো। ১৯৭২ চনত তাৰিণী চৌধুৰী স্কুলত দ্বাদশ শ্ৰেণী আৰম্ভ হোৱাত মই ইংৰাজী বিভাগৰ বিষয়-শিক্ষয়িত্ৰী হিচাপে। পদোন্নতি লাভ কৰো।"

ভাবিলে বিস্মিত হৈ ৰওঁ সেই সময়ৰ সামাজিক ব্যৱস্থাৰ নিয়ম মানি চলিও অষ্টম শ্ৰেণীতে বিবাহপাশত আবদ্ধ হৈ সেইগৰাকী নাৰীয়েই কেনেকৈ গৈ এদিন ইংৰাজী বিষয়ৰ এম.এ.ৰ লগতে বি.টি. ডিগ্ৰীৰো অধিকাৰী হ'ল। বিস্মিত হওঁ বুলি এই কাৰণেই কৈছো কাৰণ এই পৰিক্ৰমাৰ মাজতে তেখেতে এটি এটিকৈ ছটা সন্তান জন্ম দি সকলোকে তুলি-তালি ডাঙৰ-দীঘলো কৰিছিল, গৃহিণীৰ দায়িত্বৰ লগতে শিক্ষয়িত্ৰীৰ দায়িত্বও চম্ভালিছিল।

ঘূৰি আহিছোঁ বাল্যকালত আমাৰ শিক্ষা জীৱনত মাৰ প্ৰভাৱ সম্পৰ্কে আলোকপাত কৰিবলৈ। আমাৰ ছয়জন ভাই-ভনীৰ প্ৰত্যেককে মায়ে ইংৰাজী, অসমীয়া, সংস্কৃত গোটেইকেইটা বিষয়েই অতি পাৰদৰ্শিতাৰে পঢ়ুৱাইছিল। অৱশ্যে পঢ়ুৱাবলৈ বুলি মায়ে নিৰ্দিষ্ট সময় নাপালেও কামৰ ফাকে ফাকে আমাক সহায় কৰি গৈছিল। ৰন্ধা ঘৰৰ সকলো কাম নিজে কৰাৰ বাহিৰেও মায়ে অন্যান্য ঘৰুৱা

কামবোৰো নিজেই কৰিছিল। অৱশেষ্যে আমি তৃতীয় শ্ৰেণীমান পোৱাৰ পিছত আমাক কাপোৰ ধোৱা, ইস্তিৰ কৰা আদি কামৰ 'তালিম' দি সেইবোৰ নিজে কৰিবলৈ বাধ্য কৰাইছিল। আজি ঘূৰি চাই অনুভৱ কৰো ব্যৱহাৰিক জীৱনটোৰো আদি গুৰু মায়েই। দৰকাৰ হ'লে যাতে খোৱা-বোৱা প্ৰস্তুত কৰি ল'ব পাৰো তাৰ বাবেও আমাক প্ৰস্তুত কৰাইছিল আৰু সময়বিশেষে আমাক কামতো লগাইছিল। মোৰ পঢ়া টেবুল আৰু মাৰ ৰান্ধনিশালৰ মাজত এখন খিৰিকি আছিল। মায়ে ৰন্ধনৰ মাজতেই খিৰিকিখনৰ কাষলৈ আ[৭৭] ইংৰাজীৰ পাঠবোৰ অসমীয়ালৈ অনুবাদ কৰি বুজাই দিয়া, অসমীয়া কবিতাৰ সাৰাংশ কোৱা, কিছুমান উক্তি বহলাই কোৱা, সংস্কৃতৰ সন্ধি, সমাস আদিৰ বিষয়ে বুজোৱা বহু কথাই আজিও মনত পৰে।

আমাৰ বাল্যকালৰ শিলপুখুৰীৰ ঘৰখনত এক সম্পূৰ্ণ গ্ৰাম্য পৰিৱেশ আছিল। দেউতাই গৰু, হাঁহ, পাৰ সকলো ৰাখিছিল আৰু খালি ঠাইখিনিত বতৰ অনুযায়ী কবি, শাক আদিৰ খেতি কৰিছিল। সময় সুবিধা অনুযায়ী মায়ে দেউতাক তেনেবোৰ কামতো সহায় আগবঢ়াইছিল। খেতিৰ সময়ত দেউতাই কোৰেৰে উঠোৱা ডাঙৰ চপৰাবোৰ ভঙাৰ 'যোগালি' প্ৰায়ে আছিলো মই। খেলাধূলা আদি কৰি ভাল পোৱা দেউতাই আমাৰ চাৰিত্ৰিক দিশত কঠোৰ নজৰ ৰাখিছিল আৰু ধেমালি-ধুমুলাও কৰিছিল। যদিও পঢ়া-শুনাৰ দিশত বিশেষ চকু নিদিছিল; মাৰ ভয়তেই আমি নিয়মীয়াকৈ পঢ়া-শুনাৰ টেবুলত বহিছিলোঁ। নাজানো, হয়তোবা মা- দেউতাই বুদ্ধি কৰি আমাক আগুৱাই নিবলৈ নিজৰ নিজৰ দায়িত্ব ভগাই লৈছিল। সেয়ে দেউতাই ধেমালি কৰা, বিভিন্ন কথা পতাৰ সুযোগ দিছিল যদিও মায়ে আমাক সিমান লাই' দিয়া নাছিল।

মাৰ মূলমন্ত্ৰ আছিল—ল'ৰা-ছোৱালী, ছাত্ৰ-ছাত্ৰীক মৰম কৰিব লাগে, কিন্তু সেয়া অন্তৰৰ পৰাহে হ'ব লাগে, দেখুৱাব নালাগে। দেখুৱাই দিলে সেই মৰমে ভালতকৈ বেয়া কৰাৰহে সম্ভাৱনা অধিক। পিছলৈ আমাৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰতো মায়ে সেই কথাষাৰ প্ৰায়েই সোঁৱৰাই দিছিল যদিও পৰিৱৰ্তিত সময়, সমাজ ব্যৱস্থাৰ বাবে আমিও পৰিৱৰ্তনৰ লগতেই চলা সমীচিন হ'ব বুলি ঠিৰাং কৰি সেইমতেই আগবাঢ়িলো, মাৰ মতে চলা নহ'ল।

প্ৰাক্তন ছাত্ৰীসকলৰ মাজত নিশ্চয় মাৰ সম্পৰ্কে এক ধাৰণা আছে বৰ কাঢ়া বুলি। সেয়া হৈছে মাৰ নিজস্ব ধৰণৰ ভালপোৱাৰ বহিঃপ্ৰকাশ, তেখেতসকলৰ উজ্জ্বল ভৱিষ্যতৰ খাতিৰত। আমাৰ ক্ষেত্ৰতো একেই হৈছিল কিন্তু তাৰ সুফল আমি ভৱিষ্যৎ জীৱনত নিজকে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত পালোঁ।

ঘৰৰ সমস্ত কাম-বন কৰি, স্কুললৈ যাওঁতে মায়ে প্ৰায় দৌৰাৰ নিচিনাকৈয়ে গৈছিল সময়মতে স্কুল পা[৭৮]ল। আমাৰ শিলপুখুৰীৰ ঘৰৰ পৰা বৰ বেছি দূৰ নোহোৱা বাবে সদায় খোজ কাঢ়িয়েই অহা-যোৱা কৰিছিল।

টকা-পইচা খৰচৰ ক্ষেত্ৰত মা আছিল অত্যন্ত হিচাপী। গোটেই দিনটো কাম-বন, স্কুল কৰিও শোৱাৰ আগত এখন দীঘলীয়া হিচাপৰ বহীত দিনটোৰ খৰচ লিখাটো আছিল মাৰ এক অভ্যাস। নিজৰ বাবে একান্তই প্ৰয়োজন নহ'লে একো লোৱা দেখা নাপালো কেতিয়াও। সাধাৰণতে নাৰীৰ প্ৰিয়

প্ৰসাধন সামগ্ৰীও মাক ব্যৱহাৰ কৰা কেতিয়াও নেদেখিলো। আজি পঞ্চাশোৰ্ধ্ব বয়সত অতীত ৰোমন্থন কৰাত মনত পৰিছে মায়ে কিমান ত্যাগ কৰিছিল, বুজি পাইছো কিয় প্ৰত্যেকটো টকাৰ হিচাপ ৰাখিছিল। নহ'লে মা-দেউতাই সততাৰে অৰ্জা সীমিত ধনেৰে হয়তো ছয়টা ল'ৰা-ছোৱালীক পঢ়াই-শুনাই ভৰণ-পোষণ দিয়া টান হ'লহেঁতেন, কাৰণ এটা সময়ত ডাঙৰ দাদা ডাঃ ৰাজীৱ কুমাৰ শৰ্মাই ডিব্ৰুগড় মেডিকেল কলেজত আৰু সৰু বাইদেউ ডাঃ নিলীমা দেৱীয়ে গুৱাহাটী মেডিকেল কলেজত একে সময়তে চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত আৰু আন এজন দাদা কল্যাণ কুমাৰ শৰ্মা অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত অধ্যয়নৰত হৈ আছিল আৰু তুলনামূলকভাৱে বি.এ., এম.এ. পঢ়াতকৈ ই খৰচী আছিল।

আমাৰ ককাহঁতৰ ৰিহাবাৰীস্থিত ঘৰলৈ যোৱাৰ মাৰ সংগী আছিলো প্ৰায়েই মই। আগতে দাদা-বাইদেউহঁত গৈছিল যদিও পিছলৈ পঢ়া-শুনাৰ বোজা বঢ়াত কনিষ্ঠ সন্তান হিচাপে প্ৰায়েই মোকেই লগত লৈ গৈছিল। ৰিক্সাত যাম বুলি ক'লে মায়ে প্ৰায়েই অলপ আগত গৈ ল'ম বুলি খোজ কঢ়ায়েই ৰিহাবাৰী পোৱাইছিল। অৱশ্যে দুই-এদিন ৰিক্সাত নুঠোৱা বুলিলে মিছা কোৱা হ'ব। বুজা হোৱাৰ পৰা গম পোৱা হ'লো যে মায়ে তেনে কৰাৰ মুখ্য উদ্দেশ্য—দুপইছা ৰাহি কৰাৰ লগতে খোজ কঢ়াৰ এক অভ্যাস গঢ়ি তোলা।

আমাৰ দেউতাৰ গাঁৱৰ ঘৰখনৰ লগতো মায়ে অতি সুসম্পৰ্ক বৰ্তাই চলিছিল। দেউতাহঁতৰ তিনিজন ভাই-ককাইৰ মাজত দেউতা আছিল মাজু, সকলোৰে 'মাজু পিতি'। বৰদেউতা, খুড়াহঁত আহিলে মায়ে[৭৯] তেখেতসকলক গাঁৱৰ নিয়ম মতেই আপ্যায়িত কৰিছিল। ভাত দিয়াৰ সময়ত মজিয়া সাৰি-মছি তাতেই ভাত দিছিল। আমিও মাৰ লগত বন্ধৰ সময়ত নাইবা বিয়া-সবাহত গাঁৱৰ ঘৰলৈ গৈছিলো। আমাৰ খুড়ী, বৰমা স্কুল গছকি নোপোৱা যদিও মায়ে তেওঁলোকক সেই কথা অনুভৱ কৰাৰ সুযোগ নিদি তেওঁলোকৰ লগত মিলি গৈছিল। সেয়ে সকলোৰে মৰমৰ 'মাজু মাই', 'মাজু আবু' হ'বলৈ সক্ষম হৈছিল। মাৰ শাৰীৰিক অৱস্থাৰ বাবে আজিকালি দূৰলৈ নাযায়। কিন্তু আমি গাঁৱলৈ গ'লে 'মাজু মাই', 'মাজু আবু'ৰ খবৰ লওঁতাৰ অভাৱ আজিও দেখা নাই।

মাৰ নিচিনাকৈ কম বয়সতে বিয়া হৈ শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যোৱা নাৰী আৰু আছে নিশ্চয়। কিন্তু বেছিভাগেই সমাজ ব্যৱস্থাৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ ফলত সাংসাৰিক দিশত কিছু উজুটি খাইছে। সেই ক্ষেত্ৰত মাৰ বিশেষত্ব এয়ে যে তেওঁ বিদ্ৰোহ ঘোষণা নকৰি সমাজ ব্যৱস্থাৰ সৈতে মিলি চলি গ'ল, হয়তোবা সেই বিদ্ৰোহী মন-শক্তিক বিভিন্ন ক্ষেত্ৰত 'চালিকা শক্তি' কৰি আগবাঢ়ি যাবলৈ।

অতি কষ্টৰ মাজেৰে পঢ়া-শুনা কৰি গাৰ্হস্থ্য ধৰ্মৰ প্ৰতিটো কামেই কৰাৰ ফাকে ফাকে মায়ে সাহিত্য সেৱাও কৰিছিল। আমি জনাত টি.চি. স্কুলৰ আলোচনীখনিৰ মা সদায়েই তৎত্বাবধায়িকা শিক্ষয়িত্ৰী আছিল। ইয়াৰ উপৰিও মায়ে গুৱাহাটীৰ শৰণীয়া আশ্ৰম (কস্তুৰবা আশ্ৰম) আৰু বিবেকানন্দ কেন্দ্ৰৰ আলোচনী দুখনত প্ৰায়েই লিখা-মেলা কৰিছিল।

মাৰ নিজৰ ভাষাৰেই—“কাব্য সাহিত্যৰ প্ৰতি আকৰ্ষণ শ্ৰদ্ধেয় পিতৃদেৱৰ পৰা উত্তৰাধিকাৰী সূত্ৰেৰ পোৱা সম্পদ; প্ৰাথমিক বিদ্যালয়ত পঢ়ি থকা সময়তে তেখেতে মুখে মুখে শিকোৱা ডুটা শাৰীৰ মনোৰম সংস্কৃত শ্লোকসমূহৰ কিছুসংখ্যক শ্লোক আজিও পাহৰা নাই। হাইস্কুলত পঢ়ি থাকোতে দুই-চাৰিটা কবিতা, প্ৰবন্ধ লিখিছিলোঁ যদিও কালৰ বুকুত হেৰাই গ'ল। কলেজ আৰু বিশ্ববিদ্যালয় পৰ্যায়ত পঢ়িবলৈ পোৱা সংস্কৃত আৰু ইংৰাজ কবিসকলৰ লেখাই মোৰ সাহিত্য-প্ৰীতিত সাৰ-পানী যোগাইছিল।”

টি.চি. স্কুলৰেই মাৰ সহকৰ্মী প্ৰয়াত ডলী তালুকদাৰ বাইদেউৰ স্বামী স্বনামধন্য সাহিত্যিক তথা সেই সময়ৰ “দৈনিক অসম’ কাকতৰ সহকাৰী সম্পাদক স্বৰ্গীয় ফণী তালুকদাৰদেৱৰ উৎসাহতেই ষাঠিৰ[৮০] দশকৰ পৰা মায়ে ‘দৈনিক অসম’, ‘অসম বাণী’ আদি কাকতত ঘাইকৈ কবিতা আৰু প্ৰবন্ধ লিখা আৰম্ভ কৰিছিল।

আমি সৰু থাকোতে অৰ্থাৎ সত্তৰৰ দশকৰ মাজমানৰ পৰা মাৰ কবিতা, প্ৰবন্ধ বিচাৰি অহা কেইবাগৰাকী স্বনামধন্য লোকক আমাৰ শিলপুখুৰীৰ ঘৰত লগ পোৱা মনত পৰে। সেইসকলৰ ভিতৰত স্বৰ্গীয় চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱ, প্ৰয়াত কবি বিৰিঞ্চি কুমাৰ ভট্টাচাৰ্য্য, শ্ৰদ্ধেয়া এলি আহমেদ আদি অন্যতম।

এই সংক্ৰান্ততে আন এটি কথাও মনত পৰিছে। “শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে..” গীতটিৰ ৰচয়িতা প্ৰসিদ্ধ গীতিকাৰ, সুৰকাৰ স্বৰ্গীয় পুৰোষোত্তম দাস ডাঙৰীয়া কথাচলৰ ঘৰ এটিত বহু বছৰ ভাৰা কৰি আছিল। অসম আন্দোলনৰ সমৰ্থক দাসদেৱে আমাৰ ঘৰলৈ আহি আন্দোলনত দেহে-কেহে লগা মোৰ আন এজন দাদা কুশল কুমাৰ শৰ্মাৰ লগত প্ৰায়েই আন্দোলন সম্পৰ্কে আলোচনা-বিলোচনা কৰিছিল। মাৰ প্ৰথম কবিতাপুথি ‘মাটিৰ চাকিৰ শিখা' ১৯৭৯ চনত প্ৰকাশ হোৱাৰ পিছত তেখেতে এখন কিতাপ কিনি লৈ যায়। ইয়াৰ পিছত তেখেতে কিতাপখনৰ আৰু কেইবা কপিও কিনাত তেখেতক সোধা হ’ল যে তেখেতে বাৰে বাৰে কিয় কিনি নি আছে। তেখেতে উত্তৰ দিলে যে কবিতাকেইটি পঢ়ি তেখেতে ইমান ভাল পাইছে যে বিয়াই-সবাহে গৈ কিবা দিব লাগিলে। তেখেতে কিতাপখনৰ কপি এটাকেই কিনি নি দিয়ে।

পুৰোষোত্তম দাসদেৱে ভালপোৱা মাটিৰ চাকি শিখা' নামৰ মাৰ প্ৰথম কবিতাপুথিখনিত থকা সন্তান’ নামৰ কবিতাটি তলত দিয়া হ’ল—

তোৰ চকুৰ নীলাত
মোৰ সুখৰ সূৰ্য্য জ্বলে,
তোৰ ওঁঠৰ হাঁহিত
মোৰ সপোন শেৱালি ফুলে,
তোৰ দুখৰ ডাৱৰ ফালি
বজ্ৰ-বিজুলীয়ে বুকু মোৰ দেই পুৰি মাৰে;

পাহৰিলোঁ কোনদিনা
মৃদু এক জাণকম্পনত
মোৰ সৎত্বা ভাঙি খহি তোতে লীন হ'ল।

[৮১] পৃথিৱীৰ সকলো মাতৃৱে সেই একেই অনুভৱ। সন্তানে ভ্ৰূণ হিচাপে

মাতৃ গৰ্ভত থিতাপি লোৱাৰ দিন ধৰি মাকৰ নিজস্ব সুখ-দুখ, সমগ্ৰ সৎত্বা সন্তানতে বিলীন হৈ যায়। মাৰ এই কবিতাটি মোৰ অতি প্ৰিয় কবিতাবিলাকৰ এটা। কবিতাটি কাগজত প্ৰকাশ পোৱাৰ কিছুদিন পিছত বৰেণ্য সাহিত্যিক, সমালোচক স্বৰ্গীয় মুনীন বৰকটকীদেৱে হেনো মাক লগ পাই কৈছিল যে 'সন্তান' কবিতাটিয়ে তেখেতৰ অন্তৰ চুই গৈছে।

২০১৫ চনৰ আৰম্ভণিৰ সময়ৰ কথা। মাৰ বয়স তেতিয়া ৮২ বছৰ। হঠাতে এদিন মনলৈ ভাব আহিল—গোটেই জীৱন সংগ্ৰামৰ মাজেৰে লিখা-পঢ়া কৰি, নিজকে শিক্ষয়িত্ৰী হিচাপে আৰু লগতে নিজৰ ছয় সন্তানক প্ৰতিষ্ঠা কৰাৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ মাজে মাজে সময় উলিয়াই মায়ে যিখিনি সাহিত্য সেৱা কৰিলে, সেইখিনি ঘূপ খুৱাই ৰচনা- সমগ্ৰ হিচাপে উলিয়ালে হয়তো তেওঁ ভাল পাব। সেই মতে এদিন তেওঁৰ আগত প্ৰস্তাৱ ৰখাত মায়েও মোৰ প্ৰচেষ্টাত প্ৰুফ আদি চাই সহযোগ কৰাৰ প্ৰতিশ্ৰুতি দিলে।

২০১৫ চনৰ শেষৰ পিনে প্ৰকাশিত ৰচনা-সমগ্ৰখনিত মাৰ ইতিমধ্যেই কিতাপ আকাৰে প্ৰকাশ হৈ যোৱা ৩ খুন কবিতা পুথি, ২ খন প্ৰবন্ধ পুথি, শিশুসকলৰ বাবে গদ্য আৰু পদ্য আকাৰে লিখা ৭ খন পুথি, ৭ খন জীৱনী পুথি, ৮ খন অনুবাদ পুথি, কিতাপ আকাৰে প্ৰকাশ কৰিম বুলি থৈ দিয়া ৩ খন কিতাপৰ পাণ্ডুলিপি আৰু বিভিন্ন কাকত-আলোচনী আদিত প্ৰকাশিত আৰু অপ্ৰকাশিত কিছু প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছিল।

মাৰ সাহিত্যৰ মূল্যায়ন কৰিব পৰাকৈ সাহিত্য প্ৰতিভা আমাৰ নাই; পাঠক সমাজলৈ এৰিলো। কিন্তু মাৰ ইতিমধ্যে প্ৰকাশিত কিতাপসমূহৰ বিষয়ে দুই-এজন নমস্য সাহিত্যিকে আগবঢ়োৱা মন্তব্য উনুকিওৱাৰ লোভ সামৰিব নোৱাৰিলো।

মাৰ প্ৰথম কবিতা পুথি 'মাটিৰ চাকিৰ শিখা'ৰ (প্ৰথম প্ৰকাশ, ১৯৭৯) আৰম্ভণিতে 'এজন পঢুৱৈৰ একাষাৰ' শিতানত বিশিষ্ট সমালোচক স্বৰ্গীয় মুনীন বৰকটকীদেৱে লিখিছিল—

*"... মাটিৰ চাকিৰ শিখাৰ অৰ্ন্তলীন আধুনিকতাৰ এটা মন কৰিবলগীয়া বৈশিষ্ট্য এই যে ভালেখিনি [৮২] কবিতাত আধুনিক জীৱনৰ অন্তদ্বন্দ্ব, কেযাভ, সংঘাট, শূন্যতা, বেদনাবোধৰ তীব্ৰতা আৰু তিকততা অনস্বীৰ্কাযভাৱে প্ৰকট হ'লেও কবিয়ৎৰীগৰাকীয়ে ক'তো এনেবোৰ অকষমতাৰ ওচৰত আৎমসমৰ্পণ কৰা নাই। বাস্তৱ অভিজ্ঞতাৰ ৰূঢ়তাই বহু সময়ত শাশ্বত ধ্ৰুব প্ৰমূল্যসমূহৰ প্ৰতি অধিক কঠোৰ আৰু কষমাহীন কৰি তুলিছে যদিও তেওঁ বাৰে বাৰে এইবিলাক অতিকৰম কৰি মানুহৰ মহৎব প্ৰতিষ্ঠাৰ*

*সম্ভাৱনাৰ প্ৰতি হাত বাউল দিছে, নাৰীসুলভ আবেগ-অনুভূতিপ্ৰৱণ দুৰ্বলতাৰ বশৰ্ৱতী হৈ পৰিবেশ আৰু পৰিস্থিতিৰ প্ৰতিকূলে মানৱৰ্সভাৰ অগ্ৰগতিত আস্থা হেৰুওৱা নাই। আধুনিক হ'লেও হিৰন্ময়ী দেৱীয়ে 'শৰণীয়া শিখৰত অৱবদ্ধ দেৱতা', 'আলোকৰ অভিযাৎৰী (মৈৎেৰয়ী)ৰ বিদায়ী স্বামী', 'মাডাৰ টেৰেছা', 'হেম বৰুৱা', 'বৰজেন বৰুৱা', 'শ্বহীদ নৰেণ মহন্ত', 'অপহৰণকাৰীৰ বলি শিশু সঞ্জয়' আদিৰ পৰা মানৱীয় প্ৰেৰণা আহৰণ কৰি সমস্যা-সংকুল জীৱনৰ পৰা প্ৰজ্ঞা-প্ৰোজ্জ্বল জীৱনলৈ উৎতৰণৰ পাথেয় বিচাৰিছে। মহিলা কবি হোৱা সৎেৎবও হিৰন্ময়ীৰ কবিতাত যি এটা দৃঢ়তাৱযঞ্জক বলিষ্ঠ আশাবাদ আৰু আৰ্দশবাদৰ পৰিচয় পোৱা যায় সেইটো অসমীয়া মহিলা কবিৰ কবিতাত দুৰ্লভ বুলি ক'লেও বঢ়াই কোৱা নহয়। দুৰ্বোধযতা বা চিৎৰকল্প-বহুলতাক আধুনিক কবিতাৰ দুৰ্লকষণ বুলি বিবেচনা কৰিলে হিৰন্ময়ীৰ আধুনিক কবিতা এই দুয়োটাৰে পৰা সন্তোষজনকভাৱে মুকত। সেইবুলি তেওঁৰ কবিতা বিবৃতিমূলক নহয়, তথাকথিত পদ্যও নহয়। 'মাটিৰ চাকিৰ শিখা'ৰ কবিতাত আৎমাৰ আলোড়নৰ সম্ভেদ আছে, আৰু আছে আৱিষ্কাৰৰ জৰিয়তে অকিতৎবৰ মূল অন্বেষণৰ তিতিকষা।*

*শ্ৰীহিৰন্ময়ী দেৱীৰ কবিতাৰ ভাষাৰ অলংকাৰবিহীন অথচ সুন্দৰ ঝঙ্কাৰ আৰু সুমধুৰ লয় মাটিৰ চাকিৰ শিখাৰ আন এটি উল্লেখনীয় বৈশিষ্টয। প্ৰায়বিলাক কবিতাতে তেওঁৰ ওখ ভাৱৰাশিয়ে হৃদয়গ্ৰাহী শ্বৰণীয় ভাষা বিচাৰি পাইছে।...."*

শিশুসকলৰ বাবে মায়ে লিখা 'আখৰৰ আখৈ লাৰু'ৰ (প্ৰকাশ ১৯৯৫) "প্ৰীতিভাষ'ত স্বৰ্গীয় নৱকান্ত বৰুৱাদেৱে লিখিছিল—

*"শ্ৰীমতী হিৰায়ী দেৱী শিকষয়িৎৰী আছিল সঁচা, কিন্তু তেওঁ এগৰাকী মাকো আছিল আৰু আইতাও হৈছে। ল'[৯৩]ৰা-ছোৱালীৰ মন তেওঁ পাইছে। ধেমালিৰ ছলেৰে শিকষা দিয়াটো এটা সজ নিয়ম। কিন্তু কিবা শিকাইছে বুলি জানিলে শিশুৰ মন এঙাৱায়। সেই কথা হিৰণ্ময়ী দেৱীয়ে জানে। শবদৰ ধেমালি, এখনৰ পিছত এখনকৈ (বৰং এখনৰ ওপৰতে আন এখনকৈ) ছবিবোৰ ল'ৰা-ছোৱালীয়ে ভাল পায়, কাৰণ তেওঁলোকে তাত নিজক দেখে।*

*শবদৰ এই যাদুৰ লগত হিৰন্ময়ী দেৱী যে পৰিচিত সেই কথাটো ফুটি ওলাইছে এই খুদ খুদ আওৰাব পৰা পদবিলাকত। ইয়াৰ লগত যদি একোখন ছবি দিয়ে হয়তো সোণত সুৱগা চৰিব; কিন্তু ৰং-তুলিৰে অঁকা ছবি থাকক বা নাথাকক ইয়াৰ কথাৰে আঁকা ছবিবোৰ শিশুৰ মনত থাকিব বুলিয়েই মোৰ বিশ্বাস।"*

ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰা 'এ'ৰৰ অৱ্ জাযমেন্ট্'ৰ (প্ৰথম প্ৰকাশ ২০০৭) সম্পৰ্কে শ্ৰীযুত হীৰেন গোহাঁইদেৱে লিখিছিল—

*"শ্ৰীযুতা হিৰণ্ময়ী দেৱীৰ ভাষা এনে সৰস আৰু সাৱলীল যে অনুবাদ যেনেই নালাগে ........."*

জীৱনী গ্ৰন্থ 'পুষ্পলতা দাস তেওঁৰ জীৱন আৰু অনুভৱ'ৰ (প্ৰকাশ ১৯৯৯) আগকথাত স্বৰ্গীয় লক্ষ্যধৰ চৌধুৰীদেৱে লিখিছিল—

*......পুথিখন পঢ়ি অভিভূত হ'লো।.....পুষ্পলতা দাসৰ শিশুকালৰে পৰা আজিৰ চাৰি কুৰি বছৰৰ সীমা পাৰ হোৱালৈকে সবিশেষ গভীৰ আন্তৰিকতাৰে, অতি প্ৰাঞ্জল ভাষাত লিখি উলিয়াইছে। আমাৰ বোধেৰে লেখিকাৰ শ্ৰম সাৰ্থক হৈছে। পুথিখনি ছপা হৈ ওলালে অসমীয়া ভাষা-সাহিত্যলৈ এখনি বাছকবনীয়া জীৱনী পুথি আগবঢ়োৱাৰ লগতে স্বাধীনতা আন্দোলনৰ বহু কথা, বহুজনৰ ত্যাগ, জীৱন আহুতিৰ কাহিনীয়ে পাঠকৰ চেতনাক উদ্বুদ্ধ কৰিব!...'*

পুষ্পলতা দাস, ইন্দিৰা মিৰি আদি বৰেণ্য মহিলাসকলৰ জীৱনী লিখাৰ বেলিকা মায়ে প্ৰায়েই তেখেতসকলৰ ঘৰলৈ গৈ কথা পাতি পোৱা তথ্যৰ ওপৰতেই ভিত্তি কৰিছিল আৰু সেয়ে আমাৰ দৃষ্টিত যথেষ্ট বিশ্বাসযোগ্য।

যশস্বী লেখিকা শ্ৰীযুতা নিৰুপমা বৰগোহাঞি বাইদেৱে মাৰ ওপৰত লিখা এটা প্ৰবন্ধ 'প্ৰচাৰ বিমুখ[৮৪] লেখিকা হিৰন্ময়ী দেৱী' এখনি বঙালী ভাষাৰ কাকতত প্ৰকাশ পাইছিল। তাৰেই কিছু অসমীয়া ভাঙনি তলত দিয়া হ'ল—

*"তেওঁ প্ৰধানতঃ কবি আৰু অনুবাদিকা হিচাপেই খ্যাত অনুবাদ খুব সাৱলীল। শিশুসকলৰ বাবেও কেইবাখনো কিতাপ লিখাৰ লগতে প্ৰবন্ধ সংকলনো প্ৰকাশ কৰিছে। এইবোৰৰ বাহিৰেও হিৰণ্ময়ী দেৱীৰ আন এক মহৎ সাহিত্য কৰ্ম হৈছে—কেইবাগৰাকী মহীয়সী নাৰীৰ জীৱনী গ্ৰন্থ ৰচনা। ....... এটা কথা ভাবি অবাক হওঁ— ইমান গ্ৰন্থ লিখিও হিৰণ্ময়ী দেৱীয়ে কোনো পুৰস্কাৰ বা স্বীকৃতি লাভ কৰা নাই। অমলপ্ৰভা দাস আৰু চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নামত চৰকাৰে দুটা পুৰস্কাৰ দিছে, কিন্তু যাক দিছে কি কাৰণে দিয়া হৈছে ভাবিলে অবাক হওঁ।"*

এইখিনিতে উল্লেখযোগ্য যে মায়ে অমলপ্ৰভা দাসৰ এখন অসমীয়া জীৱনী ইংৰাজীলৈ অনুবাদ কৰাৰ লগতে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনী গ্ৰন্থ এখনো লিখি উলিয়াইছিল।

নিৰুপমা বৰগোহাঞি বাইদেউৰ একে ধৰণৰ লিখনি এটা কোনোবা এখন অসমীয়া কাকততো প্ৰকাশ পাইছিল। পিছে আমাৰ লগত বৰ্তমান সেইখন নথকাত তাৰ উদ্ধৃতি দিয়া নহ'ল। এইখিনিতে উল্লেখযোগ্য যে পিছলৈ মায়ে ২০১৭ চনৰ নিৰ্মলপ্ৰভা বৰদলৈ সাহিত্য বঁটা লাভ কৰে।

মাৰ সাহিত্য কৃতি সম্পৰ্কে অন্য এগৰাকী কৃতি লেখিকা ড° অনিমা গুহৰ মন্তব্য—

*'হিৰন্ময়ী দেৱীৰ ৰচনাসমূহ পঢ়ি উপলব্ধি কৰোঁ যে তেখেত এগৰাকী সমাজৰ প্ৰতি দায়বদ্ধ, অনুভূতিশীল লেখিকা। তেওঁৰ ভাষা শুৱলা আৰু সাৱলীল। শিশুৰ মনস্তত্ব বুজিব পৰা তেওঁৰ এখন কোমল হৃদয় আছে।"*

সাংবাদিক তথা সুলেখিকা মাইনী মহন্তই মাৰ সাহিত্য সেৱা সম্পৰ্কে লিখিছে—

*‘নীৰৱ সাহিংত্য সেৱা তথা সাধনাৰে বযকিতগত র্পযায়ত বিশেষ বঁটা-বাহনৰ স্বীকৃতি লাভ নকৰিলেও সমাজক সমৃদ্ধ কৰাত যিসকলৰ লেখা অৱদানস্বৰূপ, তেনে প্ৰতিভাৰ জেউতিৰে জিলিকা এই গৰিয়সী নাৰী*[৮৫] হিৰণয়ী দেৱী৷ সাহিত্যকৃতিৰ ক্ষেত্ৰত তেওঁ যেন দশভূজা।” *মাৰ সাহিংত্য প্ৰতিভাৰ মূল্যাংকন কৰাৰ যোগ্যতা নাথাকিলেও এই* কথাত আমাৰ কোনো সন্দেহৰ অৱকাশ নাই যে তেওঁ জীৱনত যিখিনি কৃচ্ছ্ৰ সাধনা কৰিলে সেয়া সঁচাকৈয়ে উল্লেখনীয়, প্ৰেৰণাদায়ক। ১৯৩৩ চনত, অৰ্থাৎ আজিৰ পৰা ৮৬ বছৰ আগতে ছোৱালী হিচাপে জন্মগ্ৰহণ কৰি, অষ্টম শ্ৰেণীতে কামৰূপৰ গাঁৱলৈ বিয়া হৈ গৈ, সেই সময়ৰ সামাজিক ৰক্ষণশীলতাক অতিক্ৰমি, ছয়টি ল'ৰা-ছোৱালীক মাতৃৰূপে ডাঙৰ-দীঘল কৰাৰ লগতে অন্যান্য বাধা-বিঘিনি অতিক্ৰম কৰি ইংৰাজী সাহিত্যত এম.এ. কৰা আৰু সুদীৰ্ঘ কাল ইংৰাজী বিষয়ৰ শিক্ষয়িত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ মাজে মাজে সাহিত্য সেৱা কৰাটো আমাৰ চকুত সঁচাকৈয়ে মাৰ জীৱনৰ এক অনন্য সফলতা। মাৰ সাহিত্য সাধনাৰ ক্ষেত্ৰত আমাৰ চকুত পৰা আন এক দিশ হৈছে— কবিতা, প্ৰবন্ধ, শিশু-সাহিত্য, জীৱনী-সাহিত্য, অনুবাদ-সাহিত্য, ভ্ৰমণ-সাহিত্য সকলোতে তেওঁ হাত ফুৰাব পাৰিছিল।

প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে মাৰ এই সফলতাত আমি আমাৰ পিতৃ স্বৰ্গীয় ৰতিকান্ত শৰ্মাদেৱৰ অৰিহণাও উপলব্ধি কৰো। আমাৰ দেউতা আছিল অতি সৎ, সাধাৰণভাৱে জীয়াই থাকি ভাল পোৱা এজন মানুহ। খেলাধূলা, খেতি-বাতি আদিৰ প্ৰতি বিশেষ ৰাপ থকা দেউতাই মাক সাংসাৰিক বিশ্বাসযোগ্যতাৰ সুস্থিৰতাৰে এক সুস্থ পৰিবেশ প্ৰদান কৰাৰ লগতে আমাক ডাঙৰ-দীঘল কৰাৰ ক্ষেত্ৰতো সক্ৰিয়ভাৱে সহযোগ কৰিছিল।

৯ জানুৱাৰী, ২০১৯ত মায়ে জীৱনৰ ৮৬ বছৰ সম্পূৰ্ণ কৰিলে। শাৰীৰিকভাৱে ঠিকেই আছে যদিও লিখা-পঢ়া কৰাৰ ক্ষমতা বৰ্তমান হেৰুৱাইছে। ঘৰৰ বাহিৰে বাকী সঘনাই লগ নোপোৱাসকলক সোনকালে চিনিও নাপায়। ২০১০ চনত ৯২ বছৰ বয়সত দেউতাই মৃত্যুবৰণ কৰাৰ দুই-চাৰি বছৰ পিছৰপৰা জন্মদিন ৯ জানুৱাৰীটো আমি মাৰ হতুৱাই ‘কেক্’ কাটি পালন কৰি আছো। অৱশ্যে মাৰ ৰুমতে পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনীসকলৰ মাজতহে। মায়েও স্ফুৰ্তি পোৱাই দেখিছো। ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো যাতে আমাক সেই পৰ্বটি পালন কৰি যাবলৈ আৰু

কেই[৮৬]বছৰমান সময় দিয়ে।

# হিৰণ্ময়ী দেৱীৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহ

কবিতাৰ পুথিসমূহ

- মাটিৰ চাকিৰ শিখা
- হৃদয়ৰ অৰণ্যত
- কবিতা নিলিখো আৰু

প্ৰবন্ধৰ পুথিসমূহ

মুক্তি সংগ্ৰামী চন্দ্ৰপ্ৰভা

Amalprava Das

মহিয়সী ৰাষ্ট্ৰমাতা কস্তুৰবা

স্বামী বিবেকানন্দ

(সংক্ষিপ্ত জীৱন কথা)

চিন্তা-চয়ন
বিভিন্ন অনুভৱ

## শিশুসাহিত্যৰ পুথিসমূহ

আখৰৰ আখৈ লাৰু
ফৰিঙৰ পেং
নিগনিৰ ঘৰখন আৰু
কেইটামান সাধু
ৰেড ক্ৰছৰ সাধু
মইনাৰ মৌ মাত
তৰা ঘৰ
সাধু শুনিবা কোনে?

## জীৱনী সাহিত্যৰ পুথিসমূহ

নিবেদিতা যাৰ নাম
পুষ্পলতা দাস
বিশিষ্ট শিক্ষাবিদ ইন্দিৰা মিৰি

## অনুবাদ সাহিত্যৰ পুথিসমূহ

সময় যন্ত্ৰ,
এ জাৰ্নি টু দ্য চেণ্টাৰ অফ
দ্য আৰ্থ
উত্তিষ্ঠত জাগ্ৰত
এ'ৰৰ অব্ জায়্মেণ্ট
বননিত বসন্তৰ বা
কণমানী ৰাজকুমাৰী
সংস্কৃত শ্লোক সংগ্ৰহ
জাগা হে ভাৰত জাগা সাধু

## পুথি আকাৰে অপ্ৰকাশিত ৩ খন কিতাপৰ পাণ্ডুলিপি

আচাৰ্য বিনোবা ভাৱে
মোৰ লণ্ডন ভ্ৰমণ
অসমীয়া শিকো আহাঁ ❏



# [৮৭] Do we need more traditional Universities or more modern I.T.I s?

(**I.T.I : Industrial Training Institute**)

Einstein once said *"Everybody is a genius. But if you judge a fish by its ability to climb a tree, it will live its whole life believing that it is a stupid.*

We also strongly believe that each one of us was endowed with some inborn 'special quality'. In our later life, It depends on our 'home'and social environment, our own sincerity, hard work, exposure to different situations etc. whether we could unfold those "special qualities' for the benefit of ourselves in particular, and the society and the country in general.

For students in our state and the country at large, we generally declare those as "brilliant who secure good marks in some examinations where 'memory power plays a bigger role than "creativity'. Of course exceptions are there. Ramanujan, whose mathematical genius is still keeping the mathematical world spell bound, on whose unexplained formulae research is still going on in many internationally prominent institutions, failed in our [৮৮] system of examinations. Had Professor Hardy, the great British Mathematician not been there, probably nobody could have ever heard about Ramanujan, who for sometime worked as a lower division clerk in an accounts office at Madras. One can find many such examples.

If someone takes statistics from SEBA, we are almost sure that most of the students who failed in HSLC examination, failed either in Mathematics or in English. Our society label them as 'poor' students and in the process they get socially ridiculed. It leads those students to low self- esteem, frustration and ultimately they fall prey to negative forces and become 'socially

disturbing elements' and even “terrorists'. Though these students failed in Mathematics or English, it is almost sure, they had some other gifted qualities (maybe some types of craftsmanship or artistic qualities) to offer for the benefit of our society. Our education system have no provision to spot out those differently gifted students who could be used for the future welfare of the society and as a result not only we are wasting our “human resources' at the same time indirectly contributing towards process of creating some 'anti socials' and 'anti nationals”. The need of the hour is to think about these so called 'poor students' who, we think will form the majority of the student community. One should not forget that though Bill Gates was a “school dropout and Steve Jobs was a 'college dropout in foreign countries, yet they made seminal contributions to technology and humanity in their future life and established themselves as modern day icons throughout the world. In our view, the above mentioned problem is a more serious problem than the often discussed[৮৯] problem of “brain drain'. Because, to which country the drained out brain' has gone should not be of much concern to us; they will definitely contribute positively towards humanity but the stagnant brains' amidst us can destroy our society and humanity by producing ‘viruses 'and‘germs 'in their brains as it happens in case of 'stagnant water bodies'.

Any solution? In our opinion, the solution lies in opening up more and more **I**ndustrial **T**raining **I**nstitutes or such types of institutes rather than traditional universities. Though we have some I.T.I s at present, we believe, most of these have become outdated due to long time negligence of our society. Generally accepted norm of our society is that 'intellectually poor 'students go to these institutes. We will have to change our social outlook regarding these institutes. If failing in English (a foreign language) makes one ‘intellectually poor' then how many “brilliant' students passing out from English medium schools can write and read their mother tongue correctly will also be an equally important counter question to be reviewed. But we never declare these students to be 'intellectually poor'.

Leaving all these aside, let us look for some solutions to the problem confronting us. We have to open up more I.T.I s or I.T.I like institutes to accommodate these students and rejuvenate old ones by giving top priority in terms of supplying more funds to these institutes for augmentation of their

existing infrastructure and for opening up new and modern courses. We must be very careful in designing the syllabus for those courses. Haphazard formation of the syllabi will not solve our problem. Unnecessary theoretical portions should be eliminated and should be replaced by technical and [১০] practical portions which have direct applications for the welfare of the society. Probably the syllabi in force in the community colleges' of the advanced countries can guide us, but we have to modify those according to our existing resources and prevailing social and cultural situations. People from different industries should be consulted in framing such syllabi because they know what types of skills' are required for their industries and can incorporate those for the students of these institutes. If possible Study and Learning Materials (SLM) should be provided in mother tongue because these are meant for those who are supposed to be weak in English.

The PPP (Public Private Partnership) model may be a fruitful one for opening up these I.T.Is or I.T.I type institutes. In Assam, if Oil, ONGC and Tea industry join hands with the Assam Government in developing such institutes, we think, it will be a revolutionary step in this direction. These industries can help the Government right from framing the syllabi to providing experts for training. This will definitely improve the quality of training imparted to the students and will make them skilled ones as per the actual requirement of the industry. The students can be exposed to the actual work situations of these industries time to time during their training. This will give a tremendous boost to the confidence level' of these students.

Big Industries probably can also open up such institutes under their 'corporate social responsibility scheme. It will help these industries to build up a pool of really skilled workers for their own industry in case of future requirements.

According to the information with us, there are several administrative flaws in the existing system under which the I.T.I s are running. The I.T.I s and other vocational training institutes are under an administrative structure [১১] where policy matters are governed by DGET (Direcor General of Employment and Training) but the implementation is done through DTE (Director of Technical Education) of the concerned states. Again, the duty of

standard setting and accreditation is at the hand of NCVT (National Council of Vocational Training) and its state counterpart SCVT. This fragmented system of management has lack of coordination among its various wings causing inefficiency in the system and delay in implementation of the policies taken and as a result fail to deliver the desired goal. Necessary remedial measures should be taken by the Government so that the system works more properly and efficiently.

We foresee the following immediate positive impacts if more and more I.T.Is or I.T.I like institutes open up soon :

1. It is often said 'idle brain is devil's workshop'. These so called 'poor students' will be able to save themselves from the devil within' which ultimately can help us in lessening 'socially disturbing factors' and even terrorist problem?

2. It will lessen the ‘unemployment problem.

3. It will narrow down 'economic disparity'in the society.

4. It will give 'financial empowerment’to the people who ultimately will give a positive impetus towards opening up of new trades and businesses.

5. Once we become a developed country' by the financial growth of the citizens, our “higher education and research' will become more fruitful in real sense. Right now, we feel, many of these Institutes of higher education and [১২] research'are merely imparting 'degrees'

6. thereby producing more and more educated unemployed youths in the society. It will help us in making an atmosphere where people will start talking about ‘skills’ instead of ‘degrees’.

At the end, it is to be mentioned that we are not against ‘higher education and research’ which is so essential for scientific and technological development of a country. English, Mathematics etc. will be indispensible tools in such a pursuit. But, at the same time these institutes of higher education and research should not grow ‘horizontally’ and we cannot remain

